● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩


# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

আপুনি সমগ্ৰ জীৱনটোৰ বিষয়ে বুজিব লাগিব, কেৱল ইয়াৰ এটা অংশৰ বিষয়ে জানিলেই নহ'ব।

জিড্ডু কৃষ্ণমূৰ্তি
*লেখক-দাৰ্শনিক*



www.dainikagradoot.in

৭ তৃতীয় মৰ্চা নহয়, মহাগঠবন্ধনৰ পোষকতা নীতিশৰ
১৫ ৰাষ্ট্ৰীয় ক্ৰীড়াত হেট্ৰিকৰ লক্ষ্য নয়নমণিৰ
৪ জিডিপিত পঞ্চম বনাম মানৱোন্নয়নত ১৩২ স্থান

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৩৪৬ তম সংখ্যা ● গুৱাহাটী ● সোমবাৰ ৯ আহিন ১৪২৯ ভাস্কৰাব্দ ২৬ ছেপ্টেম্বৰ ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Monday 26 September 2022 মূল্য ঃ ৯.০০ টকা


■ অসমৰ সমষ্টি পুনৰ গঠনৰ প্ৰক্ৰিয়া ক্ষিপ্ৰতৰ ■ ১০ অক্টোবৰত উচ্চতম ন্যায়ালয়ত শুনানি
■ দিছপুৰত ব্যাপক তৎপৰতা আৰম্ভ ■ খিলঞ্জীয়াৰ স্বাৰ্থক অগ্ৰাধিকাৰ প্ৰদানৰ শ্ল'গান বিজেপিৰ

# সমষ্টি বৃদ্ধি নহয়, সীমাহে সলনি হ'ব

■ দলীয় পৰ্যায়ত চৰকাৰে প্ৰস্তুত কৰিছে সমষ্টিৰ ৰূপৰেখা ■ সাল-সলনি হ'ব পাৰে নাম

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৫ ছেপ্টেম্বৰ ঃ** অসমৰ সমষ্টি পুনৰ নিৰ্ধাৰণ প্ৰক্ৰিয়াক লৈ ৰাজ্য চৰকাৰে অব্যাহত ৰখা তৎপৰতাৰ মাজতে অহা ১০ অক্টোবৰৰ পৰা উচ্চতম ন্যায়ালয়ত স্থগিত হৈ থকা বিষয়টোৰ শুনানি প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ সম্ভাৱনা আছে। তাৰ বাবে দিছপুৰে ব্যাপক তৎপৰতা আৰম্ভ কৰা বুলি ৰাজ্য চৰকাৰৰ শীৰ্ষ সূত্ৰই সদৰী কৰে। কিয়নো হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰে প্ৰথমৰ পৰাই সমষ্টি পুনৰ নিৰ্ধাৰণৰ বিষয়টোত অগ্ৰাধিকাৰ দি আহিছে। তেনে ক্ষেত্ৰত দীৰ্ঘ বিৰতিৰ মূৰত বিষয়টোৰ আইনী



দুৱাৰ খোল খোৱাৰ সম্ভাৱনা স্পষ্ট হোৱাত চৰকাৰৰ মাজত তৎপৰতাও বৃদ্ধি পাইছে। ইয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ লগতো দিছপুৰে আলাপ-আলোচনা ত্বৰান্বিত কৰিছে। জম্মু-কাশ্মীৰৰ পৰা ৩৭০ অনুচ্ছেদ বাতিলৰ পাছত কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনৰ সমষ্টি পুনৰ নিৰ্ধাৰণত মূল গুৰুত্ব আৰোপ কৰে। তাৰ বিপৰীতে অসমকে ধৰি যিকেইখন ৰাজ্যত সমষ্টি পুনৰ নিৰ্ধাৰণৰ কাম বাকী আছিল, সেইকেইখনত প্ৰাৰম্ভিক কাম-কাজ কৰাৰ দায়িত্ব ৰাজ্য চৰকাৰক অৰ্পণ কৰা হয়। সেই অনুসৰি বৰ্তমানৰ অসম চৰকাৰে কাৰ্যভাৰ গ্ৰহণৰ ১০ পৃষ্ঠাত চাওক

■ পুথিভঁৰাল সেৱা সঞ্চালকালয়ৰ দুৰ্নীতিৰ দস্তাবেজ ■ ২০১১ৰ পৰা '১৮লৈ আধুনিকীকৰণ কম্পিউটাৰ স্থাপনৰ নামত ব্যয় ২৬০ লাখ ■ দুই কোটিৰে ক্ৰয় কৰা কিতাপ কমকৈ যোগান

## সাত হেজাৰৰ ফিল্টাৰ ৪০ হেজাৰত ক্ৰয়

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৫ ছেপ্টেম্বৰ ঃ** গুৱাহাটীকে ধৰি ৰাজ্যৰ প্ৰতিখন জিলাতে নিস্তেজ হৈ পৰা পুথিভঁৰালসমূহক পুনৰুজ্জীৱিত কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে বৃহৎ পুঁজি মোকলাই দিছিল যদিও এই পুঁজিৰ বৃহৎ কেলেংকাৰি সংঘটিত হোৱাৰ তথ্য মহাগাণনিকৰ পৰীক্ষাত পোহৰলৈ আহিছে। উল্লেখ্য যে ২০১৬ৰ ১৪ ডিচেম্বৰৰ পৰা চলিত বৰ্ষৰ পহিলা এপ্ৰিললৈ মহানগৰীৰ দীঘলীপুখুৰীস্থিত পুথিভঁৰাল সেৱা সঞ্চালকালয়ত ৬০ লাখ ৫৪ হেজাৰ টকাৰ বৃহৎ বিত্তীয় কেলেংকাৰি মহাগাণনিক (হিচাপ)ৰ পৰীক্ষাত পোহৰলৈ আহিছিল। মহাগাণনিকৰ প্ৰতিবেদনত পুথিভঁৰাল সঞ্চালকালয়ে আইন বহিৰ্ভূতভাৱে ছেলফ চেকৰ জৰিয়তে ৬০ লাখ ৫৪ হেজাৰ টকা মোকলাই নিয়াৰ দুৰ্নীতিৰ তথ্য স্পষ্ট কৰি এই সন্দৰ্ভত যোৱা ১৮ মে'ত মহাগাণনিকৰ কাৰ্যালয়ে পুথিভঁৰাল সঞ্চালকলৈ এক পত্ৰ প্ৰেৰণ কৰি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ জাৰি কৰিছিল। তাৰ মাজতে পুথিভঁৰাল সঞ্চালয়কালয়ৰ আন এক দুৰ্নীতি পোহৰলৈ আহিছে। বিশেষকৈ ২০২১ত পুথিভঁৰাল সঞ্চালকালয়ে ৰাজ্যৰ বিভিন্ন স্থানত থকা পুথিভঁৰালত ফিল্টাৰ যোগানৰ নামত ১৪ লাখ টকা ব্যয় কৰিছিল। মুঠ ৫০টা ফিল্টাৰ ক্ৰয়ৰ নামত এই বৃহৎ ধনৰাশি ব্যয় ১০ পৃষ্ঠাত চাওক



*জনজাতিকৰণ আৰু স্বায়ত্তশাসনৰ দাবীত চুতীয়া ছাত্ৰ সন্থাৰ জোঁৰ সমদল, গোলাঘাটত দেওবাৰে।*

■ চৰাইদেউত সদস্যক আটক ■ লখিমপুৰ-তিতাবৰ-চিচিবৰগাঁৱত আৰক্ষী-প্ৰতিবাদকাৰীৰ হতাহতি ■ ৰাজনীতি বন্ধ কৰক চৰকাৰে

## জনজাতিকৰণ-স্বায়ত্তশাসনৰ দাবীৰে ৰাজ্যজুৰি প্ৰতিবাদ চুতীয়া ছাত্ৰ সন্থাৰ

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**গোলাঘাট/ডিগবৈ/লখিমপুৰ/নাহৰকটীয়া, ২৫ ছেপ্টেম্বৰ ঃ** উত্তৰ-পূৰ্বাঞ্চলৰ আদিম ভূমিপুত্ৰ চুতীয়া জনগোষ্ঠীক শীঘ্ৰে জনজাতিৰ মৰ্যাদা আৰু স্বায়ত্তশাসন প্ৰদানৰ দাবীত ধাৰাবাহিক প্ৰতিবাদী কাৰ্যসূচী অব্যাহত ৰাখিছে সদৌ অসম চুতীয়া ছাত্ৰ সন্থাই। গোলাঘাট, তিনিচুকীয়া, যোৰহাট, শিৱসাগৰ, চৰাইদেউ, ডিব্ৰুগড়, ধেমাজি, মাজুলী, লখিমপুৰ, বিশ্বনাথ আৰু মৰিগাঁও জিলাত আজি সন্ধিয়া চুতীয়া ছাত্ৰ সন্থাৰ শ শ সদস্যই হাতত জোঁৰ লৈ প্ৰতিবাদ সাব্যস্ত কৰি পুনৰবাৰ জনজাতিকৰণৰ দাবী উত্থাপন কৰে। ঘোষিত কাৰ্যসূচী ৰূপায়ণৰ সময়ত তিতাবৰ, লখিমপুৰ, ধেমাজিত আৰু চৰাইদেউত আৰক্ষীয়ে বাধা প্ৰদান কৰাত উত্তপ্ত পৰিস্থিতি সৃষ্টি হয় আৰু চৰাইদেউ জিলা চুতীয়া ছাত্ৰ সন্থাই জোঁৰ সমদল কাৰ্যসূচী ৰূপায়ণৰ পাছতে কে'বাজনো প্ৰতিবাদকাৰীক আৰক্ষীয়ে দুই পৃষ্ঠাত চাওক

## অবাঞ্ছিত অশান্তিৰ কাৰণ হিজাব

■ প্ৰাঞ্জলসেন ডেকা

**হিজাব।** এখন বস্ত্ৰ, যিখন ইছলামধৰ্মী মহিলাই মূৰ, ডিঙি আৰু বুকু ঢাকি ৰাখিবলৈ পৰিধান কৰে। ই মহিলাগৰাকীৰ চুলি ঢাকি ৰাখিলেও মুখমণ্ডল অৱশ্যে দৃশ্যমান কৰিয়ে ৰাখে। এনেকুৱা এখন সাধাৰণ বস্ত্ৰ পৰিধানক লৈ বিতৰ্কৰ সূত্ৰপাত হৈ আহিছে ভাৰতসহ বিশ্বৰ কে'বাখনো দেশত। হিজাবক লৈয়ে সম্প্ৰতি অগ্নিগৰ্ভ হৈছে ইৰান। ভাৰততো এই বিতৰ্কৰ যেন অন্ত নপৰিব! সম্প্ৰতি হিজাব পৰিধানৰ নামত শক্তি প্ৰয়োগক লৈ চৰকাৰ বিৰোধী বিক্ষোভত ১০ পৃষ্ঠাত চাওক



দুদিনীয়া কাৰ্যসূচীৰে শ্বিলঙত আৰএছএছ প্ৰধান

## হিন্দুত্বৰ সংজ্ঞা নাই, কিন্তু ইয়েই আমাৰ পৰিচয় ঃ ক'লে ভাগৱতে

■ **নিউজ ব্যুৰ'**

**শ্বিলং, ২৫ ছেপ্টেম্বৰ ঃ** 'আমি প্ৰাচীন কালৰ পৰাই এক মানৱীয় মূল্যবোধ সম্পন্ন ৰাষ্ট্ৰ, কিন্তু আমাৰ সভ্যতাৰ মূলমন্ত্ৰ আৰু মূল্যবোধ পাহৰি যোৱাৰ বাবেই আমি এদিন আমাৰ স্বাধীনতা হেৰুৱাই পেলাইছিলো। ১০ পৃষ্ঠাত চাওক

## অৱসৰৰ পাছতো ব্যৰ্থ বিষয়াকে পুনৰ সংস্থাপন বিদ্যুৎ কোম্পানীত

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৫ ছেপ্টেম্বৰ ঃ** মাচুল বৃদ্ধিৰে উপভোক্তাৰ মূৰত ৰাম টাঙোন শোধোৱাৰ চেলু বিচাৰি থকা ৰাজ্যৰ বিদ্যুৎ খণ্ডটোত অৰাজকতা আৰু লুণ্ঠনেহে অগ্ৰাধিকাৰ পাই দুই পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩০° | ২৪° |
| ডিব্ৰুগড় | ২৮° | ২৩° |
| দিল্লী | ৩১° | ২৪° |
| কলকাতা | ৩৩° | ২৬° |
| মুম্বাই | ২৯° | ২৪° |
| চেন্নাই | ৩৪° | ২৭° |
| বাংগালুৰু | ২৯° | ২০° |
| শ্বিলং | ২১° | ১৭° |

২৫ ছেপ্টেম্বৰ, ২০২২

## চেঙা তেল



*কিবা দাবী আছে?... প্ৰথমে লাষ্টগেটত ধৰ্ণা দি আহা। তাৰ পাছত দেখা যাব!*

■ ভূমিস্খলনৰ ফলত কে'বাটাও টানেল বন্ধ হোৱাৰ উপক্ৰম ঃ এন এইছ পি চিৰ নিৰ্মীয়মান জলবিদ্যুৎ প্ৰকল্পত ভয়াৱহ পৰিস্থিতি

## সোৱণশিৰি প্ৰকল্পত পুনৰ অঘটন, দেৱাল ভাঙি পাৱাৰ হাউছ প্লাৱিত

**অগ্ৰদূত বাৰ্তা**

**ধেমাজি, ২৫ ছেপ্টেম্বৰ ঃ** বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাক প্ৰত্যাহ্বান জনাই এইবাৰ প্ৰকৃতিয়ে বাধা দিলে গেৰুকামুখত নিৰ্মিত নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ নিৰ্মাণকাৰ্য। বিগত প্ৰায় এসপ্তাহ ধৰি অৰুণাচলত অব্যাহত থকা মুষলধাৰ বৰষুণৰ ফলত নামি অহা পানীৰ ধলে ভাঙি পেলালে এনএইছপিচিৰ জলবিদ্যুৎ প্ৰকল্পটোৰ প্ৰটেকচন ৱাল। এই প্ৰতিৰোধ বেৰখন খহাই নিয়াৰ ফলত প্লাৱিত হৈছে নিৰ্মীয়মাণ প্ৰকল্পটোৰ পাৱাৰ হাউছ। পানীৰ ধলৰ লগতে ইখনৰ পাছত সিখনকৈ পাহাৰ খহিবলৈ ধৰাত কে'বাটাও টানেল বন্ধ কৰাৰ উপক্ৰম ঘটিছে। উল্লেখ্য যে আজি নিৰ্মীয়মাণ প্ৰকল্পটোৰ মূল বান্ধৰ ওপৰেৰে পানী বাগৰিছে। জলবিদ্যুৎ প্ৰকল্পটোৰ নিৰ্মাণ কাৰ্য প্ৰায় সম্পূৰ্ণ হোৱাৰ প্ৰাকমুহূৰ্তত সৃষ্টি হোৱা এই প্ৰাকৃতিক দুৰ্যোগৰ ফলত অনাহুত পৰিস্থিতিৰ ১০ পৃষ্ঠাত চাওক



*চানডুবিৰ পাৰত বিদেশী পৰ্যটকৰ ৰাভা নৃত্য, দেওবাৰে।*

সুস্থিৰ পৰিৱেশ বিৰাজমান ■ কেন্দ্ৰৰ নিৰ্দেশ

## উত্তৰ-পূৰ্বাঞ্চলত কৰ্মৰত আইএএছ-আইপিএছৰ অতিৰিক্ত ভাট্টা প্ৰত্যাহাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৫ ছেপ্টেম্বৰ ঃ** অনগ্ৰসৰ আৰু উগ্ৰপন্থী অধ্যুষিত অঞ্চল হিচাপে অসম তথা উত্তৰ-পূৰ্বাঞ্চলত চাকৰি কৰিলে আই এ এছ, আই পি এছ, আই এফ এছ আদি বিষয়াই অতিৰিক্তভাৱে লাভ কৰা ভাট্টা তথা অন্যান্য সা-সুবিধাৰ ব্যৱস্থা প্ৰত্যাহাৰ কৰিছে কেন্দ্ৰীয় চৰকাৰে। অঞ্চলটোত পূৰ্বৰ অৱস্থাৰ পৰিৱৰ্তে এতিয়া সুস্থিৰ পৰিৱেশ বিৰাজমান হোৱাৰ সূত্ৰে আমোলাসকলে লাভ কৰা অতিৰিক্ত ভাট্টা আদায় দিয়াৰ প্ৰত্যাহাৰ কৰি কালি এক নিৰ্দেশনা জাৰি কৰিছে। অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ কেউখন ৰাজ্যৰে মুখ্য সচিবসকললৈ কেন্দ্ৰীয় চৰকাৰৰ কৰ্মী ১০ পৃষ্ঠাত চাওক

## এন আই এ অসম আৰক্ষীৰ 'বৃহৎ সাফল্য' ড° মিনাৰুল শ্বেইখৰ গ্ৰেপ্তাৰ

অসমৰ পি এফ আইৰ পৰামৰ্শদাতা ৰূপে দায়িত্ব পালন পশ্চিমবংগৰ নেতাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৫ ছেপ্টেম্বৰ ঃ** দেশৰ ১৫ খন ৰাজ্যত স্থানীয় আৰক্ষী, ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থা (এন আই এ) আৰু প্ৰৱৰ্তক সকালকালয় (ই ডি) এ পপুলাৰ ফ্ৰন্ট অব ইণ্ডিয়া (পি এফ আই)ৰ বিৰুদ্ধে অব্যাহত ৰখা অভিযানৰ এটা অন্যতম কাৰণ হ'ল সংগঠনটোৰ সন্ত্ৰাসবাদী তথা জেহাদী সংগঠনৰ লগত থকা সম্পৰ্ক। অসম আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি নিজৰ জিম্মাত ৰখা লোকৰ মাজতে তেনে সম্পৰ্ক থকা লোক ওলাইছে। ধৃত তেনে এজন হ'ল পি এফ আইৰ পশ্চিমবংগৰ ৰাজ্যিক সভাপতি ড° মিনাৰুল শ্বেইখ। অসম আৰক্ষীয়ে দিল্লীৰ পৰা গ্ৰেপ্তাৰ কৰা ইছলামিক সাহিত্যৰ ১০ পৃষ্ঠাত চাওক



## প্ৰধানমন্ত্ৰীৰ 'মন কী বাত'ত কেন্দ্ৰীয় মন্ত্ৰী সোণোৱাল

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৫ ছেপ্টেম্বৰ ঃ** 'পণ্ডিত দীনদয়াল উপাধ্যায়ে তেওঁৰ একাত্ম মানৱতাবাদৰ দৰ্শন আৰু মহৎ কাৰ্যপন্থাৰ যোগেদি ভাৰতীয় সমাজ জীৱনত যি অনবদ্য অৱদান আগবঢ়াই থৈ গৈছে, তাৰ বাবে তেওঁ যুগে যুগে অমৰ হৈ থাকিব। ভাৰতীয় দুই পৃষ্ঠাত চাওক

■ খং চিৰস্থায়ী নকৰিব ঃ পৰামৰ্শ ৰবিশংকৰৰ ঃ কাজিৰঙাৰ চিন্তন বৈঠকৰ দ্বিতীয়দিনাও আধ্যাত্মিক গুৰু ■ পুৱাতেই চলিল যোগাভ্যাস

## এজনৰ পাছত আনজন গুৰুৰ কৃপাধন্য মন্ত্ৰীসভা-শীৰ্ষ আমোলাবৰ্গ




**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**গোলাঘাট/নুমলীগড়, ২৫ ছেপ্টেম্বৰ ঃ** 'খং মানুহৰ সহজাত প্ৰবৃত্তি; কিন্তু খং চিৰস্থায়ী হ'লে ক্ষতিৰ আশংকা বাঢ়ি যায়। আচলতে খং কৰি নিজকহে শাস্তি দিয়া হয়, কাৰণ খঙে মানুহৰ ইমানেই ক্ষতি কৰে যে ব্যক্তিসত্তাৰ মাজত থকা ইতিবাচক ধাৰণাসমূহ লোপ পাবলৈ আৰম্ভ কৰে।' গোলাঘাট জিলাৰ কাজিৰঙাৰ বৰগছ ৰিজ'ৰ্টত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত চিন্তন শিবিৰৰ আজি দ্বিতীয় দিনা ৰাজ্য চৰকাৰৰ মন্ত্ৰী, জ্যেষ্ঠ আমোলাসকলক উদ্দেশি এই মন্তব্য কৰিছে আধ্যাত্মিক গুৰু ৰবিশংকৰে। খং পৰিত্যাগ কৰি এক স্বাচ্ছন্দ্য জীৱন অতিবাহিত কৰিবলৈ পৰামৰ্শ আগবঢ়াই গুৰু ৰবিশংকৰে কয়, 'মানুহে খঙক আটাইতকৈ মূল্যবান হিচাপে আৰু হাঁহিটো আটাইতকৈ খৰচী হিচাপে গণ্য কৰি জীৱনৰ পথত আগবাঢ়িব লাগে।' মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত ১০ পৃষ্ঠাত চাওক

■ ৫০ শতাংশও ৰেডিমেড কাপোৰ বিক্ৰী কৰিব নোৱাৰি হতাশ ফাঁচী বজাৰৰ ব্যৱসায়ী ■ গণেশগুৰিৰ খুচুৰা বজাৰতো একেই অৱস্থা ■ পূজাৰ পূৰ্বে অন্তিমটো দেওবাৰত গ্ৰাহকৰ ভিৰ

## পূজাৰ বতৰত মন্দাৰ গ্ৰাসত কাপোৰৰ ব্যৱসায়



■ অনলাইন মাৰ্কেটিং-শ্বপিং মলে নিছে মধ্য-উচ্চ বিত্তক

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৫ ছেপ্টেম্বৰ ঃ** শাৰদীয় দুৰ্গোৎসৱৰ প্ৰস্তুতি তুংগত উঠাৰ সময়তে ৰাজ্যৰ কাপোৰৰ ব্যৱসায় ক্ষেত্ৰখনত হ্ৰাস পাইছে ক্ৰয়-বিক্ৰয়। দুৰ্গোৎসৱলৈ সন্মুখত আৰু পাঁচটা দিনহে বাকী থকা অৱস্থাতো পূজাৰ সময়ত বিক্ৰীৰ লক্ষ্যৰে গুদামত কাপোৰ ভৰোৱা ফাঁচী বজাৰৰ পাইকাৰী ব্যৱসায়ীসকলে ৫০ শতাংশও কাপোৰ ১০ পৃষ্ঠাত চাওক



■ দুৱাৰ খুলি দিওঁতেই চোকা অস্ত্ৰৰে ডিঙিত ৰেপ দিলে ঘাতকে

## নগাঁও চহৰৰ মাজমজিয়াত সম্ভ্ৰান্ত পৰিয়ালৰ মহিলাক নৃশংস হত্যা

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৫ ছেপ্টেম্বৰ ঃ** নগাঁও চহৰৰ মাজমজিয়াৰ হৰিজন কলনীত সংঘটিত এক নৃশংস হত্যাকাণ্ডই চহৰখনত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। আজি সন্ধিয়া প্ৰায় ৭-৩০ বজাত ঘৰত কোনো পুৰুষ নথকাৰ সুযোগতে হৰিজন কলনীৰ ৰাজদ্বীপ দত্ত নামৰ ঔষধ ব্যৱসায়ী জনৰ পত্নী ৰুমী দত্ত (৩৮)ক দুৰ্বৃত্তই চোকা অস্ত্ৰৰে ডিঙি ৰেপি অতি নৃশংসভাৱে হত্যা কৰে। তেজেৰে তুমৰলি অৱস্থাত মহিলাগৰাকীৰ মৃতদেহ উদ্ধাৰ হোৱাৰ লগে লগে অঞ্চলটোত হুৱাদুৱা লাগে। এই বিষয়ে লগে লগে স্থানীয় আৰক্ষীক খবৰ দিয়াত আৰক্ষীৰ দলে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। ঘটনা ১০ পৃষ্ঠাত চাওক



## ধুবুৰীৰ কফি শ্বপত অস্ত্ৰসহ আৰক্ষীৰ জালত পৰিল যুৱক

**ধুবুৰী, ২৫ ছেপ্টেম্বৰ ঃ** ধুবুৰী আৰক্ষীয়ে আজি মাৰণাস্ত্ৰ আৰু ড্ৰাগছসহ এজন যুৱকক আটক কৰিবলৈ সক্ষম হয়। আৰক্ষীৰ এটা দলে আজি দিনৰ ১১.৩০ বজাত এক গোপন তথ্যৰ ভিত্তিত ধুবুৰী চহৰৰ হৰিসভাৰ ওচৰত থকা 'ব্ৰু বেকছ' কফি শ্বপত অভিযান চলাই ধুবুৰী আৰক্ষী থানাৰ অন্তৰ্গত মজেৰচৰ প্ৰথম খণ্ডৰ ইছমাইল খানৰ পুত্ৰ ১০ পৃষ্ঠাত চাওক

■ ৰাষ্ট্ৰপতি জিনপিঙৰ গৃহবন্দীৰ বাতৰি প্ৰচাৰৰ আঁৰত কি আছে?

## জুই নজ্বলাকৈ ধোঁৱা কেনেকৈ ওলাব!

■ **নিউজ ব্যুৰ'**

**বেইজিং/নতুন দিল্লী, ২৫ ছেপ্টেম্বৰ ঃ** চীনৰ ৰাষ্ট্ৰপতি জি জিনপিং উজবেকিস্তানত থকাৰ সময়ত তেওঁৰ বিৰুদ্ধে অভ্যুত্থানৰ সূচনা হোৱা বুলি সামাজিক মাধ্যমত তুমুল চৰ্চা আৰম্ভ হোৱাৰ পাছত এইবাৰ এনে চৰ্চা-আলোচনা সত্য ঘটনা নে অপপ্ৰচাৰ তাকে লৈ সন্দেহৰ সৃষ্টি হৈছে। টুইটাৰত প্ৰকাশিত একাংশ প'ষ্টত দাবী কৰা অনুসৰি যোৱা ১৬ ছেপ্টেম্বৰত বেইজিঙত অৱতৰণ কৰাৰ পাছতে জিনপিঙক গৃহবন্দী কৰা হয়। টুইটাৰত বহুসংখ্যক চীনা নাগৰিকে দাবী কৰে যে চীনৰ পিপ'লছ লিবাৰেছন আৰ্মী (পিএলএ)য়ে চীনৰ প্ৰশাসন নিয়ন্ত্ৰণলৈ নিছে আৰু একে সময়তে দুই পৃষ্ঠাত চাওক



দৈনিক অগ্ৰদূত

গুৱাহাটী, ২৬ ছেপ্টেম্বৰ, ২০২২ সোমবাৰ পৃষ্ঠা তিনি

# জামুগুৰিহাটৰ উত্তৰাঞ্চলত বন্যহস্তীৰ উপদ্ৰৱ অব্যাহত

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২৫ ছেপ্টেম্বৰ ঃ** খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা ওলাই আহি জনাঞ্চলত প্ৰৱেশ কৰিছে বন্যহস্তীয়ে। জামুগুৰিহাটৰ উত্তৰাঞ্চলতো অব্যাহত আছে বন্যহস্তীৰ উপদ্ৰৱ। নামেৰী ৰাষ্ট্ৰীয় উদ্যানৰ পৰা নিশাৰ ভাগত ওলাই অহা বন্যহস্তীয়ে জামুগুৰিহাটৰ উত্তৰাঞ্চলৰ দুই নম্বৰ বৰদিকৰাই, খ্ৰীষ্টানবস্তি, আজাৰগুৰি, বামুণীপামকে ধৰি একাধিক ছয় পৃষ্ঠাত চাওক

## নামৰূপত আছুৰ নেতৃত্বত জোঁৰ সমদল ঃ প্ৰতিবাদকাৰীক বাধা প্ৰদান আৰক্ষীৰ

# সাৰ কাৰখানাক ব্যক্তিগতকৰণৰ প্ৰতিবাদ

অগ্ৰদূত বাৰ্তা

**নামৰূপ, ২৫ ছেপ্টেম্বৰ ঃ** ভাৰত চৰকাৰে নিৰ্বিনিয়োজন নীতিৰ আধাৰত ৰাজহুৱা খণ্ডৰ উদ্যোগ ব্যক্তিগত খণ্ডক গতাই দিয়াৰ আওতাত উত্তৰ-পূবৰ একমাত্ৰ সাৰ কাৰখানা নামৰূপস্থ ব্ৰহ্মপুত্ৰ ভেলী ফাৰ্টিলাইজাৰ কৰ্প'ৰেছন লিমিটেড অৰ্থাৎ নামৰূপ সাৰ কাৰখানাৰ নাম সাঙুৰ খাই পৰাত সেই সিদ্ধান্তৰ বিৰোধিতা কৰি নামৰূপ আঞ্চলিক ছাত্ৰ সন্থাই ধাৰাবাহিক আন্দোলন অব্যাহত ৰাখিছে। আজি সন্ধিয়াও সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ আহ্বানমৰ্মে নামৰূপ আঞ্চলিক ছাত্ৰ সন্থাই নামৰূপৰ গোৰ্খা ছাত্ৰ সন্থা, আদিবাসী ছাত্ৰ সন্থা, নামৰূপ সমন্বয়ৰক্ষী মহিলা সমিতি, নামৰূপ থাৰ্মেল পাৱাৰ ৱৰ্কাৰ্ছ ইউনিয়ন আৰু নামৰূপৰ ৰাইজৰ সহযোগত প্ৰায় পাঁচ শতাধিক লোকে সাৰ কাৰখানাৰ প্ৰৱেশদ্বাৰৰ পৰা এক বৃহৎ প্ৰতিবাদী জোঁৰ সমদল কাৰ্যসূচীৰ ৰূপায়ণ কৰে। অৱশ্যে শান্তিপূৰ্ণভাৱে ৰূপায়ণ কৰিবলৈ লোৱা উক্ত প্ৰতিবাদী কাৰ্যসূচীক আগুৱাই যোৱাত বাধা দিয়ে আৰক্ষীয়ে। প্ৰতিবাদকাৰীসকলে জোঁৰ বাহিৰ কৰা মাত্ৰকে পূৰ্বৰে পৰা সষ্টম হৈ থকা প্ৰায় ডেৰ শতাধিক সশস্ত্ৰ আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীয়ে নামৰূপৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া নীলকমল বৰুৱাৰ নিৰ্দেশত প্ৰতিবাদকাৰীসকলক ঘেৰি লৈ আগবঢ়াত বাধা দিয়াৰ লগতে হাতাহতি কৰা পৰিলক্ষিত হয়। ফলশ্ৰুতিত প্ৰতিবাদকাৰীসকলে পুলিচ প্ৰশাসন মুৰ্দাবাদ, বিজেপি চৰকাৰ মুৰ্দাবাদ, নামৰূপ সাৰ কাৰখানা বিক্ৰী কৰিবলৈ দিয়া নহ'ব আদি বিভিন্ন চৰকাৰ বিৰোধী শ্ল'গানেৰে নামৰূপৰ আকাশ-বতাহ কঁপাই তোলে। এই প্ৰতিবাদী কাৰ্যসূচীত সদৌ অসম ছাত্ৰ সন্থাৰ সাংস্কৃতিক সম্পাদক তচেন ডেকা, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক অনিল গগৈ, সদৌ ছয় পৃষ্ঠাত চাওক



আহিনৰ বতাহত হালিজালি নাচিছে কঁহুৱাই, দেওবাৰে ঢকুৱাখনাত।

# ২৮ ছেপ্টেম্বৰত ৰাজ্যিক কাৰ্যনিৰ্বাহক সভা

**গুৱাহাটী, ২৫ ছেপ্টেম্বৰ ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সভা অহা ২৮ ছেপ্টেম্বৰত দিনৰ ১১ বজাত গুৱাহাটীত অনুষ্ঠিত হ'ব। উক্ত সভাত ৰাজ্যিক কাৰ্যনিৰ্বাহকৰ সকলো বিষয়ববীয়া আৰু সদস্য-সদস্যাক উপস্থিত থাকিবলৈ সন্থাৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই এক বিবৃতিত অনুৰোধ জনাইছে।

## অভিযুক্ত সাংবাদিক মুকুট ৰাজ শৰ্মাৰ বিৰুদ্ধে আৰক্ষীৰ অভিযোগনামা দাখিল

# মঙলদৈত পুথিভঁৰালৰ কৰ্মচাৰীক কাৰ্যালয়ত প্ৰহাৰ

অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ২৫ ছেপ্টেম্বৰ ঃ** এগৰাকী কৰ্তব্যৰত বৰ্ষীয়ান চৰকাৰী কৰ্মচাৰীক কাৰ্যালয়ৰ ভিতৰত প্ৰহাৰ কৰাৰ দৰে গুৰুতৰ অভিযোগত মঙলদৈৰ সাংবাদিক মুকুট ৰাজ শৰ্মা ওৰফে মুকুট শৰ্মাৰ বিৰুদ্ধে মঙলদৈ থানাৰ আৰক্ষীয়ে দৰঙৰ আদালতত অভিযোগনামা দাখিল কৰিছে। অহা ডিচেম্বৰত অৱসৰ গ্ৰহণ কৰিবলগীয়া ভুক্তভোগী কৰ্মচাৰী মুকুন্দ শৰ্মাই মঙলদৈৰ বহুকেইজন সাংবাদিকৰ আগত যাৱতীয় নথিপত্ৰ প্ৰদৰ্শন কৰি ন্যায় ভিক্ষা কৰি কাতৰে বাতৰি পৰিৱেশনৰ বাবে অনুৰোধ জনায়। ঘটনাৰ বিৱৰণিত কৰ্মচাৰী শৰ্মাই জনোৱা মতে, যোৱা এক জুনত পুৱাৰ ভাগত মঙলদৈ প্ৰেছ ক্লাব আৰু অসম সাহিত্য সভাই ছয় পৃষ্ঠাত চাওক

# প্ৰমোদ বড়োৰ বিৰুদ্ধে উত্থাপিত বিভিন্ন অভিযোগ খণ্ডন ইউপিপিএলৰ

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ২৫ ছেপ্টেম্বৰ ঃ** বিটিআৰৰ শাসনাধিষ্ঠিত ইউপিপিএল দল তথা বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ বিৰুদ্ধে বিটিআৰৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী হাগ্ৰামা মহিলাৰীৰ খুলশালীয়েক তথা পাৰিষদ মুনমুন ব্ৰহ্মই ঠিকাদাৰৰ পৰা ২৫ শতাংশ কমিছন লোৱাকে ধৰি উত্থাপন কৰা বিভিন্ন অভিযোগ খণ্ডন কৰিছে শাসকীয় দলটোৱে। আজি সন্ধিয়া কোকৰাঝাৰৰ ইউপিপিএলৰ কেন্দ্ৰীয় কাৰ্যালয়ত আয়োজিত এক সংবাদমেলত ইউপিপিএলৰ দেৱৰগাঁও ব্লক সমিতিৰ সাধাৰণ সম্পাদক অশোক গয়াৰীয়ে নস্যাৎ কৰে বিপিএফৰ পাৰিষদ ব্ৰহ্মৰ অভিযোগ। সংবাদমেলখনত ব্ৰহ্মক উভতি ধৰি ইউপিপিএলৰ ব্লক সাধাৰণ সম্পাদকজনে কয়, '২০২২-২৩ বিত্তীয় বৰ্ষত প্ৰমোদ ছয় পৃষ্ঠাত চাওক

## এই মাটিৰ সন্তান হৈয়ো গৰিয়া-মৰিয়া-দেশীসকলে ক'ব লগা হৈছে 'আমিও ভূমিপুত্ৰ' ঃ হক

### জাতীয়তাবাদী সংগঠক ড° চহিৰ ভূঞাক 'জাতীয় কৰ্মী' উপাধি প্ৰদান



বিশেষ সংবাদদাতা

**মঙলদৈ, ২৫ ছেপ্টেম্বৰ ঃ** 'অসমৰ বায়ু পানী মাটিৰ সন্তান হৈয়ো, থলুৱা মুছলমান গৰিয়া মৰিয়া দেশীসকলে পৰিচয়ৰ সংকটত হাবু-ডাবু খাই হাহাকাৰ কৰিব লগা হৈছে। সকলো ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক সা-সুবিধাৰ পৰা বঞ্চিত এই থলুৱা লোকসকলে নিজৰ প্ৰাপ্য অধিকাৰ আৰু পৰিচয় বিচাৰি সংগ্ৰাম কৰিবলগীয়া হৈছে। তাৰ বিপৰীতে এচাম নবাগত প্ৰব্ৰজনকাৰী মুছলমানে আমি নোপোৱা সকলো সা-সুবিধা গ্ৰহণ কৰি অসমত দপদপাই ফুৰিব পৰা হৈছে। সেয়ে আমি খিলঞ্জীয়াসকল ধৰ্ম-বৰ্ণ-গোষ্ঠী-সম্প্ৰদায় নিৰ্বিশেষে সকলো অসমীয়া সজাগ আৰু সচেতন হৈ ঐক্যবদ্ধ হ'ব নোৱাৰিলে আমাক কোনেও ৰক্ষা কৰিব নোৱাৰে।' এই ভাষ্য সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি, প্ৰাক্তন ছাত্ৰ নেতা নুৰুল হকৰ। আজি সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদ,দৰং জিলা সমিতিৰ উদ্যোগত তথা ঔতলা আঞ্চলিক সমিতিৰ আতিথ্যত বেছিমাৰী, কপিলী সত্ৰ ছয় পৃষ্ঠাত চাওক

# শহুৰেকৰ লগত অবৈধ সম্পৰ্ক স্থাপন নকৰা বাবেই স্বামীয়ে দিলে পত্নীক তিনি তালাক

### মিকিৰভেটাৰ গলাকটাত সংঘটিত ঘটনাই পুনৰ লজ্জানত কৰিলে সভ্য সমাজক

অগ্ৰদূত বাৰ্তা

**বটদ্ৰৱা, ২৫ ছেপ্টেম্বৰ ঃ** দেশত নিষিদ্ধ তিনি তালাক। কিন্তু একাংশই এতিয়াও উচ্চতম ন্যায়ালয়ৰ নিষেধাজ্ঞাক অৱমাননা কৰি অব্যাহত ৰাখিছে তিনি তালাক প্ৰথা। তেনে এক নিৰ্লজ্জ ঘটনা সংঘটিত হৈছে মৰিগাঁও জিলাৰ মিকিৰভেটাৰ গলাকাটা গাঁৱত। গাঁওখনৰ ৰাব্বুল আলম নামৰ এজন যুৱকে ধিঙৰ কান্ধুলিমাৰিৰ এগৰাকী যুৱতীৰ স'তে সামাজিক ৰীতি-নীতিৰে বিবাহ কৰাইছিল তিনিবছৰ পূৰ্বে। কিন্তু বিয়াৰ পাছৰে পৰা যৌতুকৰ বাবে স্বামী আৰু স্বামী ঘৰৰ পৰিয়ালে শাৰীৰিক আৰু মানসিকভাৱে চলাই আহিছিল বোৱাৰীগৰাকীক নিৰ্যাতন। ইফালে, ৰাব্বুল আলম কৰ্ম সূত্ৰে কেৰালাত থকাৰ বাবে শহুৰেক ইমান আলীয়ে পুত্ৰ বোৱাৰীৰ লগত অবৈধ সম্পৰ্ক গঢ়াৰ চেষ্টা চলাইছিল। এই ক্ষেত্ৰত উদগনি যোগাইছিল স্বয়ং স্বামী ৰাব্বুল আলমে। যোৱা সোমবাৰে নিশা দৰজা খুলি শহুৰেক ইমান আলীয়ে বোৱাৰীৰ ৰুমত ছয় পৃষ্ঠাত চাওক

# বহিঃৰাজ্যত দুৰ্বৃত্তৰ আক্ৰমণৰ বলি অসমৰ যুৱক

অগ্ৰদূতবাৰ্তা

**যমুনামুখ, ২৫ ছেপ্টেম্বৰ ঃ** হোজাই জিলাৰ ডবকাৰ হালধিআটি গাঁৱৰ এজন যুৱক বহিঃৰাজ্যত দুৰ্বৃত্তৰ আক্ৰমণৰ বলি হোৱা ঘটনাই ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। দুৰ্বৃত্তৰ আক্ৰমণৰ বলি হোৱা যুৱকজন হৈছে ডবকা আৰক্ষী থানাৰ অন্তৰ্গত হালধিআটিৰ মকবুল হুছেইন। প্ৰাপ্ত তথ্য অনুসৰি, মকবুলে প্ৰায় ডেৰমাহ পূৰ্বে কাম বিচাৰি কেৰালালৈ গৈছিল। যোৱা শুকুৰবাৰে নিশা যুৱকজনে নিজৰ কৰ্ম প্ৰতিষ্ঠানৰ ছয় পৃষ্ঠাত চাওক

### হাউলীত শোকৰ ছাঁ ঃ দুইঘণ্টীয়া বন্ধ পালন

# হাউলী আদৰ্শ বিদ্যাপীঠ হাইস্কুলৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক বিবেকানন্দ তালুকদাৰৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**হাউলী, ২৫ ছেপ্টেম্বৰ ঃ** অসম আন্দোলনৰ কৰ্মী, বিশিষ্ট সমাজকৰ্মী তথা হাউলী আদৰ্শ বিদ্যাপীঠ হাইস্কুলৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক বিবেকানন্দ তালুকদাৰৰ যোৱা নিশা প্ৰায় ১.৩০ বজাত গুৱাহাটীৰ এক্সেল কেয়াৰ হাস্পতালত পৰলোকপ্ৰাপ্তি ঘটে। তেওঁ যোৱা ২৩ ছেপ্টেম্বৰৰ পুৱা উচ্চৰক্ত চাপজনিত কাৰণত মূৰ ঘূৰাই বিদ্যালয়তে পিছলি পৰি গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈছিল। তাৰ পাছত তালুকদাৰক বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে যদিও উন্নত চিকিৎসাৰ কাৰণে ছয় পৃষ্ঠাত চাওক

# পঞ্চায়ত সভানেত্ৰীৰ বহুৱালি

### নিয়ম বহিৰ্ভূতভাৱে আঁচনিৰ ধন মুকলি কৰি দিবলৈ অহেতুক হস্তক্ষেপ

**তিতাবৰ, ২৫ ছেপ্টেম্বৰ ঃ** পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে গাঁও পঞ্চায়তৰ উন্নয়নৰ বাবে আবণ্টন দিয়া ধন চৰকাৰী নিৰ্দেশনা অনুসৰি ব্যয় কৰাতো আইনসংগত নিয়ম। কিন্তু চৰকাৰী নীতি-নিয়মক অংগুষ্ঠ প্ৰদৰ্শন কৰি আঁচনি ৰূপায়ণৰ ধন বক্ৰপথেৰে উলিয়াই নিবলৈ অপচেষ্টা কৰা বুলি গুৰুতৰ অভিযোগ উঠিছে তিতাবৰৰ ৮৭ নম্বৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী প্ৰিয়ংকা ফুকনৰ বিৰুদ্ধে। প্ৰাপ্ত তথ্য অনুসৰি, পঞ্চায়তখনৰ বাবে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে অনুমোদন দিয়া ধনৰাশি ব্যয়ৰ ক্ষেত্ৰত বান্ধি দিয়া চৰ্তসাপেক্ষে ব্যয় নকৰি নিয়ম বহিৰ্ভূতভাৱে সেই পুঁজি অন্য শিতানলৈ হস্তান্তৰ কৰাৰ পাছত বিভাগীয় চৰকাৰী বিষয়াক পুঁজি মোকলাই দিবলৈ তীব্ৰ হেঁচা প্ৰয়োগ কৰা বুলি সভানেত্ৰীগৰাকীৰ বিৰুদ্ধে তিতাবৰ উন্নয়ন খণ্ডৰ দায়িত্বপ্ৰাপ্ত বিষয়ববীয়াসকলে অত্যন্ত ক্ষোভ প্ৰকাশ কৰিছে। উল্লেখ্য যে কেন্দ্ৰীয় চৰকাৰৰ কঠোৰ নিৰ্দেশনা অনুসৰি পঞ্চদশ বিত্তীয় আয়োগে ২০২০-২১ত অনুমোদন দিয়া ধনৰাশিৰে ৫০ শতাংশ ধন নিৰ্ধাৰিত পুঁজি আৰু ৫০ শতাংশ ধন অনিৰ্ধাৰিত শিতানত ব্যয় কৰিব লাগিব। নিৰ্ধাৰিত পুঁজিৰ শিতানৰ বাবে ধাৰ্য কৰা ধনৰাশিৰে পঞ্চায়তখনৰ অধীনস্থ গ্ৰামাঞ্চলত খোৱাপানী সমস্যা দূৰ কৰিবৰ বাবে পকী কুঁৱা নিৰ্মাণ কৰিব লাগিব বুলিও বিভাগীয়ভাৱে কাঢ়া নিৰ্দেশ দিয়া আছে। সেই অনুসৰিয়ে মাধপুৰ গাঁও পঞ্চায়তেতো নিৰ্ধাৰিত পুঁজিৰ অধীনত পকী কুঁৱা নিৰ্মাণৰ আঁচনি গ্ৰহণ কৰিছিল। কিন্তু পঞ্চায়ত সভানেত্ৰীগৰাকীয়ে নিজৰ ক্ষমতা প্ৰদৰ্শন কৰিবলৈ গৈ নিৰ্ধাৰিত পুঁজিৰে নিৰ্মাণ কৰিবলৈ লোৱা দুটা পকী কুঁৱাৰ পুঁজি অনিৰ্ধাৰিত শিতানলৈ হস্তান্তৰ কৰি পুঁজি মোকলাই দিবলৈ বিভাগীয় বিষয়াক অহেতুক আৰু অসাংবিধানিকভাৱে হেঁচা প্ৰয়োগ কৰাত বিষয়টোৱে তিতাবৰ উন্নয়ন খণ্ড কাৰ্যালয়ত অৰাজক পৰিস্থিতিৰ সৃষ্টি কৰিছে। প্ৰতিটো পকী কুঁৱা নিৰ্মাণৰ বাবদ চৰকাৰীভাৱে দুই লাখকৈ মুঠ চাৰিলাখ টকা ধাৰ্য কৰি থোৱাৰ পাছতো ছয় পৃষ্ঠাত চাওক

# মাধ্যমিক শিক্ষা সংসদৰ বিসংগতি ঃ শুদ্ধ উত্তৰ লিখি প্ৰকৃত নম্বৰ নোপোৱাৰ অভিযোগ ছাত্ৰীৰ

বিশেষ সংবাদদাতা

**নগাঁও, ২৫ ছেপ্টেম্বৰ ঃ** অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ আৰু ছেবাই অনুষ্ঠিত কৰা পৰীক্ষাৰ বিসংগতিৰ কথা যেন কৈ ওৰকে নপৰে। প্ৰতিবছৰে পৰীক্ষাৰ ফলাফল দিয়াৰ পাছত বিসংগতিৰ এখন দীঘলীয়া তালিকা ওলায়। অভিযোগ দিলেও সংসদে স্বীকাৰ কৰিব নিবিচাৰে বিসংগতিৰ কথা। এনে বিসংগতিৰ ফল ভুগিব লগা হৈছে এগৰাকী মেধাৱী ছাত্ৰীয়ে। নগাঁৱৰ এগৰাকী মেধাৱী ছাত্ৰীয়ে অসম উচ্চতৰ শিক্ষা সংসদৰ বিৰুদ্ধে আনিছে এক গুৰুত্বৰ অভিযোগ। ছাত্ৰীগৰাকীৰ নাম ৰ'দালি বৰুৱা। তেওঁৰ ঘৰ নগাঁও জিলাৰ কামপুৰত। নগাঁৱত সংবাদ মাধ্যমৰ আগত ৰ'দালিৰ অভিযোগ-তেওঁ পৰীক্ষাৰ উত্তৰ বহীত শুদ্ধ উত্তৰ লিখাৰ পাছতো দিয়া হোৱা নাই প্ৰকৃত নম্বৰ। শিক্ষা সংসদৰ সচিব আৰু পৰীক্ষা নিয়ন্ত্ৰকে ৰ'দালিৰ অভিযোগৰ পাছত পৰীক্ষা বহী সঠিক পুনৰ নিৰীক্ষণ নকৰি সকলো ঠিকেই থকা বুলি বুজনি দিলে। লগতে ক'লে- এইবোৰ বাদ দিয়া। অসমৰ দুগৰাকীমান বিশিষ্ট ব্যক্তিৰ নাম উল্লেখ কৰি কয় তেওঁলোকেও পৰীক্ষাত ষ্টেণ্ড কৰা নাছিল। তথাপি তেওঁলোক মহান। গতিকে এই বিষয়টো বাদ দিয়া। সচিব, পৰীক্ষা নিয়ন্ত্ৰকে ৰ'দালিৰ আত্মবিশ্বাসক একপ্ৰকাৰ ভেঙুচালি কৰাৰ পছত ছাত্ৰীগৰাকীয়ে পিতৃৰ সহযোগত তথ্য জনা আইনৰ অধীনত পৰীক্ষাৰ উত্তৰ বহী বিচাৰি আবেদন কৰিলে। শেহতীয়াকৈ ছয় পৃষ্ঠাত চাওক

# ৰংজুলিৰ কাঁহিবাৰী সংৰক্ষিত বনাঞ্চলত বেদখলকাৰীৰ বিৰুদ্ধে বন বিভাগৰ উচ্ছেদ

### বনাঞ্চল ধ্বংস কৰি ১৫ হেক্টৰ ভূমিত গঢ়ি তোলা চাহ, তামোল আৰু ৰবৰ বাগান উচ্ছেদ

অগ্ৰদূত বাৰ্তা

**দুধনৈ, ২৫ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা জিলাৰ বিভিন্ন সংৰক্ষিত বনাঞ্চলত থকা বেদখলকাৰীক উচ্ছেদৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ে এক নিৰ্দেশ জাৰি কৰাৰ পাছতে তৎপৰ হৈছে বন বিভাগ। বিভাগটোৰ গোৱালপাৰা বন সংমণ্ডলৰ বন প্ৰাধিকাৰী বিষয়া জিতেন্দ্ৰ কুমাৰৰ নেতৃত্বত যোৱা ১০ দিনতে জিলাখনৰ তিনিটা স্থানত বেদখলকাৰীৰ বিৰুদ্ধে উচ্ছেদ অভিযান চলাই বৃহৎ বন ভূমি বেদখলমুক্ত কৰিছে। গোৱালপাৰা বন সংমণ্ডলৰ ৰংজুলি বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত তিনিটা অঞ্চলত



উচ্ছেদ অভিযান চলাই প্ৰায় ৫০ হেক্টৰ ভূমি বেদখলমুক্ত কৰা হয়। আজি বন বিভাগৰ গোৱালপাৰা সংমণ্ডলৰ বন প্ৰাধিকাৰী বিষয়া জিতেন্দ্ৰ কুমাৰৰ নেতৃত্বত কাঁহিবাৰী সংৰক্ষিত ছয় পৃষ্ঠাত চাওক

### নগাঁও কলেজ (অট'নমাছ)ৰ ছাত্ৰীৰ স'তে নগাঁও জিলাৰ আৰক্ষী অধীক্ষক লীনা দলেৰ অন্তৰংগ আলাপ

# লিংগ সমতাৰ আদি পাঠ ঘৰখনৰ পৰাই আৰম্ভ কৰিব লাগে তেতিয়াহে লিংগ বৈষম্য নোহোৱা হ'ব ঃ লীনা দলে



বিশেষ সংবাদদাতা

**নগাঁও, ২৫ ছেপ্টেম্বৰ ঃ** মধ্য অসমৰ অন্যতম ঐতিহ্যমণ্ডিত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান নগাঁও কলেজ (অট'নমাছ)ত আজি ছহিদ প্ৰভাত পাটৰ ছাত্ৰী নিবাসত নৱাগত আদৰণী সভা অনুষ্ঠিত হৈ যায়। নৱাগত আদৰণী সভাত মুখ্য অতিথিৰূপে নগাঁও জিলাৰ আৰক্ষী অধীক্ষক ছয় পৃষ্ঠাত চাওক

# তেজপুৰত বৃহৎ পৰিমাণৰ নকল টকা জব্দ

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২৫ ছেপ্টেম্বৰ ঃ** তেজপুৰৰ উৰিয়ামগুৰিত আৰক্ষীৰ বিশেষ অভিযানত উদ্ধাৰ হৈছে বৃহৎ পৰিমাণৰ টকা। অৱশ্যে এই টকাসমূহ নকল বুলি জানিব পৰা গৈছে। আজি নিশা ১১ বজাত চলা এই অভিযানৰ সত্যতা প্ৰকাশ কৰি শোণিতপুৰৰ আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰে যে বৰঘাট আৰক্ষীচকীৰ অন্তৰ্গত উৰিয়ামগুৰিত গোপনে লুকুৱাই থোৱা অৱস্থাত উদ্ধাৰ কৰা হৈছে এই বৃহৎ ছয় পৃষ্ঠাত চাওক

# আক্ৰাছুৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক কেশৱ ৰায়ক হত্যাৰ ভাবুকি কেএলঅ'ৰ

### উক্ত ঘটনাক তীব্ৰ গৰিহণা আক্ৰাছুৰ কেন্দ্ৰীয় সভাপতি দীপেন ৰায়ৰ

অগ্ৰদূত বাৰ্তা

**দোতমা, ২৫ ছেপ্টেম্বৰ ঃ** সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা (আক্ৰাছু)ৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক কেশৱ ৰায়ক প্ৰাণে মৰাৰ ভাবুকি প্ৰদান কৰিছে নিষিদ্ধ ঘোষিত বিদ্ৰোহী সংগঠন কমতাপুৰ লিবাৰেছন অৰ্গেনাইজেছনে। প্ৰাপ্ত বাতৰি অনুসৰি যোৱা নিশা ফোনযোগে আক্ৰাছুৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক ৰায়ক কেএলঅ'ৰ সদস্য এজনে ২৩ ছেপ্টেম্বৰত মুখ্যমন্ত্ৰীৰে হোৱা আলোচনাত উপস্থিত থকাৰ বাবে বিভিন্ন ধৰণৰ গালি-গালাজ কৰাৰ লগতে প্ৰাণে মৰাৰ ভাবুকি প্ৰদান কৰে। উক্ত ঘটনাত আক্ৰাছুৰ কেন্দ্ৰীয় সভাপতি দীপেন ৰায়ে তীব্ৰ গৰিহণা দি কয় যে কেএলঅ'ই ভয়-ভাবুকিৰে আক্ৰাছুৰ আন্দোলনত ব্যাঘাত জন্মাই আছে। ৰায়ে আৰু কয় যে কেএলঅ'ৰ ভয়-ভাবুকিত আমি ছয় পৃষ্ঠাত চাওক


### সংবাদমেলত চিপিআইৰ ৰাষ্ট্ৰীয় নেত্ৰী অমৰজিৎ কৌৰ

# বাওঁপন্থী-সোঁপন্থী সন্মিলিত ৰাজনৈতিক শক্তিয়ে দিল্লীৰ পৰা উৎখাত কৰিব বিজেপিক

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২৫ ছেপ্টেম্বৰ ঃ** তিনিদিনীয়া কাৰ্যসূচীৰে শিৱসাগৰত আৰম্ভ হোৱা ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ ২৪ সংখ্যক ৰাজ্যিক সন্মিলনৰ আজি দ্বিতীয় দিন। কে'বাগৰাকীও ৰাষ্ট্ৰীয় নেতাই অংশগ্ৰহণ কৰা এই সন্মিলনত শাসকীয় বিজেপিক তুলাধুনা দিয়ে সৰ্বভাৰতীয় ট্ৰেড ইউনিয়ন কংগ্ৰেছৰ সভানেত্ৰী তথা ৰাষ্ট্ৰীয় সম্পাদক অমৰজিৎ কৌৰে। আজি প্ৰতিনিধি সভাৰ বিৰতিৰ সময়তেই অনুষ্ঠিত এখন সংবাদমেলত অমৰজিৎ কৌৰে কয় যে সাম্প্ৰদায়িক বিজেপি চৰকাৰক ক্ষমতাৰ পৰা উৎখাত কৰাৰ সময় সমাগত। মূল্যবৃদ্ধি, সংখ্যালঘুৰ ওপৰত অত্যাচাৰ, নিবনুৱা সমস্যা বৃদ্ধি, লাভ জেহাদৰ বাদে কি উন্নয়ন কৰিলে বুলিও তেওঁ প্ৰশ্ন কৰে। সাংবাদিকে সোধা এক প্ৰশ্নৰ উত্তৰত বিজেপিয়ে ১০ বছৰৰ বাবে অগ্নিবীৰ সৃষ্টি কৰিছে। পৰৱৰ্তী সময়ত এনে অগ্নিবীৰসকলক বিজেপিয়ে সংখ্যালঘুৰ ওপৰত অত্যাচাৰ কৰিবলৈ ব্যৱহাৰ কৰিব বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰে অমৰজিৎ কৌৰে। সভ্যতা আৰু সংস্কৃতিৰ দেশ ভাৰতক ধৰ্মৰ নামত অশান্তিৰ বীজ সিঁচা বিজেপি কেতিয়াও দেশভক্ত হ'ব নোৱাৰে। ১৯২৫ত জন্মলাভ কৰা আৰএছএছে কেৱল দেশভক্তিৰ ভুৱা নাটকহে ৰচনা কৰি আহিছে। বহুধাবিভক্ত বিৰোধী ৰাজনৈতিক দলসমূহৰ দুৰ্বলতাৰ সুযোগ গ্ৰহণ কৰি বিজেপিয়ে স্বেচ্ছাচাৰিতাৰে দেশ শাসন কৰি গৈছে। অভিযোগ দিয়াজনক ভয় ভাবুকিৰে জেললৈ পঠোৱাৰ উপৰি ইডিৰ ভয় দেখুৱাই দেশত সন্ত্ৰাসৰ ছয় পৃষ্ঠাত চাওক

# অৰুণাচলৰ টিপ্পিত ভূমিস্খলনত পথ বন্ধ ঃ পানীয়ে উটুৱাই নিলে তিনিখন বাহন



ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২৫ ছেপ্টেম্বৰ ঃ** ধাৰাসাৰ বৰষুণৰ ফলত অৰুণাচল প্ৰদেশৰ টিপ্পিত যাতায়াত ব্যৱস্থা সম্পূৰ্ণ ব্যাহত হৈ পৰিছে। কালি বিয়লি প্ৰায় ৩-৩০ বজাত লুমুন জলপ্ৰপাতৰ সমীপত হঠাৎ পানী আৰু মাটিৰ ধলে উটুৱাই নিয়ে ভালুকপুং অৰুণাচল পথৰে গৈ থকা তিনিখনকৈ বাহন। এ এছ-১২ ই-৮৬৫৪ নম্বৰ টেংকাৰ, এ এছ-১২ চি চি-০৯৬০ নম্বৰৰ বলেৰ' পিকআপ আৰু এখন অ'মনি ভান এই প্ৰবল ভূমিস্খলনত পথৰ পৰা উটি গৈ কামেং নৈৰ ছয় পৃষ্ঠাত চাওক

# লংকাৰ ৰেল কল'নীত নিশা আৰক্ষীৰ অভিযানত পাঁচ জুৱাৰী আটক

অগ্ৰদূত বাৰ্তা

**লংকা, ২৫ ছেপ্টেম্বৰ ঃ** এক গোপন সূত্ৰৰ পম খেদি লংকা আৰক্ষীয়ে উৎখাত কৰে এটা জুৱাৰ ঘাটি। উক্ত জুৱাৰ ঘাটিৰ পৰা জুৱা খেলি থকা অৱস্থাত পাঁচজন লোকক হাতে-লোটে আটক কৰে লংকা আৰক্ষীয়ে। উক্ত জুৱাৰীকেইজনৰ নাম ক্ৰমে পলাশ মজুমদাৰ, ৰাজকুমাৰ গুপ্তা, ৰবি শীল, অভিজিৎ দত্ত আৰু ৰাজকুমাৰ ছয় পৃষ্ঠাত চাওক

# ধুবুৰী চিলাৰায় মাল্টিস্পেচিয়েলিটী হাস্পতাল চৌহদত উত্তপ্ত পৰিস্থিতি

### ৰাজপথত মৃতদেহ লৈ পথ অৱৰোধ

**ধুবুৰী, ২৫ ছেপ্টেম্বৰ ঃ** ধুবুৰীৰ ১৭ নম্বৰ ঘাইপথৰ সন্মুখত থকা ব্যক্তিগত খণ্ডৰ চিলাৰায় মাল্টিস্পেচিয়েলিটী হাস্পতালত এজন যুৱকৰ মৃত্যুক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতি সৃষ্টি হয়। অভিযোগ অনুসৰি, বিদ্যুৎস্পৃষ্ট হোৱা বিনোদ বিন (২০) নামৰ এজন যুৱকক লৈ ব্যক্তিগত খণ্ডৰ চিলাৰায় মাল্টিস্পেচিয়েলিটী হাস্পতাললৈ আনি চিকিৎসাৰ বাবে ভৰ্তি ছয় পৃষ্ঠাত চাওক




# নগাঁৱত জংঘলত উদ্ধাৰ হোৱা নৱজাতকৰ চিকিৎসালয়ত মৃত্যু

বিশেষ সংবাদদাতা

**নগাঁও, ২৫ ছেপ্টেম্বৰ ঃ** নগাঁও চহৰৰ সমীপৱৰ্তী চিলঙনীত স্থানীয় প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সমীপৰ জংঘলৰ মাজত পৰিত্যক্ত অৱস্থাত উদ্ধাৰ হোৱা এটি নৱজাতকৰ কালি নগাঁৱৰ ম'হখুলিস্থ মাতৃ আৰু শিশু স্বাস্থ্য চিকিৎসালয়ত মৃত্যু হয়। প্ৰাপ্ত তথ্য মতে, সাতদিনীয়া এই নৱজাতকটি (ল'ৰা) যোৱা ২০ ছেপ্টেম্বৰৰ সন্ধিয়া উদ্ধাৰ হৈছিল। স্থানীয় লোকৰ খবৰৰ ভিত্তিত হয়বৰগাঁও আৰক্ষীয়ে চাইল্ড লাইনৰ সহযোগত ছয় পৃষ্ঠাত চাওক

# হেন্‌ৰি জেইমছৰ উপন্যাস সমালোচনা

## উপন্যাস সুকুমাৰ কলা আৰু ইয়াৰ বিভিন্ন উপাদানৰ মাজত সূক্ষ্ম আন্তঃসম্পৰ্ক আছে



ড° আনন্দ বৰমুদৈ

**হেন্‌ৰি** জেইমছৰ 'দ্য আৰ্ট অৱ ফিকচন' সমালোচক ৱাল্টাৰ বেছান্তৰ উপন্যাস সম্পৰ্কত প্ৰকাশ পোৱা লেখাৰ প্ৰতি সঁহাৰি জনাই লেখাৰ ফল। বেছান্তে তেওঁৰ দৃষ্টিত উপন্যাসৰ নীতি নিৰ্ধাৰণ কৰিবলৈ বিচাৰিছিল। বেছান্তৰ মতে ঔপন্যাসিকে নিজৰ অভিজ্ঞতাৰ মাজত নিজক সীমাবদ্ধ কৰি ৰাখিব লাগে। গাঁৱৰ নিৰিবিলি পৰিৱেশত ডাঙৰ হোৱা নাৰী এগৰাকীয়ে সৈন্যৰ চাউনীৰ বৰ্ণনা নিদিয়াই ভাল। কিন্তু জেইমছৰ মতে ঔপন্যাসিক এগৰাকী সক্ষম হৈ থাকিলে তেওঁ যিকোনো উৎসৰ পৰা সমল আহৰণ কৰি নিজৰ কামত ব্যৱহাৰ কৰিব পাৰে। সেই ফালৰ পৰা গাঁৱত ডাঙৰ হোৱা নাৰী এগৰাকীয়ে সৈন্যৰ কথা একো নিলিখিব বুলি কথা নাই। জেইমছে আচলতে ঔপন্যাসিকৰ বিষয় নিৰ্বাচন আৰু তাৰ কাৰ্যকৰী ৰূপায়ণত স্বাধীনতাৰ কথা কৈছিল। ই কেৱল পাঠকৰ বাবে আগ্ৰহ ধৰি ৰাখিব পৰা আৰু আকৰ্ষণীয় হ'ব লাগে। বিশেষ নৈতিক উদ্দেশ্যলৈ উপন্যাস লিখা কথাটোত জেইমছৰ সন্দেহ আছিল। শিল্পী এজনে সকলো নৈতিক ভিত্তিক বিবেচনা কৰে। উপন্যাস কোনো তথ্যৰ পৰিৱেশন নহয়, ই কল্পনাৰহে সৃষ্টি। সত্য ঘটনাৰ ওপৰত আধাৰিত হ'লেও ই কেৱল তথ্যৰ পৰিৱেশন নহয়।

হেন্‌ৰি জেইমছৰ মতে উপন্যাস সুকুমাৰ কলা আৰু ইয়াৰ বিভিন্ন উপাদানৰ মাজত সূক্ষ্ম আন্তঃসম্পৰ্ক আছে। তেওঁ উপন্যাসত চৰিত্ৰতকৈ কাহিনী অধিক গুৰুত্বপূৰ্ণ বুলিও ভবা নাছিল। A Handbook of Critical Approaches to Literature গ্ৰন্থত জেইমছৰ উদ্ধৃতি দি কোৱা হৈছে যে যিদৰে ভাল ছবি আৰু বেয়া ছবি আছে, সেইদৰে ভাল উপন্যাস আৰু বেয়া উপন্যাসো আছে। ভাল-বেয়াৰ বিভাজনতহে তেওঁ কেৱল অৰ্থ দেখা পায়। চৰিত্ৰ প্ৰধান ছবি এখন তেওঁ যিদৰে কল্পনা কৰিব নোৱাৰে, চৰিত্ৰ প্ৰধান উপন্যাস এখনৰ কথাও তেওঁ কল্পনা নকৰে। ছবি বুলি কওঁতেই আচলতে চৰিত্ৰৰ কথা কোৱা হয়। উপন্যাস শব্দটো উচ্চাৰণ কৰাৰ লগে লগে ঘটনাৰ কথা উচ্চাৰণ কৰা হয়। আৰু পৰিভাষা দুটা ইচ্ছামতে পক্ষান্তৰিত কৰা হয়। জেইমছৰ মতে চৰিত্ৰ মানেই ঘটনাৰ নিৰ্ণয়কৰণ আৰু ঘটনা মানে চৰিত্ৰৰ ব্যাখ্যা। চৰিত্ৰৰ নহয় যদি ছবি বা উপন্যাসনো কি? আমি ইয়াত আন কিনো বিচাৰো আৰু পাওঁনো কি? এগৰাকী মহিলাৰ কাৰণে টেবুল এখনত হাত দুখন ৰাখি থিয় হৈ আপোনালৈ চোৱাটো, এক বিশেষ ধৰণেৰে চোৱাটো এটা ঘটনা, আৰু যদি সেইটো ঘটনা নহয়, তাক কি বুলি কোৱা হ'ব সেই বিষয়ে জেইমছ নিশ্চিত নহয়। উপন্যাসৰ আন সকলো উপাদানৰ মাজত একে ধৰণৰ আন্তঃনিৰ্ভৰশীলতাৰ কথা হেন্‌ৰি জেইমছে উল্লেখ কৰিছে। পটভূমি, বিষয়, দৃশ্য, বৃত্তান্ত, প্ৰতীক আৰু চিত্ৰকল্প আন্তঃনিৰ্ভৰশীল। ঔপন্যাসিকে নিজৰ বৃত্তিৰ প্ৰতি মনোযোগ দিওঁতে কলাৰ পৰিসীমাৰ ভিতৰত অন্তৰ্ভুক্ত কৰা একোকেই তেওঁ অপচয় কৰিব নোৱাৰে। শিল্পৰূপটোৱে সিবিলাকক ধৰি ৰাখিব লাগিব। সাহিত্য কৰ্মই জীৱন্ত ৰূপ পৰিগ্ৰহ কৰিলে সকলোবোৰ উপাদানেই অৰ্থপূৰ্ণ হ'ব। শিল্পৰূপটোৱে সকলোবোৰ ধৰি ৰাখে আৰু সংৰক্ষণ কৰে। সাৰাংশই ইয়াক শব্দবাহুল্যৰ বিশৃংখলাৰ পৰা ৰক্ষা কৰে। উপন্যাসৰ ৰূপটোৰ গুৰুত্বৰ কথা হেন্‌ৰি জেইমছৰ অনুগামী পাৰ্চি লাব্‌কে The Craft of fiction গ্ৰন্থত জোৰ দি কৈছিল। তেওঁ কৈছিল যে মূৰ্তি এটাৰ গঢ়টোৱেই যিদৰে মূৰ্তিটো, উপন্যাস এখনৰো গঢ়টোৱেই আচলতে উপন্যাখন। এই প্ৰসংগতে তেওঁ টলষ্টয়ৰ 'ৱাৰ এণ্ড পীচ' উপন্যাসখন চমৎকাৰ কিন্তু আগঢ়ী বুলি কৈছে।

জৰ্জ ৱাটছনে The Literary critics গ্ৰন্থত হেন্‌ৰি জেইমছৰ উপন্যাস সমালোচনাৰ বিষয়ে কৈছে যে দেশত্যাগী আমেৰিকান হেন্‌ৰি জেইমছে প্ৰায় অকলেই তেওঁৰ যুগত ইংলণ্ডত সাহিত্যিক মানৱীয় আৰু নৈতিক চিন্তা হিচাপে গ্ৰহণ কৰি উপন্যাসৰ বিশ্লেষণত নিজৰ সমালোচনাত্মক শক্তিক নিয়োগ কৰিছিল। বিপ্লৱ অসাধাৰণভাৱে হঠাতে আৰম্ভ হৈছিল আৰু সম্পূৰ্ণ হৈছিল। ইংৰাজী উপন্যাসে তাৰ মৰ্যাদাৰ সমকক্ষ সমালোচনা পাবলৈ প্ৰায় এশ বছৰ সময় অপেক্ষা কৰিব লগা হৈছিল। এই কথা অধিক আশ্চৰ্যজনক কেনেকৈ প্ৰথম সমালোচনাত্মক অনুসন্ধিৎসাই হঠাতে আৰু ইমান শক্তিশালী ৰূপত নিজকে অনুভূত কৰোৱাইছিল। ১৮৮৪ত হেন্‌ৰি জেইমছ এজন আদবয়সীয়া ঔপন্যাসিক আৰু তেওঁ ইংৰাজী উপন্যাসক আলোচনা নোহোৱা উপন্যাস বুলি কৈছিল। কুৰি বছৰৰ পাছত তেওঁৰ Novels and Talesৰ নিউ য়ৰ্ক সংস্কৰণৰ পাতনিত সিবিলাক আলোচনা কৰিছিল। উপন্যাস সমালোচনাৰ কোনো সমালোচনাত্মক সৰঞ্জামকে তেওঁ বাদ দিয়া নাছিল। নিউ য়ৰ্ক পাতনিসমূহে সমালোচনা ক্ষেত্ৰলৈ বিপ্লৱ আনিছিল। জন ড্ৰাইদেনৰ দিনৰে পৰা তিনিটা শতিকা জুৰি কবিতাৰ বিশ্লেষণ আৰু সমালোচনাৰ বৃদ্ধি আৰু বিকাশ হোৱাৰ দৰে উপন্যাস সমালোচনাৰ বিকাশ হোৱা নাছিল। ভিক্টোৰিয়ান যুগৰ মাজ ভাগত অৱশ্যে উপন্যাসৰ পৰ্যালোচনা হৈছিল।

জৰ্জ ৱাটছনে উল্লেখ কৰা মতে ভিক্টোৰিয়ান যুগত উপন্যাসৰ যি প্লাৱন হৈছিল সেই প্ৰসংগত উপন্যাস সমালোচনাৰ প্ৰয়োজন এটা নিশ্চয় নীৰৱে হ'লেও অনুভৱ কৰা হৈছিল। ঊনবিংশ শতিকাৰ ৮০ৰ দশকত ইংলণ্ডত উপন্যাস দেখদেখকৈয়ে গুৰুত্বপূৰ্ণ সাহিত্য ৰূপ হৈ পৰিছিল। তাৰো আগতে উপন্যাস সাহিত্যৰ শিল্পৰূপ হিচাপে ফ্ৰাঞ্চ আৰু ৰাছিয়াত প্ৰতিষ্ঠিত হৈছিল। ৱাল্টাৰ পেটাৰ বা অস্কাৰ ৱাইল্ডৰ দৰে সমালোচকে উপন্যাস সমালোচনাৰ ফালে মন দিয়া নাছিল। নিজে ঔপন্যাসিক হৈ হেন্‌ৰি জেইমছে স্মৰণীয় উপন্যাস সমালোচনা লিখিলে। ১৯৪৭ত জেইমছৰ নোটবুক বিলাকৰ প্ৰকাশে জৰ্জ ৱাটছনৰ মতে এটা কথা প্ৰতিষ্ঠা কৰিছিল যে কলা হিচাপে উপন্যাস আৰম্ভণিৰ পৰাই গভীৰভাৱে আত্মসচেতন আৰু স্পষ্টভাৱে উচ্চাৰিত আছিল। ১৮৭৮ৰ পৰা ধৰি এই নোটবুক বিলাকতে উপন্যাস সমালোচনাৰ আৰম্ভ হৈছিল। যিসকলে সৃজনীশীল জীৱনৰ বিফলতাই ভাল সমালোচনাৰ সৃষ্টি কৰে বুলি বিশ্বাস কৰে তেওঁলোকে হেন্‌ৰি জেইমছৰ জীৱনলৈ মন কৰিলে দেখা পাব কেনেকৈ একেজন মানুহৰ জীৱনতে সৃষ্টিশীলতা আৰু সমালোচনা সন্তুলিত অৱস্থাত থাকিব পাৰে। জেইমছৰ সমালোচনাৰ মূল সুৰ ড্ৰাইদেনৰ দৰে কৈফিয়তমূলক নহয়। জেইমছৰ পাতনিবিলাক নিজক ন্যায্য প্ৰমাণ কৰিবলৈ লিখা হোৱা নাই।

জেইমছৰ সমালোচনাত্মক তিনিটা পৰ্যায়ত ভগাব পাৰি। তেওঁৰ পৰিসৰ বৰ বহল বুলি ক'ব নোৱাৰি। তেওঁ আৰম্ভণিৰ পৰাই সমালোচনাত্মক শক্তিক কেন্দ্ৰীভূত কৰি ৰাখিছিল। তেওঁৰ প্ৰায় সকলো সমালোচনাই সমসাময়িক লেখকৰ বিষয়ে লিখা। তেওঁলোকৰ প্ৰায় সকলোৱেই ইংৰাজ, আমেৰিকান আৰু ফৰাচী আৰু গৰিষ্ঠসংখ্যক ঔপন্যাসিক। তেওঁৰ প্ৰথম লেখাটোৱেই আছিল পুথি পৰ্যালোচনা। তাৰ পাছৰ বছৰতহে তেওঁৰ প্ৰথম গল্পটো প্ৰকাশ পাইছিল। তেওঁৰ দ্বিতীয় পৰ্যায়টো ইস্তাহাৰ সদৃশ The Art of Fictionৰ (১৮৮৪) প্ৰকাশেৰে আৰম্ভ হৈছিল। এই সময়ছোৱাতে তেওঁ ট্ৰলপ, আৰ এল ষ্টিভেনছন. মোপাছাঁ, জলা আৰু বালজাফৰ ওপৰত ৰচনা লিখিছিল। তৃতীয় পৰ্যায়ত পৰে ১৯০৭ৰ পৰা ১৯০৯ৰ ভিতৰত লিখা পাতনিসমূহ। এইবিলাকক উপন্যাস সম্পৰ্কে তেওঁৰ সম্পূৰ্ণ উক্তি বুলি ধৰিব পাৰি।

প্ৰকাশকৰ লগত হোৱা চুক্তিৰ পৰাহে ঘটনা ক্ৰমে নিউ য়ৰ্ক পাতনিসমূহৰ সৃষ্টি হৈছিল। আমেৰিকাৰ বিখ্যাত Scribner's Magazineৰ প্ৰকাশকৰ লগত তেওঁৰ উপন্যাস সমগ্ৰ প্ৰকাশৰ চুক্তি হৈছিল আৰু তাৰ পাছতে নিউ য়ৰ্ক পাতনিসমূহ লিখা হৈছিল। উপন্যাস সমালোচনাত হেন্‌ৰি জেইমছৰ লক্ষ্য আৰু উদ্দেশ্য উচ্চাকাংক্ষী আৰু পৰিষ্কাৰ। তেওঁ উপন্যাস সমালোচনাক একো নথকাৰ পৰা সৃষ্টি কৰিছিল। উপন্যাস সমালোচনা বুলিয়ে একো নাছিল সেই বিষয়ে তেওঁ নিশ্চিত আছিল। ১৮৮৪ত প্ৰকাশিত The Art of fictionত তেওঁ উল্লেখ কৰিছিল যে ইংৰাজী উপন্যাস কিছুদিন আগলৈকে ফৰাছীসকলে কোৱা discutable,অৰ্থাৎ আলোচনা, বিতৰ্ক বা যুক্তিৰে বিবেচনা কৰিব পৰা বিধৰ নাছিল। ইয়াৰ কোনো তত্ত্ব, প্ৰত্যয় বা সজাগতা আছিল যেন লগা নাছিল। ই কোনো পছন্দ আৰু তুলনামূলক অধ্যয়নৰ ফলত হোৱা শিল্পী এজনৰ বিশ্বাসৰ ফলো নাছিল। মানুহৰ এনেকুৱা এটা আৰামদায়ক ধাৰণা গঢ়ি উঠিছিল যে উপন্যাস মানে উপন্যাস যিদৰে পুডিং মানে পুডিং আৰু উপন্যাসক লৈ আমি কৰিব পৰা কামটো হ'ল ইয়াক গিলি থোৱা। এন্থনি ট্ৰলপৰ বিষয়ে লিখা এখন ৰচনাত জেইমছে কৈছিল যে ইংৰাজৰ দৃষ্টিত প্ৰকাশ্যে আৰু সচেতনভাৱে শিল্পী হোৱাটো, পদ্ধতি এটা থকাটো অথবা ৰূপ এটা থকাটো বিপজ্জনকহে। ইংৰাজী-উপন্যাস ফৰাছী উপন্যাসৰ দৰে আলোচনাযোগ্য নাছিল বুলি ভবা হৈছিল আৰু হেন্‌ৰি জেইমছে আলোচনা কৰিছিল। তেওঁ নিজে কোৱা মতে আলোচনা বা সমালোচনা কৰা মানে উপন্যাস এখনৰ মৰ্ম উপলব্ধি কৰা, বৌদ্ধিকভাৱে তাক অধিকাৰ কৰা আৰু বিশেষ কামৰ কাৰণে তাক উপযোগী কৰা। উপন্যাসৰ পাতনিত হেন্‌ৰি



জেইমছে কেৱল নিজৰ উপন্যাসৰে আলোচনা কৰা নাই। জৰ্জ হাটছনৰ মতে হেন্‌ৰি জেইমছৰ পাতনিসমূহ সন্দেহজনকভাৱেহে আত্মসমালোচনা । তেওঁ নিজৰ গল্প বিলাককো অতীত প্ৰীতিৰ কুঁৱলীৰ মাজেদিহে প্ৰত্যক্ষ কৰিছে। ১৮৭৬ত লিখা তেওঁৰ প্ৰথম উপন্যাস 'ৰডেমিক হাডচন' পাতনি লিখাৰ সময়ত ৩০ বছৰৰ আগৰ হৈ গৈছিল। লেখক নিজেও কিতাপখনৰ এজন পাঠকৰ দৰে হৈ পৰিছিল। লেখক নিজেও নিজৰ সাহিত্যৰ পাঠক, কিন্তু আন পাঠকৰ থাকিব পৰা অনিশ্চয়তা তেওঁৰো থাকে। উপন্যাসৰ ৰূপটো এনেকুৱা যে ঔপন্যাসিক এজনে নিজেই ইমানবোৰ কথা কৈছিল নেকি বুলি নিশ্চিত হ'বলৈকে টান। অনেক তথ্য আৰু লেখকৰ লেখাৰ সময়ৰ উদ্দেশ্য আদি পাহৰণিৰ ইমান গভীৰত পোত খাই যায় যে সিবিলাকক পুনৰুদ্ধাৰ কৰা লেখকৰ বাবে অসম্ভৱ হৈ পৰে। জেইমছে কোৱা কথাৰ লগত নতুন সমালোচনাই কোৱা কথাৰো মিল বিচাৰি পাব পাৰি। নতুন সমালোচনাই লেখক এজনৰ উদ্দেশ্যৰ অনুসন্ধান কৰি সময় নষ্ট নকৰে। কিন্তু এই মিল উপৰুৱা। জৰ্জ ৱাটছনৰ মতে হেন্‌ৰি জেইমছৰ The figure in the carpet গল্পটোৱে ঐতিহাসিক সমালোচনাৰ ন্যায্যতাৰ ওপৰতহে গুৰুত্ব দিছে। গল্পটো প্ৰথম পুৰুষত বিবৃত হৈছে আৰু কাহিনীকাৰজনৰ নাম উল্লেখ কৰা হোৱা নাই। কাহিনীকাৰে তেওঁৰ প্ৰিয় লেখকক লগ পাইছে আৰু তেওঁৰ লেখাৰ আঁৰৰ গোপন তথ্য আৰু লেখকৰ উদ্দেশ্য আদিক উদ্ধাৰ কৰিবলৈ ব্যস্ত হৈ পৰিছে।

জৰ্জ ৱাটছনে কলৰিজৰ জৈৱিক ঐক্য তত্ত্বৰ লগতো হেন্‌ৰি জেইমছৰ তত্ত্বৰ কিছু সাদৃশ্য বিচাৰি পাইছে। The Art of fictionৰ এঠাইত ইয়াক এটা জীৱন্ত বস্তু বুলিছে। আন যিকোনো জীৱৰ দৰে ই একক আৰু নিৰৱচ্ছিন্ন। ইয়াৰ প্ৰতিটো অংশতে আন অংশৰ কিবা এটা উপস্থিত থাকিব। পাতনিসমূহৰ মূল বিষয় সাহিত্যৰ শিল্পৰূপ। শিল্পৰূপ ঠিক নহ'লে উপন্যাস পনীয়া পুডিঙৰ নিচিনা হয়। শিল্পৰূপে সাৰাংশক ধৰি ৰাখে, সংৰক্ষণ কৰে। তেওঁ নিজকে উপন্যাসৰ এজন কঠোৰ কাৰিকৰ হিচাপে কল্পনা কৰিছিল। ক'লা লোহাৰ দৰে কঠিন হ'ব লগিব। 'ৰডেৰিক হাডচন'ৰ পাতনিত তেওঁ লিখিছিল যে বাস্তৱত আৰু সাৰ্বজনীনভাৱে সম্পৰ্ক ক'তো বৈ নাযায়। কিন্তু কলাৰ ক্ষেত্ৰত তাক সীমিত কৰিবলৈ ক'ৰবাত বৃত্ত এটা আঁকি ল'ব লাগিব। লেখক সদায় এটা বাধাৰ সন্মুখীন হৈ থাকিব যে ট্ৰেজেডিয়েই হওক বা কমেডিয়েই হওক, ঘটনাৰ ধাৰাবাহিকতা গুৰুত্বপূৰ্ণ কথা। ই মুহূৰ্তৰ বাবেও ভংগ হ'ব নালাগে। ঘটনাৰ ধাৰাবাহিকতা অথবা কাৰ্যকৰণ নীতিৰ অনুসৰণক হেন্‌ৰি জেইমছে অধিক গুৰুত্ব দিছে। মনঃস্তাত্ত্বিক সত্য অন্বেষণ কৰা উপন্যাসৰ বাবে অৱশ্যে ই অপৰিহাৰ্য হ'ব পাৰে। কাৰিকৰী দিশৰ পৰা উপন্যাস এখন শ্ৰেষ্ঠ হ'বলৈ হ'লে ঔপন্যাসিকে সঠিকভাৱে গ্ৰহণ-বৰ্জনৰ নীতি প্ৰয়োগ কৰিব লাগিব। সকলোবোৰ সামৰি জীৱন বিশৃংখল হৈ থাকে আৰু ঔপন্যাসিকে নিজৰ ভেদজ্ঞান খটুৱাই তাৰ মাজৰ পৰা তাৎপৰ্যপূৰ্ণ ঘটনাক নিৰ্বাচন কৰিব লাগিব। জীৱন এক উপদ্ৰৱ আৰু ই ক'ত ৰ'ব লাগে তাকো নাজানে। ৱাটছনৰ দৃষ্টিত জেইমছৰ নায়কে জীৱনক প্ৰত্যাহ্বান জনাই জীৱনৰ হাতত পৰাজিত হয়। নায়কৰ প্ৰত্যাহ্বানক ন্যায্য প্ৰমাণ কৰা হয়। জীৱন যিমান জীয়াই থাকিব পাৰি জীয়াই থাকিব লাগে। জীয়াই নথকাটো ভুল। জীৱন থকালৈকে মানুহ এজনে বিশেষভাৱে কি কৰে সেইটো ডাঙৰ কথা নহয়।

হেন্‌ৰি জেইমছে এটা কথা কৌশলৰ বিকাশ ঘটাইছিল যিটোক কেন্দ্ৰীয় ধী-শক্তি বুলি কোৱা হয়। এই কৌশল হ'ল উপন্যাসৰ ঘটনাক এটা চৰিত্ৰৰ দৃষ্টিৰে প্ৰত্যক্ষ কৰা। এই চৰিত্ৰৰ নিৰীক্ষণৰ সূক্ষ্মতা ঔপন্যাসিকৰ সূক্ষ্ম নিৰীক্ষণৰ সমান। তেওঁৰ প্ৰথম উপন্যাস ৰডেৰিক হাডচনত আগ্ৰহৰ কেন্দ্ৰ হ'ল ৰাওলাণ্ড মালেটৰ চেতনা। নাটকখন সেই চেতনাৰ নাটক। জেইমছে ইংৰাজী উপন্যাসৰ কাৰিকৰী সমস্যাৰ কথা পোনতে আলোচনা কৰিছিল। এ.এছ কলিনছে English Literature of the Twentieth Century ত কৈছে যে জেইমছ উপন্যাস কলাত এজন দক্ষতা সম্পন্ন ব্যক্তি আৰু কুৰি শতিকাৰ উপন্যাসৰ ওপৰত তেওঁৰ প্ৰভাৱ গভীৰ।

An Introduction to the English Novelৰ দ্বিতীয় খণ্ডত আৰ্ণল্ড কেটলে হেন্‌ৰি জেইমছৰ বিষয়ে কৈছে যে তেওঁ এজন উদ্ভাৱক। সূক্ষ্ম চেতনাৰ তেওঁ যিদৰে অন্বেষণ কৰিছিল আন কোনেও আগতে কৰা নাছিল। উপন্যাসৰ পৰৱৰ্তী বিকাশৰ লগতো তেওঁৰ কলাৰ সংযোগ আছিল। কুৰি শতিকাৰ আৰম্ভণিতে আধুনিক উপন্যাসৰ যি সম্পৰীক্ষণ চলিছিল তাৰ এজন প্ৰধান ঔপন্যাসিক আছিল হেন্‌ৰি জেইমছ।

*ফোন ঃ ৯৮৬৪২৩২০৮৬*

> ভিক্টোৰিয়ান যুগত উপন্যাসৰ যি প্লাৱন হৈছিল সেই প্ৰসংগত উপন্যাস সমালোচনাৰ প্ৰয়োজন এটা নিশ্চয় নীৰৱে হ'লেও অনুভৱ কৰা হৈছিল। ঊনবিংশ শতিকাৰ ৮০ৰ দশকত ইংলণ্ডত উপন্যাস দেখদেখকৈয়ে গুৰুত্বপূৰ্ণ সাহিত্য ৰূপ হৈ পৰিছিল। তাৰো আগতে উপন্যাস সাহিত্যৰ শিল্পৰূপ হিচাপে ফ্ৰাঞ্চ আৰু ৰাছিয়াত প্ৰতিষ্ঠিত হৈছিল। ৱাল্টাৰ পেটাৰ বা অস্কাৰ ৱাইল্ডৰ দৰে সমালোচকে উপন্যাস সমালোচনাৰ ফালে মন দিয়া নাছিল।

## এই নিজানত

ড° বসন্ত কুমাৰ ভট্টাচাৰ্য



এপলক বৈ যোৱা এই নিজানত
আৰু কৈ যোৱা
হৃদয়ৰ কথা
বেথাভৰা শোকৰ দিনৰ
কেৱল চকুপানী আৰু
হুমুনিয়াহ সংগী
অনন্ত কালৰ
এপলক বৈ যোৱা
নিজানৰ অন্ধকাৰ
গভীৰৰ পৰা গভীৰতৰ
হৈ আহিছে
দিন দুপৰত
কৈ যোৱা পলম নকৰি
এপলক মাথোঁ সময়
ৰৈ আছো তোমালে'
কেৱল চকুপানী আৰু
হুমুনিয়াহ সংগী তোমাৰ বাবে
মোৰ এই দুঃসময়ত

## বুকুৰ খিৰিকী খুলি

ডাঃ হৰেন চৌধুৰী

ওখ টিলাটোৰ পৰা
সমতলৰ কঁহুৱা বিৰিণা ফালি
এটা সুহুৰি ভাহি আহে
হিয়াৰ চোতালত গোটেই ৰাতি
শাওণৰ শেষ বৰষুণ বৰষাৰ দৰে
সুহুৰিটি বাজি থাকে



বিষাদৰ দীৰ্ঘ শ্বাসবোৰ
বুকুৰ খিৰিকী খুলি
ওলাই আহিব খুজিও
আহিব পৰা নাই ওলাই
কৌশলেৰে ঢাকি ৰাখে
জীৱনৰ গোপন সপোন

পোৱা নোপোৱাৰ মাজত
আশাৰ হাত বাউলি
বাসনাৰ বিজুলী
কেউফালে উদ্যত সময়ৰ প্ৰতিবাদ
ভালপোৱাৰো আছে
কত কি যে অজুহাত

তথাপি বুকুত আছে এখন
সমুদ্ৰমুখী প্ৰেমৰ নদী
পাৰৰ যন্ত্ৰণা পাহৰি
অহৰহ বিচাৰি ফুৰে
ৰ'দ আৰু জোনাকৰ ছবি

## সপোন যেন বৰষুণ

বীণা মৰল

ধূলিৰ ওৰণিৰ ঠেলি
কোমল মাটিৰ গান গুণ গুণ কৰে
এই সপোন যেন বৰষুণ
শুই থকা বননিত সাৰ পাই,
সেউজী সেউজী শোভাই কঁপি উঠে,
বননিত দিলেহি জগাই, ৰুণ, জুন,
সপোন যেন বৰষুণ,
সাৰ পালে যাম গানৰ তালে তালে
ক'ত আছে দেখা নাপাওঁ
গুণ গুণ কৰি আহে সুকলমে বৰষুণ

## ভঙা ডেউকা

ৰমেন কলিতা



ৰেলৰ আলিৰ ভঙা শিলত
মোৰ ভঙা ডেউকাৰ
ৰঙা তেজৰ চেকুৰা
পৰি ৰ'লো
গডুৰ পখীৰ দৰে অকলশৰে
ক'বলৈ বহু কথা

উৰন্ত মেঘৰ ডেউকা
মোৰ মন পখীৰ
উৰি উৰি যায়
কোনোবা দিগন্তলৈ
জানোচা লগ পাওঁ
মোৰ প্ৰিয়জনক....!

## অনুভৱৰ দাপোণ

দীপক তামুলী

চকুপানী শুকাল
বেদনা পৰি ৰ'ল,
আশাৰ বাটত
ভাগৰুৱা মন
অঘৰী হৈ গ'ল!
যাযাবৰী জীৱনৰ
সৰু সৰু টঙীঘৰ

আশাৰ সঞ্চাৰনো ক'ত?
আকৌ,
বালিঘৰ বতাহত
থাকেইবা কিমান পৰ?
তথাপিও যে
এই জীৱন বৰ অনুপম
যেন অনুভৱৰ এক দাপোণ!!

## সেউজীয়া তৰংগ

ড° নিৰূপা ৰয় বৰুৱা



কি সুন্দৰ এই ৰাতি
তুমি হাত বাউল দি
মাতিছিলা...
পৃথিৱীৰ সমস্ত
সেউজীয়া তোমাৰ
গালে-মুখে পৰিছে
যেন বসন্তৰ এক
আলসুৱা ছবি

ওৰেতো নিশা মই
সাঁতুৰিছো
তোমাৰ বুকুৰ
সেউজীয়া তৰংগত

আমি বজাইছিলো
পাহাৰৰ শিখৰে শিখৰে
সাজিছো কাৰেং ঘৰ।

তোমাৰ দেহৰ লুণীয়া
গোন্ধত কামান্ধ হৈ
নাচিছো
অপৰূপ ৰূপত

অনুভৱৰ উত্তাপত
প্ৰথম প্ৰেমৰ উন্মেষ

স্নায়ুৰ শিহৰণত
কঁপি উঠে
এপাহি ৰঙা গোলাপ
বৃন্তচ্যুত হৈ খহি পৰে
মাটিত
সাৰ পাই উঠো
হেৰাই যায়
তোমাৰ দুবাহুৰ
উম....।

# আফ্ৰিকীয়-আমেৰিকীয় ক্ৰীতদাসৰ দুখ-যাতনা আৰু বঞ্চনা-লিপিবদ্ধ ইতিহাস

সাহিত্যৰ ৰূপৰেখা

ড° নিভাৰাণী ফুকন




**ৰক্ত** ৰঞ্জিত আফ্ৰিকীয়-আমেৰিকীয় বুলি ক'লে আমাৰ মনলৈ সততে অহা ছবিখন হ'ল ক্ৰীতদাসসকলৰ দুখ-যাতনা আৰু বঞ্চনাৰে লিপিবদ্ধ হোৱা ইতিহাসৰ কথা। আধুনিক বিশ্বৰ ভালে কেইগৰাকী লেখকে মানুহৰ সেই ৰক্ত ৰঞ্জিত ইতিহাসৰ জীৱন গাঁথা লিপিবদ্ধ কৰিছে। ভালেমান কাৰণত ঊনবিংশ শতিকাতো ক্ৰীতদাসৰ ইতিহাসত এক উল্লেখযোগ্য সময় কাৰণ এইটো শতিকাতে সংঘটিত হোৱা ভালেকেইটা ৰাজনৈতিক পৰিঘটনা, সামাজিক জাগৰণ আদিয়ে শুভমতি সম্পন্নসকলক এই বঞ্চিত, প্ৰতাৰিত জন সম্প্ৰায়টোৰ প্ৰতি সমবেদনাপূৰ্ণ দৃষ্টিভংগী পোষণৰ প্ৰতি আগ্ৰহান্বিত কৰিছিল।

সেই সময়ছোৱাৰ আফ্ৰিকীয় আমেৰিকীয় জন সম্প্ৰদায়টোৰ জীৱন নিৰ্বাহৰ মানৰ প্ৰতি দৃষ্টি দিলে কেতবোৰ অভাৱনীয় চিত্ৰ আমাৰ দৃষ্টিত ধৰা দিয়ে। ঊনবিংশ শতিকাৰ প্ৰাৰম্ভিক সময়ৰ কথা ক'বলৈ গ'লে এই তথ্য পোৱা যায় যে সেই সময়ছোৱাত আফ্ৰিকীয়-আমেৰিকীয় অৰ্থাৎ কৃষ্ণাংগসকলে চহৰবোৰৰ আটাইতকৈ আওহতীয়া, অস্বাস্থ্যকৰ লেতেৰা অঞ্চলবোৰত বসবাস কৰিবলগীয়া হৈছিল। তেওঁলোকে নিম্ন স্তৰৰ শ্ৰমিকে কৰা কামবোৰহে কৰাৰ অধিকাৰ পাইছিল। তেওঁলোকৰ কোনো অধিকাৰ নাছিল। তেওঁলোকে আনকি নিজেই শ্ৰম কৰি নিজৰ আৰ্থিক আৰু সামাজিক স্থিতি টনকিয়াল কৰাৰ অধিকাৰ পোৱা নাছিল। সেই নিয়মৰ ব্যতিক্ৰম হ'লে (অৰ্থাৎ নিজৰ স্থিতি উন্নত কৰিবলৈ প্ৰয়াস কৰিলে) তেওঁলোকে তেওঁলোকৰ শ্বেতাংগ প্ৰভুসকলৰ দ্বাৰা নিগৃহীত হৈছিল নতুবা প্ৰবল প্ৰতিৰোধৰ সন্মুখীন হৈছিল। শ্বেতাংগ গুণ্ডাৰ দলে কৃষ্ণাংগসকলক ৰাজহুৱাভাৱে পীড়ণ বা হাৰাশাস্তি কৰিলেও সেই সময়ত প্ৰচলিত আইনত কৃষ্ণাংগসকলৰ সুৰক্ষা বা তেওঁলোকৰ ব্যক্তি স্বাধীনতা ৰক্ষাৰ বাবে কোনো ব্যৱস্থা নাছিল। শ্বেতাংগৰ অধীনত ক্ৰীতদাসৰ জীৱন অতিবাহিত কৰাই যেন তেওঁলোকৰ ভাগ্য লিপি আছিল।

ঊনবিংশ শতিকাৰ আমেৰিকাৰ সমাজ-ইতিহাসত দৃষ্টিপাত কৰিলে এইটো দেখিবলৈ পোৱা যায় যে সেইতো শতিকাৰ প্ৰথমাৰ্দ্ধত সৰহসংখ্যক আফ্ৰিকীয় আমেৰিকীয়ই ক্ৰীতদাসৰ জীৱন অতিবাহিত কৰিছিলে। আমেৰিকাৰ পশ্চিম আৰু দক্ষিণ অঞ্চলসমূহত সিবিলাকে শ্ৰমিক হিচাপে কাম কৰিবলৈ বাধ্য হৈছিল। ক্ৰীতদাসৰ মালিক গোষ্ঠীয়ে ক্ৰীতদাসকলক তেওঁলোকক তেওঁলোকৰ ইতৰ পশুতকৈয়ো অধিক ক্ৰুৰ আচৰণ কৰিছিল। একক ভাৱেই হওঁক বা সন্মিলিত ভাৱেই হওঁক, সময়ে সময়ে ক্ৰীতদাসকলে তেনে নিৰ্দয় আচৰণৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল। কিন্তু তেওঁলোকৰ সেই প্ৰতিবাদী কণ্ঠস্বৰক তৎপৰতাৰে নিৰ্মূল কৰা হৈছিল। দাসত্বৰ পৰা মুক্ত কৃষ্ণাংগ লোকসকল আমেৰিকাৰ উত্তৰ অঞ্চল আৰু দক্ষিণ অঞ্চলৰ উজনি ভাগত স্থিত চহৰসমূহত বাস কৰিছিল। ঊনবিংশ শতিকাৰ আৰম্ভণিতে এইসকল মুক্ত কৃষ্ণাংগই দাসত্ব নিৰ্মূল অভিযানৰ গুৰিক ধৰিছিল।

সেই সময়ছোৱাৰ আমেৰিকাৰ লোকপিয়লৰ তথ্যত চকু ফুৰালে তলত উল্লেখ কৰা সংখ্যাই আমাৰ দৃষ্টি আকৰ্ষণ কৰিছে -

আমেৰিকাৰ জনসংখ্যা (১৮০০ আৰু ১৮৫০)
আফ্ৰিকীয় ১৮০০ ১৮৫০
আমেৰিকীয় ক্ৰীতদাস ৮৯৩,০৪১ ৩,২০৪,৩১৩
মুক্ত আফ্ৰিকীয় আমেৰিকীয় কৃষ্ণাংগ লোক ১০৪, ৩৯৫৪৩৪,৪৯৫
শ্বেতাংগ লোক ৪,৩০৪,৪৮০ ১৯,৫৫৩,০৬৮
মুঠ জনসংখ্যা ৫,৩০১,৯১৬ ২৩,১৯১,৮৭৬



১৮৫০লৈ প্ৰায় ষাঠি-সত্তৰ শতাংশ ক্ৰীতদাস কপাহ উৎপাদন ক্ষেত্ৰসমূহত হাড়ভঙা পৰিশ্ৰম কৰিবলৈ বাধ্য হৈছিল। সপ্তাহত ছদিন সূৰ্য উদয় হোৱাৰ পৰা সূৰ্য অস্ত যোৱালৈকে সিবিলাকে কপাহৰ বাগানত কাম কৰিবলগীয়া হৈছিল। কাম তদাৰক কৰা ব্যক্তিজনে শ্ৰমিকসকলৰ কোনোবা কামত লেহেম হ'লে সৌকাৰ কোব সোধাইছিল। ক্ৰীতদাসকলক তেওঁলোকৰ মালিক শ্ৰেণীয়ে পণ্য সামগ্ৰী হিচাপে জ্ঞান কৰিছিল। সেইবাবে সকলোবোৰ ক্ৰীতদাসৰ মালিকে বজাৰত ক্ৰীতদাসৰ কিনা-বেচা কৰিছিল। যদিওবা আমেৰিকান কংগ্ৰেছে ঊনবিংশ শতিকাৰ প্ৰাৰম্ভিক দশকতে আন্তঃৰাষ্ট্ৰীয় ক্ৰীতদাস ক্ৰয়-বিক্ৰয় প্ৰথা বন্ধ কৰি দিছিল, তথাপিতো আমেৰিকাৰ দক্ষিণ অঞ্চলত তেতিয়াও আন্তঃৰাজ্যিক ক্ৰীতদাসৰ কিনা-বেচা এটা লাভজনক ব্যৱসায় ৰূপে প্ৰতিপন্ন হৈছিল। সেই সময়ছোৱাত প্ৰতি বছৰে ক্ৰীতদাস ব্যৱসায়ীসকলে হেজাৰ হেজাৰ ক্ৰীতদাসক উপকূলীয় অঞ্চলৰ পৰা দক্ষিণ আৰু পশ্চিম অঞ্চলত থকা বজাৰসমূহলৈ ক্ৰয়-বিক্ৰয় কৰিবলৈ দীঘলীয়া যাত্ৰা কৰাইছিল। সেই যাত্ৰা শীতকালত কৰোৱা হৈছিল যাতে কপাহ খেতিৰ সময়ছোৱাত খেতিৰ কাম-কাজ বাধাপ্ৰাপ্ত নহয়। নক'লেও হ'ব সেই 'মানৱ পশু' স্বৰূপ ক্ৰীতদাসসকলে ঠেটুৰৈ ধৰা শীতত স্বল্পবস্ত্ৰ পৰিধান কৰি সুদীৰ্ঘ দূৰত্বৰ যাত্ৰা কৰোঁতে কিমান দুখ-কষ্ট সহ্য কৰিবলগীয়া হৈছিল।

কেৱল সিমানেই নহয়। শ্বেতাংগ পুৰুষৰ হাতত অসংখ্য কৃষ্ণাংগ ক্ৰীতদাসী শাৰীৰিক নিৰ্যাতনৰ সন্মুখীন হৈছিল। ক্ৰীতদাসীসকলৰ সন্তানক বিক্ৰী কৰি দিয়া হৈছিল আৰু নিজৰ ক্ৰীতদাস-ক্ৰীতদাসীসকলৰ ওপৰত নিজৰ প্ৰভুত্ব প্ৰতিপন্ন কৰিবলৈ আৰু নিজৰ সেই 'সম্পত্তি'ক শাসনত ৰাখিবলৈ শ্বেতাংগ মালিকে ক্ৰীতদাসক হত্যা কৰিছিল নতুবা চিৰদিনলৈ ঘৃণীয়া কৰিছিল যাতে ক্ৰীতদাসে মালিকৰ শাসনৰ অধীন হৈ থাকে।

এনে এক প্ৰেক্ষাপটত যদি আমি চেমুৱেল লেংহৰ্ণ ক্লীমেঞ্চ অৰ্থাৎ মাৰ্ক টুৱেইনৰ বহু পঠিত উপন্যাস Adventures of Huckleberry Finn চাওঁ তেতিয়াহ'লে দেখো ঔপন্যাসিকে উপন্যাসৰ আৰম্ভণিতে আঁৰি দিয়া 'ফলক'খনে অৰ্থাৎ জাননীখনত থকা কথা কেইষাৰে অনুভৱী অধ্যয়নশীল মনৰ আধুনিক পাঠকক ভিন্ন দৃষ্টিভংগীৰে এই উপন্যাসখনৰ বিষয়বস্তুৰ চকু ফুৰাবলৈ বাধ্য কৰায়।

(আগলৈ)

*ইমেইল ঃ neevarani11@gmail.com*

> ১৮৫০লৈ প্ৰায় ষাঠি-সত্তৰ শতাংশ ক্ৰীতদাস কপাহ উৎপাদন ক্ষেত্ৰসমূহত হাড়ভঙা পৰিশ্ৰম কৰিবলৈ বাধ্য হৈছিল। সপ্তাহত ছদিন সূৰ্য উদয় হোৱাৰ পৰা সূৰ্য অস্ত যোৱালৈকে সিবিলাকে কপাহৰ বাগানত কাম কৰিবলগীয়া হৈছিল। কাম তদাৰক কৰা ব্যক্তিজনে শ্ৰমিকসকলৰ কোনোবা কামত লেহেম হ'লে সৌকাৰ কোব সোধাইছিল।



## গুজৰাটত ওৱেইছিৰ এ আই এম আই এমৰ হিন্দু মহিলাসহ তিনি প্ৰাৰ্থীৰ নাম ঘোষণা

**নিউজ ব্যুৰ' আহমেদাবাদ, ২৫ ছেপ্টেম্বৰ ঃ** গুজৰাট বিধানসভাৰ আসন্ন নিৰ্বাচনৰ বাবে আজি আছাদুদ্দিন ওৱেইছি নেতৃত্বাধীন এআইএমআইএম দলে তিনিজন প্ৰাৰ্থীৰ নাম ঘোষণা কৰিলে। ওৱেইছিৰ দলটোৱে এজন হিন্দুকো এআইএমআইএমৰ প্ৰাৰ্থিত্ব প্ৰদান কৰিলে। কৌশিকা বেন পৰমাৰ নামৰ মহিলাক ওৱেইছিয়ে দানিলিমন্দা বিধানসভা সমষ্টিৰ বাবে দলৰ প্ৰাৰ্থিত্ব প্ৰদান কৰিলে। উল্লেখ্য যে ওৱেইছিৰ দলটোৱে গুজৰাটত এয়ে প্ৰথমবাৰৰ বাবে কোনো হিন্দুক নিৰ্বাচনত দলৰ প্ৰাৰ্থিত্ব প্ৰদান কৰিলে। এআইএমআইএমে ছাবিৰ কাবলিৱালাক জামালপুৰ-খাৰিয়া বিধানসভা সমষ্টিত প্ৰাৰ্থিত্ব দিলে। আনহাতে, ছুৰাট পূব বিধানসভা সমষ্টিৰ বাবে ওৱেইছিয়ে ৰাছিম কুৰেইছিক দলৰ টিকট দিলে।

## মথুৰাত বিজেপিৰ প্ৰাৰ্থী হ'ব কংগনা, প্ৰতিক্ৰিয়াত কি ক'লে হেমাই ?



**নিউজ ব্যুৰ', মুম্বাই, ২৫ ছেপ্টেম্বৰ ঃ** অভিনয়ৰ লগতে এইবাৰ ৰাজনীতিৰ জগততো ভৰি দিব সাজু হৈছে বলিউডৰ সদাবিতৰ্কিত অভিনেত্ৰী কংগনা ৰণৌট। ৰাজনীতিক হিচাপে কংগনাই শীঘ্ৰে আত্মপ্ৰকাশ ঘটাব। সম্প্ৰতি এনে গুঞ্জনে বিশেষ চৰ্চা লাভ কৰিছে মথুৰাত। চৰ্চিত খবৰ অনুসৰি, ২০২৪ৰ লোকসভাৰ নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থী হিচাপে মথুৰাত প্ৰতিদ্বন্দ্বিতা কৰিব কংগনাই। অৱশ্যে এই সন্দৰ্ভত নিজে কোনো মন্তব্য প্ৰকাশ কৰা নাই অভিনেত্ৰীগৰাকীয়ে। বৰ্তমানে মথুৰাৰ সাংসদ হৈছে অভিনেত্ৰী হেমা মালিনী। কংগনাই মথুৰাত বিজেপিৰ প্ৰাৰ্থী হিচাপে থিয় দিয়াৰ সন্দৰ্ভত সাংবাদিকে কৰা প্ৰশ্নৰ উত্তৰত তীব্ৰ কটাক্ষ কৰিলে বিজেপিৰ সাংসদ হেমা মালিনীয়ে। ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত হেমাই কয়, 'এয়া ভগৱানৰ ওপৰত নিৰ্ভৰ কৰিছে। শ্ৰীকৃষ্ণই যি বিচাৰিব, সেয়াই তেওঁ কৰিব। মথুৰাৰ মানুহে যে চিনেমাৰ অভিনেতাসকলক পছন্দ কৰে সেয়া ভাল কথা। হয়তো কোনো দিন ৰাখী সাৱন্তেও যোগ দিব।'

## অস্কাৰজয়ী অভিনেত্ৰী লুইছ ফ্লেচাৰৰ মৃত্যু



**নিউজ ব্যুৰ', হলিউড, ২৫ ছেপ্টেম্বৰ ঃ** অস্কাৰজয়ী অভিনেত্ৰী লুইছ ফ্লেচাৰৰ ৮৮ বছৰ বয়সত ফ্ৰান্সৰ বাসগৃহত মৃত্যু হ'ল। যোৱা শুকুৰবাৰে নিশা নিদ্ৰাৰত অৱস্থাতে অভিনেত্ৰীগৰাকীয়ে শেষ নিশ্বাস ত্যাগ কৰিলে। আজি ফ্লেচাৰৰ পৰিয়ালৰ লোকে এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি বাৰ্ধক্যজনিত কাৰণত বৰ্ষীয়ান অভিনেত্ৰীগৰাকীৰ মৃত্যু হ'ল। ১৯৫০ৰ দশকৰ অন্তিম ভাগত অভিনেত্ৰীৰ জীৱন আৰম্ভ কৰা ফ্লেচাৰে ১৯৭৬ত শ্ৰেষ্ঠ অভিনেত্ৰীৰ অস্কাৰ বঁটা লাভ কৰিছিল। 'ৱান ফ্লেভ অভাৰ দ্য কুকু নেষ্ট' ছবিখনত কৰা অভিনয়ৰ বাবে ফ্লেচাৰে অস্কাৰ বঁটা জয় কৰিছিল। ১৯৭৬ত এইখন ছবিয়ে পাঁচটা অস্কাৰ বঁটা লাভ কৰিছিল। অভিনেত্ৰী হিচাপে অস্কাৰ, বাফটা আৰু গল্ডেন গ্ল'ব বঁটা জয় কৰা তৃতীয়গৰাকী মহিলা হিচাপে হলিউডত পৰিচিত হৈছিল ফ্লেচাৰ।

## গোৱাৰ নিৰ্বাচনত তৃণমূল কংগ্ৰেছৰ ৪৭ কোটি টকা ব্যয়, বিজেপিৰ ১৭ কোটি ঃ নিৰ্বাচন আয়োগ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৫ ছেপ্টেম্বৰ ঃ** প্ৰথমবাৰ গোৱা বিধানসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ গৈ তৃণমূল কংগ্ৰেছে ব্যয় কৰিলে মুঠ ৪৭ কোটি ৫৪ লাখ টকা। আনহাতে, শাসকীয় দল বিজেপিয়ে এই নিৰ্বাচনত ব্যয় কৰিছিল ১৭ কোটি ৭৫ লাখ টকা। সম্প্ৰতি ৰাজনৈতিক দলসমূহে দাখিল কৰা তথ্যৰ ভিত্তিত এই কথা সদৰী কৰিলে নিৰ্বাচন আয়োগে। তিনিমাহ পূৰ্বে গোৱাৰ নিৰ্বাচনত অৱতীৰ্ণ হৈ ৪৭ কোটি টকা ব্যয় কৰিলেও মমতা বেনাৰ্জী নেতৃত্বাধীন দলটোৱে ৰাজ্যখনত এখনো আসন জয় কৰিব নোৱাৰিলে। যোৱা মাৰ্চত অনুষ্ঠিত হোৱা গোৱাৰ নিৰ্বাচনত অৰবিন্দ কেজৰিৱাল নেতৃত্বাধীন আম আদমী পাৰ্টি (আপ)য়ে ব্যয় কৰিছিল প্ৰায় চাৰে তিনি কোটি টকা। আনহাতে, ৰাজ্যখনত কংগ্ৰেছে নিৰ্বাচনৰ প্ৰচাৰত ১২ কোটি টকা ব্যয় কৰিছিল।

## তিৰুপতিৰ চিকিৎসালয়ত অগ্নিকাণ্ডত দুই সন্তানসহ মৃত্যু চিকিৎসকৰ



**নিউজ ব্যুৰ', তিৰুপতি, ২৫ ছেপ্টেম্বৰ ঃ** অন্ধ্ৰ প্ৰদেশৰ তিৰুপতিৰ ৰেনিগুণ্টা অঞ্চলৰ কাৰ্তিকেয়া হাস্পতালৰ কোৱাৰ্টাৰত হঠাতে সংঘটিত হ'ল ভয়াৱহ অগ্নিকাণ্ড। বৈদ্যুতিক শ্বৰ্ট চাৰ্কিটৰ ফলত সংঘটিত হোৱা অগ্নিকাণ্ডত উক্ত চিকিৎসালয়ৰ এজন চিকিৎসক আৰু তেওঁৰ শিশু কন্যা আৰু পুত্ৰৰ মৃত্যু হয়। আজি পুৱতি নিশা চিকিৎসালয়ৰ চৌহদত থকা দুমহলীয়া আবাসগৃহত এই ঘটনা সংঘটিত হ'ল। উক্ত আবাসগৃহত ডাঃ ৰবিশংকৰ ৰেড্ডী আৰু তেওঁৰ পৰিয়ালে বাস কৰিছিল। ডাঃ ৰেড্ডীৰ লগতে তেওঁৰ নবছৰীয়া কন্যা আৰু ১৪ বছৰীয়া পুত্ৰই অগ্নিকাণ্ডত প্ৰাণ হেৰুৱালে।

### ৰাষ্ট্ৰসংঘৰ অধিবেশনত নাম উল্লেখ নকৰাকৈ চীন আৰু পাকিস্তানক কটাক্ষ ভাৰতৰ

# সন্ত্ৰাসবাদীক ৰক্ষণাবেক্ষণ দি নিজৰ বিপদ মাতিছে ঃ চীন-পাকিস্তানক কঠোৰ বাৰ্তা জয়শংকৰৰ

**নিউজ ব্যুৰ' ৰাষ্ট্ৰসংঘ, ২৫ ছেপ্টেম্বৰ ঃ** ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ অধিবেশনত নাম উল্লেখ নকৰাকৈ চীন আৰু পাকিস্তানক কঠোৰ বাৰ্তা দিলে ভাৰতৰ বৈদেশিক মন্ত্ৰী এছ জয়শংকৰে। একেবাৰে স্পষ্ট ভাষাৰে ভাৰতৰ বৈদেশিক মন্ত্ৰীয়ে এই কথা ৰাষ্ট্ৰসংঘৰ মজিয়াত স্পষ্ট কৰিলে সন্ত্ৰাসবাদত পৃষ্ঠপোষকতা প্ৰদান কৰি আহিছে চীন আৰু পাকিস্তানে। দুই দেশৰ নাম উল্লেখ নকৰিলেও জয়শংকৰে কঠোৰ ভাষাৰে ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ সন্মিলনত কয় যে সন্ত্ৰাসবাদীক ৰক্ষণাবেক্ষণৰ বাবে যি ৰাষ্ট্ৰই ৰাজনীতি কৰে, তেওঁলোকে প্ৰকৃততে নিজৰ বিপদহে মাতি আনিছে। ভাষণ প্ৰসংগত ভাৰতৰ বৈদেশিক মন্ত্ৰীয়ে কয়, 'সন্ত্ৰাসবাদীৰ বিৰুদ্ধে নিষেধাজ্ঞা আৰোপ কৰি সন্ত্ৰাসবাদৰ বিৰুদ্ধে পদক্ষেপ গ্ৰহণ কৰি আহিছে ৰাষ্ট্ৰসংঘই। যি সমূহ ৰাষ্ট্ৰই নিৰাপত্তা পৰিষদৰ প্ৰস্তাৱ



১২৬৭ক লৈ ৰাজনীতি কৰে আৰু কেতিয়াবা কেতিয়াবা ঘোষিত সন্ত্ৰাসবাদীৰ হৈয়ো ওকালতি কৰে, তেওঁলোক যে বিপদৰ সন্মুখত থিয় দি আছে, এই কথা সকলোৱে ভালদৰে জানে। বিশ্বাস কৰক, এনেবোৰ কাৰ্যৰে নিজৰ স্বাৰ্থ পূৰণ নহয়, ভাবমূৰ্তিও ভাল নহয়।' নিজৰ ভাষণত এবাৰো চীনৰ নাম নল'লেও জয়শংকৰৰ ইংগিত যে বেইজিঙৰ প্ৰতি আছিল, সেয়া সকলোৱে সহজে বুজিব পাৰিছে। চীনৰ লগতে পাকিস্তানকো কঠোৰ বাৰ্তা দি জয়শংকৰে কয়, 'কে'বা দশক ধৰি ভাৰতে আন্তঃসীমান্ত সন্ত্ৰাসবাদৰ সমস্যাৰ সন্মুখীন হৈ আহিছে। ভাৰতে সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহনশীলতা নীতিৰ পক্ষত থিয় দি আহিছে। আমাৰ মতামত একেবাৰে স্পষ্ট, সন্ত্ৰাসবাদৰ কোনো কাৰ্যকলাপ সহ্য কৰা নহ'ব। কোনো দাবী বা প্ৰশ্ন যিমানে সবল নহওক কিয়, ইয়াৰ জৰিয়তে তেজৰ দাগ ঢাকিব নোৱাৰি।'



## লেবাননত নৌকা দুৰ্ঘটনাত মৃতকৰ সংখ্যা ৯৪ জনলৈ বৃদ্ধি

**নিউজ ব্যুৰ' নহৰ অল-বৰেদ, ২৫ ছেপ্টেম্বৰ ঃ** ছিৰিয়াৰ উপকূল অঞ্চলত অবৈধ প্ৰব্ৰজনকাৰী কঢ়িয়াই নিয়া নৌকা ডুবি সংঘটিত হোৱা দুৰ্ঘটনাত মৃতকৰ সংখ্যা ৯৪ জনলৈ বৃদ্ধি পালে। ছিৰিয়াৰ চৰকাৰী টিভি চেনেলৰ তথ্য অনুসৰি বনয়াছ চহৰৰ ওচৰত সমুদ্ৰত সংঘটিত হোৱা নৌকা দুৰ্ঘটনাত মৃত্যু হোৱা ৯৪ জন লোকৰ মৃতদেহৰ সন্ধান সন্ধিয়া বিয়লি বেলালৈকে লাভ কৰা হ'ল। তথ্য অনুসৰি দুৰ্ঘটনাত পতিত হোৱা নাওখনত কমেও ১২০ জন যাত্ৰী আছিল। ক্ষুদ্ৰ নাৱত অত্যধিক সংখ্যক যাত্ৰী কঢ়িয়াই নিয়াৰ ফলতে সমুদ্ৰত এই নৌকা দুৰ্ঘটনা সংঘটিত হ'ল।

## বেলিষ্টিক ক্ষেপণাস্ত্ৰ পৰীক্ষণ উত্তৰ কোৰিয়াৰ



**নিউজ ব্যুৰ', পিয়ংইয়ং, ২৫ ছেপ্টেম্বৰ ঃ উত্তৰ কোৰিয়াই আকৌ এবাৰ বেলিষ্টিক ক্ষেপণাস্ত্ৰৰ পৰীক্ষা সম্পন্ন কৰিলে। দক্ষিণ কোৰিয়াৰ সেনা বাহিনীয়ে আজি আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰে। দক্ষিণ কোৰিয়াৰ দাবী অনুসৰি উত্তৰ কোৰিয়াই ইষ্ট ক'ষ্টৰ দিশত সমুদ্ৰত ক্ষেপণাস্ত্ৰৰে আঘাত হানে। উত্তৰ কোৰিয়াই ৰাজধানী পিয়ংইয়ঙৰ পৰা ১০০ কিলোমিটাৰ দূৰত ক্ষেপণাস্ত্ৰৰ এই পৰীক্ষণ সফলতাৰে সম্পন্ন কৰিলে।**

## তৃতীয় মৰ্চা নহয়, মহাগঠবন্ধনৰ পোষকতা মুখ্যমন্ত্ৰী নীতিশৰ



**নিউজ ব্যুৰ', পাটনা, ২৫ ছেপ্টেম্বৰ ঃ** ২০২৪ৰ লোকসভা নিৰ্বাচনৰ বাবে বিৰোধীৰ সকলো দলক একত্ৰিত হ'বলৈ আহ্বান জনালে বিহাৰৰ মুখ্যমন্ত্ৰী তথা জেডিইউৰ মুৰব্বী নীতিশ কুমাৰে। নীতিশে কয় যে ২০২৪ত বিজেপিক ক্ষমতাচ্যুত কৰিবলৈ হ'লে বিৰোধী প্ৰতিটো দলে একত্ৰিত হৈ নিৰ্বাচনত অৱতীৰ্ণ হ'ব লাগিব। 'কংগ্ৰেছসহ সকলো দলক মই একত্ৰিত হ'বলৈ আহ্বান জনালো। তেতিয়াহে ২০২৪ৰ লোকসভাৰ নিৰ্বাচনত বিজেপিৰ শোচনীয় পৰাজয় নিশ্চিত হ'ব।' এইদৰে আহ্বান জনাই নীতিশে লগতে কয় যে দেশত ২০২৪ৰ লোকসভা নিৰ্বাচনৰ বাবে তৃতীয় মৰ্চা গঠনৰ কোনো সম্ভাৱনা নাই, বৰঞ্চ বিৰোধীয়ে মহাগঠবন্ধনত আবদ্ধ হোৱা উচিত। মহগঠবন্ধন অবিহনে বিৰোধীয়ে ২০২৪ৰ নিৰ্বাচনত বিজেপিক প্ৰতিৰোধ কৰিবলৈ সফল নহ'ব বুলিও বিহাৰৰ মুখ্যমন্ত্ৰীয়ে মত প্ৰকাশ কৰে।

## কাশ্মীৰৰ বিদ্যালয়ত ভজন-সূৰ্য নমস্কাৰ নিষিদ্ধ কৰাৰ দাবী মুছলমান সংগঠনৰ



**নিউজ ব্যুৰ', শ্ৰীনগৰ, ২৫ ছেপ্টেম্বৰ ঃ** কাশ্মীৰৰ বিদ্যালয়ত ভজন আৰু সূৰ্য নমস্কাৰ অনুশীলনৰ প্ৰথা বন্ধ কৰিবলৈ চৰকাৰক দাবী জনালে মুক্তাহিদা মজলিছ-ই-উলেমা (এম এম ইউ) নামৰ এটা ইছলামিক সংগঠনে। এম এম ইউৰ দাবী অনুসৰি এই ধৰণৰ প্ৰথা বিদ্যালয়ত পালনৰ ফলত মুছলমানৰ ধৰ্মীয় ভাবাবেগত আঘাত হনা হৈছে। উল্লেখ্য যে যোৱা সোমবাৰে কাশ্মীৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা পিডিপিৰ নেত্ৰী মেহবুবা মুফতিয়ে এক ভিডিঅ' সামাজিক মাধ্যমত শ্বেয়াৰ কৰিছিল আৰু এই ভিডিঅ'ত শ্ৰীনগৰৰ কুলগামত এখন বিদ্যালয়ত শিক্ষাৰ্থীয়ে ভজন পৰিবেশন কৰাৰ দৃশ্য আবদ্ধ হৈছিল। এই ভিডিঅ' প্ৰকাশ্য হোৱাৰ পাছত ৩০ টা ইছলামিক ধৰ্মীয় আৰু শিক্ষা বিষয়ক সংগঠনৰ মঞ্চ এম এম ইউৱে অভিযোগ কৰি কয় যে মুছলমান শিক্ষাৰ্থীয়ে বিদ্যালয়ত ভজন গাবলৈ আৰু সূৰ্য নমস্কাৰ কৰিবলৈ বাধ্য হৈছে আৰু এনে কাৰ্য চৰকাৰে বন্ধ কৰিব লাগে।

## বিক্ষোভ বৃদ্ধি, হিজাব মুক্তিৰ দাবীত ইৰানৰ ৰাজপথত অব্যাহত প্ৰতিবাদ

**নিউজ ব্যুৰ' তেহৰান, ২৫ ছেপ্টেম্বৰ ঃ** হিজাব বিৰোধিতাৰে ব্যাপক প্ৰতিবাদ দেওবাৰেও অব্যাহত আছে ইৰানত। কিছুদিন পূৰ্বে হিজাব পৰিধান নকৰাৰ কাৰণে মহচা অমিনি নামৰ এগৰাকী ২২ বছৰীয়া যুৱতীৰ তেহৰানত আৰক্ষীয়ে নিৰ্যাতন চলোৱাৰ ফলত মৃত্যু হৈছিল। এই ঘটনাৰ পাছৰে পৰা সমগ্ৰ দেশজুৰি হিজাব বিৰোধিতাৰে ব্যাপক প্ৰতিবাদ অব্যাহত আছে। বিক্ষোভৰ জুই সম্প্ৰতি সৰ্বত্ৰ বিয়পি পৰিছে। ৰাজধানী তেহৰানসহ কমেও ৪০ চহৰত অব্যাহত আছে হিজাব বিৰোধী আন্দোলন। ফলত স্বাভাৱিকতে প্ৰবল চাপৰ সন্মুখীন হৈছে ইৰানৰ প্ৰশাসন। পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ প্ৰশাসনে দেশজুৰি ইন্টাৰনেট সেৱা বন্ধ ৰাখিছে। মহচাৰ মৃত্যুৰ বাতৰি প্ৰথমে প্ৰচাৰ কৰা মহিলা সাংবাদিক নিলুফাৰ হামেদিকো ইতিমধ্যে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। কিন্তু ইয়াৰ পাছতো এই বিক্ষোভ নিয়ন্ত্ৰণ



কৰাটো সম্ভৱ হোৱা নাই। বিগত কে'বা দশকৰ পাছত ইৰানত এই বিক্ষোভ সবাতোকৈ বৃহৎ গণ অভ্যুত্থান হিচাপে চৰ্চিত হৈছে। বিশেষকৈ ইৰানৰ যুৱ প্ৰজন্মই সম্প্ৰতি ৰাজপথত সমবেত হৈ হিজাব বিৰোধিতাৰে বিক্ষোভ প্ৰদৰ্শন কৰিছে। এইসকল যুৱক-যুৱতীয়ে হাতত 'আমি সকলোৱে মহচা' শ্ল'গান দিয়া প্লে-কাৰ্ড লৈ হিজাব পৰিধানৰ বিৰোধিতা কৰিছে। কালি আৰক্ষীয়ে কমেও ১২০০ জন প্ৰতিবাদকাৰীক গ্ৰেপ্তাৰ কৰিছিল। বৰ্তমানলৈকে হিজাব বিৰোধী গণ বিক্ষোভত ৪১ জন লোকৰ মৃত্যু হ'ল। স্মৰ্তব্য যে ২০০৯ আৰু ২০১৯ বৰ্ষতো ইৰানত গণ বিক্ষোভে চৰম ৰূপ ধাৰণ কৰিছিল। কিন্তু এইবাৰৰ বিক্ষোভে অধিক শক্তি প্ৰদৰ্শন কৰিছে। বিশেষকৈ দেশৰ তৰুণ প্ৰজন্মই পূৰ্বে এনেদৰে বিক্ষোভত অংশ লোৱাটো প্ৰত্যক্ষ হোৱা নাছিল। দেওবাৰেও সহস্ৰাধিক পুৰুষ-মহিলাই তেহৰানত ব্যাপক প্ৰতিবাদ সাব্যস্ত কৰে।

## বেংকত ১৪,০০০ কোটি, ১৪ টন সোণ, দেশজুৰি আছে ৭১২৩ একৰ ভূমি, তিৰুপতিৰ সম্পত্তিৰ বিৱৰণ

**নিউজ ব্যুৰ', তিৰুপতি, ২৫ ছেপ্টেম্বৰ ঃ ভাৰতৰ সবাতোকৈ সম্পদশালী তীৰ্থস্থানৰ অন্যতম হৈছে ভগৱান তিৰুপতি বালাজীৰ মন্দিৰ। তিৰুপতি বালাজী নিকায় তিৰুমালা তিৰুপতি দেৱস্থানম (টি টি ডি)-এ মন্দিৰৰ সা-সম্পত্তিৰ বিৱৰণ প্ৰকাশ কৰিলে। টি টি ডিয়ে ঘোষণা কৰা অনুসৰি তিৰুপতি মন্দিৰৰ দেশজুৰি ৯৬০ সম্পত্তি আছে আৰু ইয়াৰ মূল্য ৮৫,৭০৫ কোটি টকা। ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ বাতৰিত উল্লেখ কৰা মতে টি টি ডিয়ে প্ৰকাশ কৰা সম্পত্তিৰ মূল্য চৰকাৰী পৰিসংখ্যা অনুসৰি প্ৰস্তুত কৰা হৈছে আৰু বজাৰমূল্যত তিৰুপতিৰ এই সম্পত্তিৰ মূল্য ১.৫ গুণ অধিক অৰ্থাৎ প্ৰায় দুই লাখ কোটি টকা হ'ব। চলিত বৰ্ষত এপ্ৰিলৰ পৰা বৰ্তমানলৈকে দান বৰঙণিৰ পাত্ৰৰ জৰিয়তে মন্দিৰটোৱে ৭০০ কোটি টকাতকৈ অধিক ধন লাভ কৰিলে। টি টি ডিয়ে প্ৰকাশ কৰা অনুসৰি দেশজুৰি তিৰুপতি বালাজী মন্দিৰৰ ৭১২৩ একৰৰ ভূমি আছে। একেদৰে টি টি ডিৰ হাতত বিভিন্ন বেংকত ১৪,০০০ কোটিৰো অধিক ফিক্সড ডিপ'জিট আৰু ১৪ টন সোণৰ ভাণ্ডাৰ মজুত আছে।**




## আমেৰিকাৰ কেনীউড পাৰ্কত বন্দুকধাৰীৰ আক্ৰমণত ত্ৰাস



**নিউজ ব্যুৰ', কেনীউড, ২৫ ছেপ্টেম্বৰ ঃ** আমেৰিকাৰ পেঞ্চিলভেনিয়াৰ কেনীউড এণ্টাৰটেইনমেণ্ট পাৰ্কত বন্দুকধাৰীয়ে আক্ৰমণ সংঘটিত কৰিলে। মনোৰঞ্জন উদ্যানখনত শনিবাৰে নিশা ১১ বজাত বহু লোকে ভিৰ কৰিছিল আৰু সেই সময়তে বন্দুকধাৰীয়ে জধে-মধে গুলিবৰ্ষণ কৰে। এই ঘটনাত কমেও পাঁচজন লোক গুৰুতৰভাৱে আহত হ'ল। আন কে'বাজনো লোক ঘটনাস্থলীৰ পৰা দৌৰি পলায়ন কৰাৰ সময়ত আঘাতপ্ৰাপ্ত হয়। উদ্যানখনত বন্দুকধাৰীয়ে আক্ৰমণ সংঘটিত কৰিয়ে পলায়ন কৰিছিল। ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে অনুসন্ধান অব্যাহত ৰাখিছে।

## ২৪ ঘণ্টাত ৪,৭৭৭ জন লোক হ'ল ক'ভিড আক্ৰান্ত, মৃত্যু ২৩ জনৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৫ ছেপ্টেম্বৰ ঃ কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত দেশত ভাৰতত পুনৰ ৪,৭৭৭ জন লোক ক'ভিড-১৯ত আক্ৰান্ত হ'ল। বৰ্তমানে ভাৰতত ৪৩,৯৯৪ জন সক্ৰিয় ক'ভিড ৰোগী আছে। কেৰালাত ১৪২৭৬, মহাৰাষ্ট্ৰত ৩,৭০৯, কৰ্ণাটকত ৩,০৯৫, তামিলনাডুত ৫৩৪৯, পশ্চিমবংগত ২৯৫২, ওড়িছাত ১২৬৫, অসমত ২৭৬৬, গুজৰাটত ১০০২, ৰাজস্থানত ৭৪৭, উত্তৰাখণ্ডত ১০৮৩ জন সক্ৰিয় ক'ভিড ৰোগী আছে। আনহাতে, যোৱা ২৪ ঘণ্টাত দেশত ২৩ জন ক'ভিড ৰোগীয়ে প্ৰাণ হেৰুৱালে।**

## কাশ্মীৰত সেনাৰ অভিযানত নিহত দুই সন্ত্ৰাসবাদী



**নিউজ ব্যুৰ', শ্ৰীনগৰ, ২৫ ছেপ্টেম্বৰ ঃ** ভাৰতীয় সেনা আৰু জম্মু-কাশ্মীৰ আৰক্ষীৰ তৎপৰতাত জম্মু-কাশ্মীৰৰ নিয়ন্ত্ৰণ ৰেখাত মৃত্যু হ'ল দুজন সন্ত্ৰাসবাদীৰ। কাশ্মীৰ আৰক্ষীৰ সূত্ৰই আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি ভাৰতত অনুপ্ৰৱেশৰ অপচেষ্টা চলোৱা সন্ত্ৰাসবাদীক নিয়ন্ত্ৰণৰেখাৰ সমীপৰ কুপৱাৰাৰ মাছিল অঞ্চলত প্ৰত্যক্ষ কৰাৰ পাছতে নিৰাপত্তা বাহিনীয়ে গুলিবৰ্ষণ কৰাত দুজন সন্ত্ৰাসবাদী ধৰাশায়ী হয়। নিহত দুই সন্ত্ৰাসবাদীৰ পৰা দুটা পিষ্টল, চাৰিটা হেণ্ড গ্ৰেণেড আৰু দুটা এ কে ৪৭ ৰাইফল জব্দ কৰা হৈছে। দুই সন্ত্ৰাসবাদীৰ পৰিচয় উদ্ধাৰ হোৱা নাই।

### অংকিতাৰ মৃতদেহ ল'বলৈ অস্বীকাৰ পৰিয়ালৰ, মৰণোত্তৰ প্ৰতিবেদনৰ দাবী

**নিউজ ব্যুৰ', ডেৰাডুন, ২৫ ছেপ্টেম্বৰ ঃ** এখন ৰিছ'ৰ্টত কৰ্মৰত এগৰাকী যুৱতী ৰিচেপচনিষ্টৰ মৃত্যুৰ ঘটনাক লৈ উত্তপ্ত হৈ আছে উত্তৰাখণ্ড। ৰাইজৰ হেঁচাত পৰি দ্ৰুত তদন্ত চলাই মূল অভিযুক্তক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিলেও এই ঘটনাত তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিলে মৃত যুৱতীৰ পৰিয়ালৰ লগতে সাধাৰণ ৰাইজে। ৰিছ'ৰ্টত কৰ্মৰত অংকিতা ভাণ্ডাৰী নামৰ যুৱতীৰ মৃতদেহ ৰহস্যজনক অৱস্থাত উদ্ধাৰ হোৱাৰ পাছতে উক্ত ৰিছ'ৰ্টৰ স্বত্বাধিকাৰীৰ বিৰুদ্ধে অংকিতাক হত্যা কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে উক্ত ৰিছ'ৰ্টৰ



স্বত্বাধিকাৰীৰ পিতৃ বিজেপিৰ নেতা আছিল। অৱশ্যে বিজেপিয়ে ইতিমধ্যে তেওঁক দলৰ পৰা বহিষ্কাৰ কৰিছে। ইফালে, অংকিতাৰ মৃতদেহ গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিলে তেওঁৰ পৰিয়ালে। আৰক্ষীয়ে শেষকৃত্যৰ বাবে অংকিতাৰ মৃতদেহ পৰিয়ালক অৰ্পণ কৰিব বিচৰাত পৰিয়ালে ঘোষণা কৰি কয় যে মৰণোত্তৰ পৰীক্ষাৰ চূড়ান্ত প্ৰতিবেদন লাভ নকৰালৈকে তেওঁলোকে অংকিতাৰ শেষকৃত্য নকৰে। প্ৰাথমিক তদন্তৰ প্ৰতিবেদনত হত্যা কৰি অংকিতাক পানীত পেলাই দিয়াৰ কথা উল্লেখ কৰা হৈছিল। আজি অংকিতাৰ ভ্ৰাতৃ অজয় সিং ভাণ্ডাৰীয়ে সংবাদ মাধ্যমৰ আগত কয় যে তেওঁলোকে অংকিতাৰ মৰণোত্তৰ পৰীক্ষাৰ চূড়ান্ত প্ৰতিবেদন লাভ নকৰালৈকে মৃতদেহৰ শেষকৃত্য সম্পন্ন নকৰে।

## গ্ৰাহকক অতিৰিক্ত সেৱা আগবঢ়াবলৈ অংকিতাক হেঁচা দিছিল অভিযুক্তই



**নিউজ ব্যুৰ', ডেৰাডুন, ২৫ ছেপ্টেম্বৰ ঃ** উত্তৰাখণ্ডৰ প্ৰাক্তন মন্ত্ৰী বিনোদ আৰ্যৰ পুত্ৰ পুলকিত আৰ্যৰ মালিকনাধীন এখন ৰিছ'ৰ্টত অংকিতা ভাণ্ডাৰী নামৰ এগৰাকী ১৯ বছৰীয়া মহিলাকৰ্মীৰ হত্যাকাণ্ডক লৈ সম্প্ৰতি উত্তৰাখণ্ডত ব্যাপক প্ৰতিক্ৰিয়া অব্যাহত আছে। আজি অংকিতাৰ গৃহ চহৰ শ্ৰীনগৰত সহস্ৰাধিক লোকে ৰাজপথত প্ৰতিবাদ সাব্যস্ত কৰে। অংকিতাৰ ফটো হাতত লৈ হেজাৰ হেজাৰ লোকে ৰাজপথ অৱৰোধ কৰি থকাৰ ফলত বদ্ৰীনাথ-ঋষিকেশ ৰাষ্ট্ৰীয় পথত দেওবাৰে ব্যাপক যান-জঁট হয়। কালি ক্ষুব্ধ একাংশ লোকে পুলকিতৰ ৰিছ'ৰ্টত অগ্নিসংযোগ কৰিছিল। উল্লেখ্য যে যোৱা শুকুৰবাৰে অভিযুক্তক আদালতলৈ নিয়াৰ সময়ত একাংশ মহিলাই প্ৰসাৰ কৰিছিল। পুলকিতৰ বিৰুদ্ধে উত্থাপিত অভিযোগ অনুসৰি, তেওঁৰ ৰিছ'ৰ্টত ৰিচেপচনিষ্ট হিচাপে কৰ্মৰত হোৱা অংকিতাক হত্যা কৰি পানীত মৃতদেহ পেলাই দিছিল। এই হত্যাকাণ্ডত পুলকিত জড়িত বুলি অভিযোগ উত্থাপিত হৈছে। পুলকিতে তেওঁৰ ৰিছ'ৰ্টত অংকিতাক দেহ ব্যৱসায়ৰ স'তে জড়িত কৰিবলৈ হেঁচা দিছিল আৰু ৰিছ'ৰ্টলৈ অহা বিশেষ অতিথিক অতিৰিক্ত সেৱা আগবঢ়াবলৈ কৈছিল। কিন্তু অংকিতাই এনে প্ৰস্তাৱ অস্বীকাৰ কৰা পুলকিতে তেওঁক হত্যা কৰা বুলি অভিযোগ উত্থাপিত হৈছে। আৰক্ষীয়ে ইতিমধ্যে ঘটনাৰ সন্দৰ্ভত পুলকিতসহ তিনিজন লোকক গ্ৰেপ্তাৰ কৰিছিল। ইফালে অংকিতাই হত্যাৰ বলি হোৱাৰ পূৰ্বে তেওঁৰ বন্ধুৰ স'তে সামাজিক মাধ্যমত বাৰ্তালাপ কৰাৰ তথ্য পোহৰলৈ আহিছে। এনে বাৰ্তালাপত অংকিতাই তেওঁৰ বন্ধুক অৱগত কৰি কৈছিল যে ৰিছ'ৰ্টলৈ অহা ভিআইপি অতিথিক স্পা সেৱা দিবলৈ তেওঁক হেঁচা দিয়া হৈছে আৰু ১০ হেজাৰ টকাৰ বিনিময়ত তেওঁক অতিথিৰ স'তে শয্যাশায়ী হোৱাৰ প্ৰস্তাৱ ৰিছ'ৰ্টৰ প্ৰবন্ধকে দিছিল। এনে সেৱা আগনবঢ়ালে চাকৰিৰ পৰা অব্যাহতি দিয়াৰো ভাবুকি অংকিতাই লাভ কৰিছিল বুলি উক্ত বাৰ্তালাপত উল্লেখ কৰিছে।

# জাজৰিত গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ মহিলা সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ২৫ ছেপ্টেম্বৰ ঃ** সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ অধীনত নগাঁও জিলাৰ জাজৰিত আজি মহিলা কোষৰ আঞ্চলিক সমিতি গঠনৰ উদ্দেশ্যে এখন সাধাৰণ সভা অনুষ্ঠিত কৰা হয়। জাজৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক ৰাকিব উদ্দিন আহমেদৰ সভাপতিত্বত অনুষ্ঠিত সভাত ছাহিদা বেগমক সভানেত্ৰী, জয়তুন নাহাৰক কাৰ্যকৰী সভানেত্ৰী, নাচৰিণ চুলতানাক সাধাৰণ সম্পাদিকা আৰু ৰাহিদা আহমেদক কোষাধ্যক্ষৰূপে লৈ জাজৰি আঞ্চলিক মহিলা সমিতি নামেৰে এখন ৪১ জনীয়া পূৰ্ণাংগ সমিতি গঠন কৰা হয়। জাজৰি বালিকা প্ৰাথমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত সভাত সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ কেন্দ্ৰীয় মহিলা কোষৰ কাৰ্যকৰী সভানেত্ৰী অধিবক্তা চেহনাজ চুলতানা, কেন্দ্ৰীয় উপ-সভাপতি অধিবক্তা ইমৰান হুছেইন, কেন্দ্ৰীয় সাংগঠনিক সম্পাদক নজমল হুছেইন, পৰিষদৰ নগাঁও জিলাৰ সভাপতি জয়নুদ্দিন আহমেদ, নগাঁও জিলাৰ সাধাৰণ সম্পাদক তথা কেন্দ্ৰীয় সহকাৰী সম্পাদক জাহিদুৰ ৰহমান, কেন্দ্ৰীয় সদস্য ইস্তাকুদ্দিন হাজৰিকা, পৰিষদৰ মৰিগাঁও জিলাৰ উপদেষ্টা আব্দুল হাছিম, উপ-সভাপতি চফিকুল হক, নগাঁও জিলাৰ মহিলা কোষৰ জিলা প্ৰতিনিধি চায়েৰা ৰহমান, টাউন আঞ্চলিক মহিলা সমিতিৰ সাংগঠনিক সম্পাদিকা চুলতানা আৰা বেগম, সমাজকৰ্মী আলহাজ বক্তাৰ হুছেইন, জিয়াউৰ ৰহমান আৰু আব্দুল খায়েৰ আহমেদ আদি উপস্থিত থাকি বক্তব্য আগবঢ়ায়। গ্ৰামাঞ্চলটোৰ তিনিশৰো অধিক লোকে ভাগ লোৱা সভাত নগাঁও আৰু মৰিগাঁও জিলাৰ সীমামূৰীয়া জাজৰি অঞ্চলৰ বিভিন্ন বিষয়তো বিশেষ আলোচনা কৰা হয়।

# তামুলপুত অসম নাট্য সন্মিলনৰ ৬৪ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ২৫ ছেপ্টেম্বৰ ঃ** অসমৰ কলা, সাহিত্য আৰু সাংস্কৃতিক জগতৰ মহীৰূহ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ ঐকান্তিক প্ৰচেষ্টা আৰু নেতৃত্বত ১৯৫৯ত বৰ অসমৰ বুকুত জন্মলাভ কৰা অসম নাট্য সন্মিলনে অহা ২৭ ছেপ্টেম্বৰত ৬৪টা বৰ্ণিল বছৰত পদাৰ্পণ কৰিব। অসম নাট্য সন্মিলনৰ ৬৪ সংখ্যক প্ৰতিষ্ঠা দিৱস অহা ২৭ ছেপ্টেম্বৰত দিনজোৰা কাৰ্যসূচীৰে তামুলপুৰ জিলাৰ নাওকাটাত নাওকাটা শাখাৰ উদ্যোগত উদ্‌যাপন কৰা হ'ব। অসম নাট্য সন্মিলনৰ প্ৰধান সম্পাদক গিৰিধৰ ৰয় আৰু প্ৰচাৰ কোষৰ সভাপতি যুগান্ত বায়নে সদৰী কৰা কাৰ্যসূচী অনুসৰি সেইদিনা পুৱা আঠ বজাত পৰিৱেশ নিকাকৰণৰ জৰিয়তে প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ আৰম্ভ কৰা হ'ব। পুৱা ন বজাত নাট্য সন্মিলনৰ পতাকা উত্তোলন কৰিব সভাপতি কুমাৰ দীপক দাসে। স্মৃতি তৰ্পণ কৰিব কাৰ্যকৰী সভাপতি মাণিক গোস্বামীয়ে, দিনৰ ১০ বজাৰ পৰা হ'বলগীয়া মুকলি সভা উদ্বোধন কৰিব বিটিআৰৰ পৰিবহণ বিভাগৰ কাৰ্যবাহী সদস্য ৰণেন্দ্ৰ নাৰ্জাৰীয়ে। কুমাৰ দীপক দাসৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া মুকলি সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকিব তামুলপুৰ বিধানসভা সমষ্টিৰ বিধায়ক জ্বলেন দৈমাৰী। বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰিব বিশিষ্ট নাট্যকাৰ ধ্ৰুৱজ্যোতি শৰ্মা, সংবাদিক তথা নাট সমালোচক অতুল মজুমদাৰ আৰু নাওকাটা মিলন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ৰবিৰাম ব্ৰহ্ম। দিনৰ ১২ বজাত নৃত্য আৰু নাট্যানুষ্ঠান অনুষ্ঠিত হ'ব। সন্ধিয়া পাঁচ বজাত বন্তি প্ৰজ্বলনেৰে প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানৰ সামৰণি পৰিব। অসম নাট্য সন্মিলনে ২৭ ছেপ্টেম্বৰৰ প্ৰতিষ্ঠা দিৱসৰ সকলো কাৰ্যসূচীত তামুলপুৰ জিলাৰ সকলো শ্ৰেণীৰ ৰাইজক সহায়-সহযোগ আগবঢ়াবলৈ আহ্বান জনাইছে।

# শালবাৰীৰ গধূলি বজাৰত পুখুৰীত পৰি বৃদ্ধৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ২৫ ছেপ্টেম্বৰ ঃ** বাগ্‌সাৰ শালবাৰীৰ বাঁহবাৰী আৰক্ষী চকীৰ অন্তৰ্গত গধূলি বজাৰৰ সমীপৰ এটা পৰিয়ালৰ ঘৰৰ পুখুৰীত আজি আবেলিৰ ভাগত এটা মৃতদেহ উদ্ধাৰ হয়। মৃতদেহটো শালবাৰীৰ মায়ংপাৰাৰ সম্বৰ বসুমতাৰীৰ। মৃত বসুমতাৰীৰ আনুমানিক বয়স প্ৰায় ৭০ বছৰ। স্থানীয় ৰাইজৰ পৰা জানিব পৰা মতে, খুজি মাগি খোৱা বসুমতাৰী নামৰ এই বৃদ্ধজনৰ মৃতদেহটো গধূলি বজাৰৰ জেম টপ্প নামৰ লোক এজনৰ ঘৰৰ পুখুৰীত পানীত ওপঙি থকা অৱস্থাত উদ্ধাৰ হয়। জেম টপ্পই ঘৰৰ পাছফালে পুখুৰীৰ পাৰত কাম কৰি থকা অৱস্থাত হঠাতে প্ৰত্যক্ষ কৰে পানীত ওপঙি থকা মৃতদেহটো। পৰৱৰ্তী সময়ত স্থানীয় ৰাইজৰ সহযোগত বাঁহবাৰী আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে।

**শ্ৰদ্ধাঞ্জলি**

## সৰস্বতী মহন্ত



বিজ্ঞানৰ ছাত্ৰ হিচাপে মানুহৰ সম্পৰ্কবোৰ বিশ্লেষণ কৰি কেতিয়াবা মই বৰ বিবুদ্ধিত পৰো।

কোনো এজন ব্যক্তি আন এজনৰ নিকট আত্মীয় (যেনে পিতৃ-মাতৃ, বাই-ভনী বা ভাই-ককাই) হয়নে নহয়, সেয়া নিশ্চিতভাৱে জনাৰ বৈজ্ঞানিক পদ্ধতি হৈছে ডি.এন.এ. ফিংগাৰপ্ৰিণ্ট। অথচ আজি-কালি প্ৰায়ে শুনিবলৈ পাওঁ (বিশেষকৈ কাহিলিপাৰাস্থিত 'চেনেহ' নামৰ বৃদ্ধাশ্ৰমখনৰ লগত দীৰ্ঘদিন জড়িত থকাৰ পিছত) এনে বৈজ্ঞানিকভাৱে নিচেই ওচৰৰজনেই পিতৃ-মাতৃক কৰা নিদাৰুণ ব্যৱহাৰৰ কথা। অথচ ইয়াৰ বিপৰীতে সম্পৰ্কহীন, বা আগেয়ে কোনোদিন লগ নোপোৱা কিছুমান মানুহো আমাৰ হৈ পৰে তেজ-মঙহৰ মানুহতকৈ হেজাৰগুণে আপোন। ইয়াৰ কি ব্যাখ্যা দিব আধুনিক বিজ্ঞানে?

কথাখিনি মনলৈ আহিছে সৌ সিদিনা হঠাতে আমাৰ মাজৰ পৰা আঁতৰি যোৱা অৱসৰপ্ৰাপ্ত উপ-সচিব প্ৰয়াত প্ৰফুল্ল মহন্তৰ সহধৰ্মিনী সৰস্বতী মহন্তৰ মৃত্যুৰ বাতৰি পায়।

১৯৭৯ৰ শেষৰ ফাললৈ কলকাতাত গৱেষণা শেষ কৰি দুমাহমান গুৱাহাটীত থাকিবলগীয়া হৈছিল। তেতিয়াই মোৰ আগৰে পৰা চিনাকি দাদা এজনৰ লগত যুটীয়াভাৱে গুৱাহাটীৰ পূব শৰণীয়াত ঘৰ এটা ভাড়া কৰি আছিলো। বৌ, অৰ্থাৎ দাদাৰ পৰিবাৰ মোৰ সহপাঠী হোৱাৰ কাৰণে ওচৰতে থকা বৌৰ মাহীয়েকক ময়ো গতানুগতিকভাৱে, মানে আজিৰ চামে নিজৰ খুৰী-পেহীৰ পৰা আৰম্ভ কৰি যিকোনো চিনাকি-অচিনাকি মহিলাকে যেনেকৈ 'আণ্টি' বুলি কয়, তেনেভাৱে 'মাহী' বুলি সম্বোধন কৰিছিলো। কিন্তু কেতিয়ানো এই মাহীজনী মোৰ, আৰু বিয়াৰ পিছত মোৰ পৰিবাৰ শিখা, দুই সন্তান বু আৰু ৰুৰো নিগাজীকৈ মাহী হৈ পৰিল গমকে নাপালো।

মোৰ পৰিয়ালৰ কেইজনমান গুৰুতৰভাৱে অসুস্থ হৈ থকাৰ বাবে যোৱা দুমাহমান মই মাহীৰ ওচৰলৈ যাব পৰা নাছিলো। মাজতে দীপে (মাহীৰ বৰপুত্ৰ দীপংকৰে) খবৰ দিছিল, মাহী অসুস্থ হৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত আই.চি.ইউত চিকিৎসাধীন হৈ থকাৰ কথা। ভয় খাইছিলো, উদ্বিগ্নতা বাঢ়িছিল। তথাপি সেই সময়ত মোৰ সৰু ভিনদেউৰ (ডঃ প্ৰফুল্ল মহন্তৰ) মৃত্যু হোৱাৰ বাবে মই মাহীৰ ওচৰলৈ যাব পৰা নাছিলো। সৌ সিদিনা ১৬ ছেপ্টেম্বৰত যেতিয়া মাহীৰ ওচৰলৈ গৈছিলো, মাহীৰ অৱস্থাটো দেখি মই কথা ক'ব পৰা নাছিলো। সেই সময়ত মাহীৰ বিছনাৰ কাষত মাহীক পৰিচৰ্যা কৰি বিমৰ্ষচিত্তে বহি আছিল ডাঙৰ বোৱাৰী বুনু (মনশ্ৰী), জীয়াৰী ৰুপু, ভাগিনী দুল আৰু ভতিজী ভনী। কাৰো মুখত কোনো মাত-বোল নাই। ভনীয়ে মই সোমাই যোৱা দেখি মাহীক কৈছিল, 'পেহী, চকু মেলি এবাৰ চোৱাচোন, পদুমদা আহিছে।' মই মাহীৰ কাষলৈ গ'লো। হায়! হায়!সদায় হাঁহি থকা ধুনীয়া মাহীজনী কি হৈ গ'ল? মাহীৰ কঁপালখনত লাহেকৈ হাতখন থৈ মাতিলো, 'মা-হী।' অকণমান চকু দুটা মেলি মাহীয়ে অস্ফূট স্বৰে ক'লে, 'হে প্ৰভু, মোক নিয়া আৰু। বৰ কষ্ট পাইছোঁ।'

মাহীৰ অৱস্থা দেখি বুকুখনে হাঁহাকাৰ কৰি উঠিল। নকন্দাকৈ থকাটো অসম্ভৱ। কাকো একো নোকোৱাকৈ বাহিৰলৈ ওলাই আহিলো।

মাহী গ'লগৈ। কিন্তু হাঁহিমুখীয়া, মৰমিয়াল মোৰ অতি চেনেহৰ মাহীজনী মোৰ মানসপটত চিৰদিন জিলিকি থাকিব— মোৰ আইৰ নিজৰ ভনীয়েক হৈ।

মাহী, আজি তোমাৰ আদ্যশ্ৰাদ্ধৰ দিনা তোমালৈ যাঁচিছো মোৰ সশ্ৰদ্ধ প্ৰণাম।

**পদ্মপাণি**

# এইখন চৰকাৰক ইষ্ট ইণ্ডিয়া কোম্পানীৰ স'তেহে তুলনা কৰিব পাৰি ঃ বৰঠাকুৰ

## ৰামপুৰ ব্লক কংগ্ৰেছৰ কাৰ্যালয়ত মহিলাসকলৰ বাবে টোল ফ্ৰী নম্বৰ মুকলি

**অগ্ৰদূত বাৰ্তা**

**পলাশবাৰী, ২৫ ছেপ্টেম্বৰ ঃ** পলাশবাৰী সমষ্টিৰ উপৰহালীস্থিত ৰামপুৰ ব্লক কংগ্ৰেছৰ কাৰ্যালয়ত কংগ্ৰেছ ন্যায় বাহিনীৰ জৰিয়তে যিসকল নাৰীক আইনী সহায়ৰ দৰকাৰ সেইসকলে আইনী সাহায্য লাভ কৰাৰ বাবে এটা টোল ফ্ৰী ১৮০০-২০৩-০৫৮৯ নম্বৰ মুকলি কৰা হয়। এই উপলক্ষে আজি অনুষ্ঠিত এক সভাত অসম প্ৰদেশ মহিলা কংগ্ৰেছ কমিটীৰ সভানেত্ৰী মীৰা বৰঠাকুৰে উক্ত নম্বৰৰ জৰিয়তে নাৰী সমাজে আইনী প্ৰক্ৰিয়া তথা বিভিন্ন অসুবিধাৰ বাবে কি কি সাহায্য তথা সুবিধা লাভ কৰিব পাৰিব তাৰ ওপৰত ভাষণত উল্লেখ কৰে। ইয়াৰ পাছতে সাংবাদিকৰে হোৱা সাক্ষাৎকাৰত ৰাজ্যিক মহিলা কংগ্ৰেছ সভানেত্ৰী বৰঠাকুৰে এইখন চৰকাৰক ইষ্ট ইণ্ডিয়া কোম্পানীৰ স'তে তুলনা কৰে। লগতে কৰ সংগ্ৰহকাৰী চৰকাৰখনৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক মুংগেৰীলালৰ স'তে তুলনা কৰি মূল্যবৃদ্ধিয়ে কোঙা কৰাৰ পাছতো বিভিন্ন বিষয়ক লৈ হকে বিহকে জনসাধাৰণৰ মূৰত জাপি দি চৰকাৰখন এতিয়া ৰোষত পৰিছে। তাৰ পাছতো বহিৰাগত কোম্পানী তথা বণিয়াক সকলো দিশতে ৰঙা দলিচা পাৰি দি আছে। এতিয়া সাধাৰণ ৰাইজ সকলো দিশৰ পৰা জুৰুলা হৈ পৰিছে। তাৰ পাছতো চৰকাৰখনে ইখনৰ পাছত সিখনবিনামূলীয়া আঁচনি ৰূপায়ণ কৰি জনসাধাৰণৰ মূৰত ঋণৰ বোজা জাপি দিয়ে আছে বুলি মন্তব্য কৰে সভানেত্ৰী বৰঠাকুৰে। অনুষ্ঠানত প্ৰদেশ কংগ্ৰেছ কমিটীৰ উপ-সভাপতি নৃপেন্দ্ৰ নাৰায়ণ ঠাকুৰীয়া, ৰাজীৱ গান্ধী পঞ্চায়তী ৰাজ, অসম প্ৰদেশৰ সাধাৰণ সম্পাদক বিপ্লৱ কুমাৰ তালুকদাৰ, অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ উপ-সভানেত্ৰী চিত্ৰা বৰুৱা, সাধাৰণ সম্পাদিকা বনশ্ৰী গগৈ, কামৰূপ জিলা মহিলা কংগ্ৰেছৰ সভানেত্ৰী দীপালী তালুকদাৰ, ৰামপুৰ ব্লক মহিলা কংগ্ৰেছৰ বিষয়ববীয়া ৰুণু বিবি, ৰামপুৰ ব্লকৰ প্ৰাক্তন সভাপতি মাখন দাস, উপৰহালী মণ্ডল কংগ্ৰেছৰ সভাপতি নয়ন মজুমদাৰৰ লগতে বহুকেইগৰাকী কংগ্ৰেছ নেতা-কৰ্মী উপস্থিত থাকে।



## মৰিগাঁৱৰ দীঘলবড়ীত তিৱা অনুষ্ঠান ছেৰাণৰ তৃতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ২৫ ছেপ্টেম্বৰ ঃ** মৰিগাঁও তিৱা সমাজৰ অনুষ্ঠান ছেৰাণৰ তৃতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱসটো আজি দীঘলবড়ী বালিকা মধ্য ইংৰাজী বিদ্যালয়ত উদ্‌যাপন কৰে। এই উপলক্ষে পুৱা বন্তি প্ৰজ্বলনৰে কাৰ্যসূচী মুকলি কৰে দীঘলবড়ী বালিকা মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক পুতুকন দেউৰীয়ে। পতাকা উত্তোলন কৰে ছেৰাণৰ সভাপতি ড° ধীৰাজ পাটৰে। ইয়াৰ পাছতেই সম্পাদক ৰঞ্জিত নাৰায়ণ পাটৰে আঁত ধৰা বিষয় বাছনি সভাত পূৰ্বৰ সমিতিখনকেই সভাই বাহাল ৰখাৰ প্ৰস্তাৱ গ্ৰহণ কৰে। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি বাৰ্ষিক মুখপত্ৰ ছেৰাণ উন্মোচন কৰে দীঘলবড়ী গাঁও পঞ্চায়তৰ সভাপতি শিৱ পাটৰে। উক্ত সভাতে দীঘলবড়ী অঞ্চলৰ কৃতী শিক্ষক মহেন্দ্ৰ পাটৰকো সম্বৰ্ধনা জনোৱা হয়। তদুপৰি অঞ্চলটোৰ অৰ্ধশতাধিক কৃতী ছাত্ৰ-ছাত্ৰীকো অভিনন্দন জনোৱা হয়। অনুষ্ঠানত ছেৰাণৰ সমূহ বিষয়ববীয়া সদস্য-সদস্যাক উপস্থিত থকাৰ লগতে তিৱা সাহিত্য সভাৰ মৰিগাঁও জিলাৰ সম্পাদক মৃণাল কুমাৰ দেওৰজা আৰু তিৱা সাহিত্য সভাৰ কামৰূপ মহানগৰ সমিতিৰ প্ৰাক্তন সম্পাদক তুলসী বৰদলৈকে আদি কৰি কে'বাজনো বিশিষ্ট লোক উপস্থিত থাকে। আবেলি স্থানীয় শিল্পীৰ দ্বাৰা নৃত্যৰ লগতে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়।

# দুটাকৈ ম'হ বলিৰে ঐতিহাসিক দীৰ্ঘেশ্বৰী দেৱালয়ত দুৰ্গা পূজাৰ প্ৰস্তুতি

■ পৰম শিৱ মন্দিৰলৈ সোঁত বৈছে বেনাৰসৰ এহেজাৰ পুৰোহিতৰ নৱৰাত্ৰি পালনেৰে নদিনীয়া পূজা

**অগ্ৰদূত বাৰ্তা**

**উত্তৰ গুৱাহাটী, ২৫ ছেপ্টেম্বৰ ঃ** তীৰ্থপীঠ উত্তৰ গুৱাহাটীৰ সীতাচল পাহাৰত অৱস্থিত শ্ৰীশ্ৰীদীৰ্ঘেশ্বৰী দেৱালয়ত দুৰ্গা পূজা উদ্‌যাপনৰ বাবে চলিছে প্ৰস্তুতি। জাগ্ৰত পীঠ দীৰ্ঘেশ্বৰী দেৱালয়ৰ পাঁচদিনীয়া দুৰ্গা পূজা পৰিচালনাৰ বাবে কাৰ্যকৰী সভাপতি অনিল দাস আৰু সম্পাদক কল্যাণ ভট্টাচাৰ্যক লৈ মন্দিৰ পৰিচালনা সমিতিয়ে আগবাঢ়িছে। দক্ষিণাকালী নামে খ্যাত দীৰ্ঘেশ্বৰী দেৱালয়ত এইবেলিও বলিবিধান হ'ব বুলি মন্দিৰ পৰিচালনা সমিতিৰ তৰফৰ পৰা জানিব পৰা গৈছে। মহানৱমীত দুটা ম'হ বলিৰ লগতে আনুসংগিক নিয়ম অনুযায়ী হাঁহ-পাৰ-ছাগলী বলিৰ বিধান আছে। পুৰাণ প্ৰসিদ্ধ তথা অতি প্ৰাচীন পূজা হিচাপে পৰিগণিত দীৰ্ঘেশ্বৰীলৈ হেজাৰ হেজাৰ ভক্তৰ সমাগম হ'ব বুলি আশা কৰা হৈছে। শাৰদীয় দুৰ্গা পূজাৰ মহা আয়োজন উত্তৰ গুৱাহাটীৰ পৰম শিৱম মন্দিৰতো দেখা গ'ল। নৱৰাত্ৰি পালনেৰে ১৬ অনা বৈদিক পৰম্পৰা আগত ৰাখি ন দিনীয়া দুৰ্গা পূজাৰ প্ৰস্তুতি এতিয়া পৰম শিৱম মন্দিৰত। বেনাৰসৰ পৰা আমন্ত্ৰণ কৰা সহস্ৰ পুৰোহিতে দুদিন ধৰি ছণ্ডী পাঠেৰে দেৱীক মৰতলৈ আমন্ত্ৰণ জনাব। সমান্তৰালভাৱে থাকিব হনুমান চালিসাৰ পাঠ। যজ্ঞৰ বেদীত পঞ্চামৃত আহুতিৰে বন্দিত হ'ব দেৱী দুৰ্গা। মহালয়াৰ দিনটোত পৰম শিৱম মন্দিৰ বৈদিক ক্ৰিয়া কাণ্ড মন্ত্ৰোচ্চাৰণত তীৰ্থ পীঠ উত্তৰ গুৱাহাটী ভক্তি ৰসত গদ গদ হ'ল। সৰ্বভূতত বিৰাজমান দেৱীক যেন আৰাধনাৰে পুনৰ প্ৰাণৱন্ত কৰাৰ আখৰা চলিছে ৰুদ্ৰেশ্বৰৰ পৰম শিৱম মন্দিৰত।

# বড়িগোগ মণ্ডল বিজেপিৰ একেদিনাই ১০২ টা বুথত প্ৰধানমন্ত্ৰীৰ মন কী বাত অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ২৫ ছেপ্টেম্বৰ ঃ** বিজেপিৰ নলবাৰী জিলা সমিতিৰ অন্তৰ্গত ঘগ্ৰাপাৰৰ বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ উদ্যোগত আজি একেদিনাই ১০২ টা বুথত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন কী বাত অনুষ্ঠান অনুষ্ঠিত কৰা হয়। এই পৰিপ্ৰেক্ষিতত আজি মণ্ডলটোৰ অন্তৰ্গত ১৬ নম্বৰ খাতিকুছি পঞ্চায়তত ৪০ নম্বৰ বুথত বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱাই উপস্থিত থাকি মোদীৰ মন কী বাত অনুষ্ঠান উপভোগ কৰি প্ৰায় তিনিশতাধিক কাৰ্যকৰ্তা আৰু ৰাইজক উদ্দেশি নেতাজনে নিজৰ ভাষণত মন কী বাতত প্ৰধানমন্ত্ৰী মোদীয়ে মন্তব্য কৰা ভাষণ বিতংকৈ বুজাই দিয়ে। লগতে নেতাজনে কেন্দ্ৰ-ৰাজ্য চৰকাৰৰ অভিলাষী আঁচনিসমূহে ৰাইজক কিদৰে উপকৃত কৰিছে ইয়াৰ ওপৰত আলোকপাত কৰাৰ উপৰি এই আঁচনিসমূহ ৰাইজৰ মাজলৈ নিবলৈ দলীয় কৰ্মীসকলক আহ্বান জনায়। স্থানীয় বুথ বিজেপিৰ সভাপতি ৰমেশ কলিতাই আঁত ধৰা অনুষ্ঠানত বিজেপিৰ সামাজিক মাধ্যমৰ ভৃগু বৰ্মন আদিয়ে অংশগ্ৰহণ কৰে। ইপিনে, মণ্ডলটোৰ ১৭ নম্বৰ আল্লিয়া ২৫ নম্বৰ মাধাপুৰ বুথতো আজি প্ৰধানমন্ত্ৰীৰ মন কী বাত অনুষ্ঠান অনুষ্ঠিত কৰা হয়। বুথটোৰ সভাপতি বাসব কলিতাৰ তত্বাৱধানত আয়োজিত উক্ত অনুষ্ঠানত বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সম্পাদক মৃগেন শৰ্মা, নলবাৰী জিলা মহিলা মৰ্চাৰ সভানেত্ৰী মাধৱী ৰাজবংশী, মণ্ডল বিজেপিৰ সামাজিক মাধ্যমৰ আহ্বায়ক খঞ্জন তালুকদাৰ, সহ আহ্বায়ক বনজিত বৈশ্য, জয়ন্ত বেজবৰুৱা উপস্থিত থকা মন কীত বাত অনুষ্ঠানত প্ৰায় শতাধিক দলীয় কৰ্মী তথা ৰাইজে প্ৰধানমন্ত্ৰী মোদীৰ মন্তব্য শুনা পৰিলক্ষিত হয়। ইপিনে, মণ্ডলটোৰ ১৭৬ নম্বৰ দলুৱা বুথতো প্ৰধানমন্ত্ৰীৰ মন কী বাত অনুষ্ঠান অনুষ্ঠিত কৰা হয়। বুথটোৰ সভাপতি বঘিৰাম কলিতাৰ তত্বাৱধানত আয়োজিত অনুষ্ঠানত জিলা পৰিষদ পংকজ ডেকাৰ মণ্ডলটোৰ সামাজিক মাধ্যমৰ তত্বাৱধানত বিশ্বজিৎ কলিতা উপস্থিত থকা মন কীত বাত অনুষ্ঠানত দলীয় কৰ্মী তথা ৰাইজে প্ৰধানমন্ত্ৰী মোদীৰ মন্তব্য শুনা পৰিলক্ষিত হয়। লগতে উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি এলানি বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। আনহাতে, মণ্ডলটোৰ ১২ নম্বৰ দতৰা গাঁও পঞ্চায়তৰ অন্তৰ্গত ১৯৯ নম্বৰ আমৰা বুথতো অনুষ্ঠিত কৰা হয় মন কী বাত। অনুষ্ঠানত বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সম্পাদক শ্যামন্ত শৰ্মাই অংশগ্ৰহণ কৰে। উক্ত অনুষ্ঠানটো আঁত ধৰে বুথৰ সভাপতি নৰেন দাসে। বুথত পাঁচজন বিশিষ্ট কৃষকৰ হতুৱাই স্থানীয় মন্দিৰত বৃক্ষৰোপণ কৰা হয়। ইফালে, বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱাই মণ্ডল অন্তৰ্গত ১০২ টা বুথত আজি একে সময়তে প্ৰধানমন্ত্ৰীৰ মন কী বাত অনুষ্ঠান কাৰ্যসূচী ৰূপায়ণ কৰা হয় বুলি জানিবলৈ দিয়ে।

# মহিলাসকলে সন্তানক মাতৃভাষাৰ শিক্ষা প্ৰদানেৰে অসমীয়া ভাষা-সংস্কৃতি ৰক্ষাত ভূমিকা গ্ৰহণ কৰক

■ মৰিগাঁও বাছনাঘাট স্বৰ্ণ শাখা সাহিত্য সভাৰ দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন ঃ পত্ৰিকা উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ২৫ ছেপ্টেম্বৰ ঃ** 'যেতিয়ালৈকে অসমৰ গাঁও, নামঘৰ, কীৰ্তন-নামঘোষা থাকিব, অসমীয়া ভাষাক কোনেও ক্ষতি কৰিব নোৱাৰে। অসম চৰকাৰে হিন্দীভাষীক সন্তুষ্ট কৰিবলৈ ভাৰতৰ শিক্ষা নীতি ব্যৱস্থাত অন্তৰ্ভুক্ত নকৰা কাম কৰিবলৈ লোৱা কাৰ্যই অসমীয়া জাতি আৰু ভাষাৰ প্ৰতি এতিয়া প্ৰত্যাহ্বান হৈ থিয় দিছে।' আজি এই মন্তব্য কৰে মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি প্ৰতাপ হাজৰিকাই। মৰিগাঁৱৰ বাছনাঘাট স্বৰ্ণ শাখা সাহিত্য সভাই দুদিনীয়াকৈ বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত কৰা প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ আজি মুকলি সভাত অতিথিৰূপে অংশগ্ৰহণ কৰি ভাষণ প্ৰসংগত জিলা সাহিত্য সভাৰ সভাপতি হাজৰিকাই লগতে কয় যে মাতৃগৰ্ভত সন্তানে স্থিতি লোৱাৰ পৰা শিশুৱে মাতৃভাষা শিকি আহে। একাগ্ৰতা থাকিলে শিশুসকলে বিভিন্ন ভাষা শিকিবলৈ সক্ষম হ'ব। এটা জাতিৰ পৰিচয় মহিলাসকলেহে স্বীকৃতি দিয়ে, কিন্তু পুৰুষে নিদিয়ে বুলি সভাপতি হাজৰিকাই ভাষণত উল্লেখ কৰাৰ উপৰি মহিলাসকলে নিজৰ সন্তানক মাতৃভাষাৰ শিক্ষা প্ৰদান কৰি অসমীয়া ভাষা-সংস্কৃতি ৰক্ষা কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। বাছনাঘাট স্বৰ্ণ শাখা সাহিত্য সভাৰ সভাপতি কুশল কুমাৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাত শাখা সাহিত্য সভাৰ পত্ৰিকা উন্মোচন কৰি সাহিত্যিক পেঞ্চনাৰ তথা মৰিগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মিলেশ্বৰ পাটৰে উন্মোচনী ভাষণত পত্ৰিকাখনে বাছনাঘাট স্বৰ্ণ শাখা সাহিত্য সভাক এক নতুন ৰূপ দিলে বুলি মন্তব্য প্ৰকাশ কৰাৰ লগতে অসম সাহিত্য সভাক শক্তিশালী কৰাটো প্ৰতিজন অসমীয়াৰ কৰ্তব্য, কাৰণ সাহিত্য সভাই অসমীয়া ভাষা-সাহিত্যক সুৰক্ষা দি আহিছে বুলি মন্তব্য আগবঢ়ায়। মুকলি সভাত অসম সাহিত্য সভাৰ আঞ্চলিক সমিতিৰ সম্পাদক মৃণাল হাজৰিকাই বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি ভাষণত কয় যে চৰকাৰে অসমীয়া মাধ্যমৰ বিদ্যালয় বন্ধ কৰাটো মাতৃভাষাৰ প্ৰতি অশনি সংকেত নামি আহিছে। সময় থাকোতেই অসম সাহিত্য সভাই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব বুলি মন্তব্য আগবঢ়োৱাৰ উপৰি তেওঁ পুনৰ কয় যে ইংৰাজী মাধ্যমত পঢ়িলেও অসমীয়া ভাষা শিকাৰ ক্ষেত্ৰত অভিভাৱকে গুৰুত্ব দিয়া উচিত। অসমীয়া মাধ্যমত পঢ়িও সমাজত প্ৰতিষ্ঠিত হ'ব পাৰে বুলি হাজৰিকাই গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। ইফালে, শাখাটোৰ প্ৰতিষ্ঠা দিৱসৰ মুকলি সভাত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি শুভেচ্ছামূলক ভাষণ প্ৰদান কৰে মৰিগাঁও জিলা সাহিত্য সভাৰ সম্পাদক পিনাকী ভূষণ মহন্তকে ধৰি অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক মহেন্দ্ৰ শইকীয়াৰ লগতে মৰিগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লীলাকান্ত বৰঠাকুৰ আৰু কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ভৱেশ মেধিয়ে। ইপিনে, আজি পুৱাৰ ভাগৰ পৰা অনুষ্ঠিত হোৱা বাছনাঘাট স্বৰ্ণ শাখা সাহিত্য সভাৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসত অসম সাহিত্য সভাৰ আজীৱন সভা পৰেশ চন্দ্ৰ চৌধুৰীয়ে বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচী মুকলি কৰে। তাৰ পাছতেই পতাকা উত্তোলন কৰে বাছনাঘাট স্বৰ্ণ শাখা সাহিত্য সভাৰ সভাপতি কুশল চন্দ্ৰ বৰাই। কাৰ্যসূচী অনুসৰি স্মৃতি তৰ্পণ কৰে অসম সাহিত্য সভাৰ আজীৱন সভ্য সুৰেন শৰ্মা আৰু বাছনাঘাট স্বৰ্ণ শাখা সাহিত্য সভাৰ সম্পাদক বিশ্বজিৎ বৰাই। আনহাতে, কাইলৈ বাছনাঘাট স্বৰ্ণ শাখা সাহিত্য সভাৰ দুদিনীয়াকৈ অনুষ্ঠিত হোৱা প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ সামৰণি পৰিব।



# চিৰাঙৰ অগ্ৰঙত বৃহৎ পৰিমাণৰ গাঞ্জা জব্দ গ্ৰেপ্তাৰ এজন

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ২৫ ছেপ্টেম্বৰ ঃ** চিৰাং জিলাৰ বিজনী মহকুমাৰ অগ্ৰঙত শনিবাৰে নিশা আৰক্ষীৰ দলে অভিযান চলাই বৃহৎ পৰিমাণৰ গাঞ্জা জব্দ কৰে। দুখন মটৰ চাইকেলসহ ৰাজকুমাৰ মণ্ডল (৪২) নামৰ এজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে আৰক্ষীৰ দলে। আৰক্ষীৰ অভিযানত সুযোগ বুজি পলায়ন কৰে আন এজন সৰবৰাহকাৰী। নিশা বিজনী আৰক্ষীৰ এক বিশেষ খবৰৰ ভিত্তিত বিজনীৰ অগ্ৰং দলঙৰ পৰা গাঞ্জাসহ ধৃত মণ্ডলক গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। জব্দকৃত গাঞ্জাৰ পৰিমাণ ৪০ কিলোগ্ৰাম বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে ধৃত সৰবৰাহকাৰীজনৰ দুখন মটৰ চাইকেল আৰু এটা ম'বাইল ফোন জব্দ কৰে। নিশাৰ ভাগতেই আৰক্ষীয়ে এএছ-১৯ ৫৩৩৪ নম্বৰৰ য়ামাহা আৰ এক্স-১৩৫ আৰু এএছ-২৬ ডি-৯৪২৫ নম্বৰৰ হিৰ' স্প্লেণ্ডাৰসহ সৰবৰাহকাৰীজনক বিজনী থানালৈ আনি সোধপোছ আৰম্ভ কৰিছে।

# বিদ্যালয় এখনত সহযোগিতা আগবঢ়োৱাটো প্ৰাক্তন ছাত্ৰৰ নৈতিক দায়িত্ব ঃ অধিবক্তা ধীৰেন নাথ

## সৃজনগ্ৰামত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সন্থা গঠন

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ২৫ ছেপ্টেম্বৰ ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্থা গঠনৰ বাবে আজি এখন সাধাৰণ সভা অনুষ্ঠিত হৈ যায়। বিভিন্ন অঞ্চলৰ বিভিন্ন কৰ্মক্ষেত্ৰত নিয়োজিত হৈ থকা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰে এক উদুলি-মুদুলি পৰিৱেশত নষ্টালজিক হৈ পৰে সকলোৰে। বিদ্যালয়খনৰ অধ্যক্ষ অতুল চন্দ্ৰ দেৱ ৰায়ে আদৰণি ভাষণ পাঠ কৰাৰ পাছতে অনুষ্ঠিত হয় সাধাৰণ সভাখন সভাত উপস্থিত থাকি বিশিষ্ট অধিবক্তা তথা প্ৰাক্তন ছাত্ৰ ধীৰেন নাথে কয় যে নিজে অধ্যয়ন কৰা শিক্ষানুষ্ঠানত সকলো প্ৰকাৰে সহযোগিতা আগবঢ়োৱাটো প্ৰতিগৰাকী প্ৰাক্তন শিক্ষাৰ্থীৰ নৈতিক দায়িত্ব আৰু কৰ্তব্য। চৰকাৰে আহ্বান নজনালেও এইক্ষেত্ৰত আগবাঢ়ি আহি শিক্ষানুষ্ঠানৰ উত্তৰণ ঘটাব লাগে। শিক্ষাবিদ তথা প্ৰাক্তন ছাত্ৰ শৰ্মাৰাম দাসে ভাষণত বিদ্যালয়খনৰ আন্তঃগাঁথনিকে ধৰি শৈক্ষিক দিশত উত্তৰণৰ প্ৰয়োজনীয়তা অনুধাৱন কৰে। এই ক্ষেত্ৰত প্ৰাক্তন শিক্ষাৰ্থীৰ অৱদান প্ৰয়োজন বুলি তেওঁ কয়। বিদ্যালয়খনত অধ্যয়ন কৰি যোৱা প্ৰাক্তন ছাত্ৰ তথা অৱসৰপ্ৰাপ্ত শিক্ষক নিজেন সৰকাৰ, ছিয়াদ আলীৰ লগতে অনিল সিংহ, আৰিফউদ্দিন আহমেদ, আলী হুছেইন, পাৰ্বতী দেৱী, ভগৱতী ৰায়, অনিমা দেৱী, ৰজনী ৰায়, ৰাজেশ্বৰ ৰায়, সুনীল বৰ্মন, মাণিক ডেকা, নিৰঞ্জন নাথ, অপূৰ্ব দাস আদি উপস্থিত থকা সভাখনতে প্ৰমোদ কুমাৰ ৰায়ক সভাপতি, প্ৰভাত ৰায়ক কাৰ্যকৰী সভাপতি, বিক্ৰম মেধি, দিলীপ নাথ, নিজেন ৰায়, মনোমোহন ৰায়, চন্দন মেধি, ৰাজেন ৰায়, অঞ্জন কলিতাক উপ-সভাপতি, শিৱৰাম ৰায়ক মুখ্য সম্পাদক, অভিজিৎ ৰায়, বন্দিতা সিংহ, ৰামকৃষ্ণ মজুমদাৰ আৰু কল্যাণ কিশোৰ ৰায়ক সহকাৰী সম্পাদকৰূপে লৈ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলন এখন গঠন কৰে।

# বিজেপিৰ শোণিতপুৰ জিলা কমিটীৰ অ'বিচি মৰ্চাৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**অগ্ৰদুত বাৰ্তা**

**শিঙৰী, ২৫ ছেপ্টেম্বৰ ঃ** বিজেপিৰ শোণিতপুৰ জিলা কমিটীৰ অ'বিচি মৰ্চাৰ এখন কাৰ্যনিৰ্বাহক সভা ঘোঁৰামাৰী জ্যোতি-বিষ্ণু ভৱনত দিনজোৰা কাৰ্যসূচীৰে অলপতে অনুষ্ঠিত হয়। পুৱা দলীয় পতাকা উত্তোলনেৰে কাৰ্যনিৰ্বাহক সভাৰ কাৰ্যসূচী আৰম্ভ হয়। দলৰ কাৰ্যনিৰ্বাহক সদস্যা মনালিছা দেৱীয়ে পৰিৱেশন কৰা গুৰু বন্দনা আৰু বৰগীতেৰে আৰম্ভ হোৱা সভাখন অ'বিচি মৰ্চাৰ জিলা সভাপতি জ্যোতিপ্ৰসাদ নাথৰ সভাপতিত্বত অনুষ্ঠিত হয়। সভাত অসম অন্যান্য পিছপৰা আয়োগৰ অধ্যক্ষ শান্তনু গগৈয়ে মুখ্য অতিথিৰ ভাষণ দিয়ে। তেওঁ কয় যে দলৰ সাংগঠনিক দিশ শক্তিশালী ৰখাৰ ক্ষেত্ৰত দলীয় নেতা-কৰ্মীসকলে নিষ্ঠাৰে কাম কৰি যাব লাগে। প্ৰতিজন কৰ্মীক দলৰ স্বাৰ্থত, সমাজৰ স্বাৰ্থত কাম কৰি যাবলৈ তেওঁ আহ্বান জনায়। সভাত অ'বিচি মৰ্চাৰ জিলা প্ৰভাৰী তাপস দেৱনাথ, প্ৰমোদ নাথ, কেশৱ উপাধ্যায়, গৌতম দাস, ত্ৰিদীপ কলিতা, থৰ্ক অধিকাৰী, প্ৰশান্ত দাস, অমিয় ডেকা, চম্পা বৰ্মন, চম্পক তালুকদাৰ, ধ্ৰুৱজ্যোতি বৰুৱা, দীপক তামাঙ, নিতুপন বৈশ্য, পদ্মিনী কোচ, অভিজিত সিংহ, চন্দ্ৰকমল দেৱনাথ, দেৱজিৎ বৰাই বক্তব্য ৰাখে। কাৰ্যনিৰ্বাহক সভাৰ কাৰ্যসূচীত জিলাখনৰ পাঁচটা সমষ্টিৰ পাঁচজন শিক্ষাবিদক অভিনন্দন জনোৱা হয়। তেজপুৰৰ অৱসৰপ্ৰাপ্ত অধ্যাপক জয় নাৰায়ণ লুইটেল, বিহগুৰিৰ অৱসৰপ্ৰাপ্ত শিক্ষক দেৱকান্ত নাথ, ঢেকিয়াজুলিৰ অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰদীপ কুমাৰ নাথ, ৰঙাপৰাৰ অৱসৰপ্ৰাপ্ত শিক্ষক মৃণাল শইকীয়া, চতিয়াৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী- সমাজসেৱিকা লাহৰী বৰা হাজৰিকাক বিশেষভাৱে অভিনন্দন জনোৱা হয়।

**শ্ৰদ্ধাঞ্জলি**

## ইন্দু গগৈ



যোৱা ১৭ ছেপ্টেম্বৰৰ কাহিলি পুৱাতেই বাতৰিটো পাই হতভম্ব হৈ পৰিছিলো আৰু দিনটোলৈ মন শোকাচ্ছন্ন হৈ ৰ'ল। বাতৰিটো আছিল ১৬ ছেপ্টেম্বৰৰ নিশাতেই মোৰ বৰবিয়নী, মোৰ ডাঙৰ জোঁৱাই দিগন্ত গগৈৰ মাতৃ আৰু মোৰ বৰ জীয়ৰী নীৰা গগৈ সোণোৱালৰ শাহু আই ইন্দু গগৈৰ দেহাৱসান ঘটিল। বাতৰিটো মোৰ কাৰণে আচম্বিত যেন লাগিল। কাৰণ দুমাহ আগলৈকে তেওঁৰ বৰপুত্ৰৰ গুৱাহাটীস্থ বাসগৃহত থাকোতে অলপ অসুস্থ হ'লেও হাঁহি-মাতি কথা পাতি সময়বোৰ কটাইছিলো। অৱশ্যে যোৰহাটলৈ উভতি যাবৰ বাবে উদ্বিগ্ন হৈ কথাৰ মাজতে কৈছিল, 'বিয়নীও শেষ ঠিকনাটো ঠিকেই ৰাখিব লাগিব নহয়।' তেওঁ যোৰহাটলৈ উভতি গ'ল আৰু কেইদিনমানৰ পাছতেই পৰি ভৰিৰ হাঁড় ভঙাত অস্ত্ৰোপচাৰ কৰিবলগীয়া হৈছিল যদিও ক্ৰমাৎ সুস্থ অনুভৱ কৰি আহিছিল।

গুৱাহাটীত থকা কালতে আমাৰ মাজত বহুতো কথোপকথনৰ মাজতে তেওঁ কৈছিল তেওঁৰ বিয়াৰ কথা, চাকৰিয়াল দেউতাকৰ স'তে অসমৰ বিভিন্ন ঠাইত ঘূৰি ফুৰা কালত বিভিন্ন স্কুলত পঢ়া-শুনা কৰাৰ বিভিন্ন স্মৃতিৰ কথা। তেওঁ আছিল এখন সু-সংস্কৃত পৰিয়ালৰ জীয়ৰী। পিতৃ আছিল স্কুল পৰিদৰ্শক ৰাম গোহাঁই আৰু মাতৃ আছিল আইকণ গোহাঁই। ১৯৩২ত লখিমপুৰত জন্ম লাভ কৰা ইন্দু গোহাঁই পিতৃ-মাতৃৰ ১২টি সন্তানৰ ভিতৰত পঞ্চম সন্তান। দেউতাকৰ স'তে অসমৰ বিভিন্ন ঠাইত ঘূৰি পঢ়া-শুনা কৰিছিল। বিবাহ উপযুক্ত সময়ত যোৰহাটৰ সম্ভ্ৰান্ত পৰিয়ালৰ তেতিয়াৰ দিনৰ মুন্সীফ কনকেশ্বৰ গগৈ আৰু তৰা গগৈৰ পুত্ৰ এ চি এছ বিষয়া অতুল গগৈৰ লগত বিবাহপাশত আৱদ্ধ হয়। তেওঁলোকৰ দুটি পুত্ৰ আৰু দুগৰাকী কন্যা সন্তানেৰে সংসাৰ পৰিপূৰ্ণ হয়। স্বামীৰ স'তে বিভিন্ন স্থানত ঘূৰি ফুৰাৰ পাছত যোৰহাটৰ বঙাল পুখুৰীস্থ নিজ বাসগৃহত থিতাপি লয়।

মোৰ বিয়নী এগৰাকী সৰল মন আৰু ব্যক্তিত্বৰ গৰাকী আছিল। ভগৱন্তৰ প্ৰতি অগাধ বিশ্বাস, সাহিত্যানুৰাগী, সমাজ কল্যাণৰ প্ৰতি সদা সচেতন, সেয়ে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজি, কৰুণাধাৰা আৰু নানান অনুষ্ঠান-প্ৰতিষ্ঠানলৈ পেঞ্চন আৰু সাঁচতীয়া ধনৰ টোপোলা আগবঢ়াইছিল। সকলোৰে প্ৰতি কৰা সুন্দৰ আচৰণেৰে সকলোকে মোহিত কৰিব পাৰিছিল।

আজি তেওঁৰ আদ্যশ্ৰাদ্ধৰ দিনা তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তি বিচাৰি ভগৱন্তৰ ওচৰত অন্তৰৰো অন্তৰৰ পৰা প্ৰাৰ্থনা জনালো।

**সুনীতি সোণোৱাল**
নতুন দিল্লী



# অইলৰ ৬৩ সংখ্যক বাৰ্ষিক সাধাৰণ সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**দুলীয়াজান, ২৫ ছেপ্টেম্বৰ ঃ** অইল ইণ্ডিয়া লিমিটেডৰ ৬৩ সংখ্যক বাৰ্ষিক সভা কালি ভাৰ্চুৱেলি অনুষ্ঠিত হয় বুলি অইলৰ সূত্ৰই সদৰী কৰিছে। ২০২১-২২ বিত্তীয় বৰ্ষৰ সময়ছোৱাত অইলে এতিয়ালৈকে সৰ্বাধিক কৰ পশ্চাদ লাভ ৩,৮৮৭.৩১ কোটি টকাৰ অভিলেখ গঢ়ে, যিটো বিগত বৰ্ষৰ তুলনাত ১২৩ শতাংশ বেছি। লগতে প্ৰতিটো শ্বেয়াৰত আয়ো যথেষ্ট বৃদ্ধি পাই ৩৫.৮৫ টকা হয়। বছৰটোত কোম্পানীৰ মুঠ আয় ১৬,৪২৮ কোটিও হৈছে এতিয়ালৈকে হোৱা সৰ্বোচ্চ আয় আৰু মুঠ কেপেক্স হয় ৪,৩৬৭ কোটি টকা যিটো ইয়াৰ লক্ষ্যৰ ১০৬ শতাংশ বুলি অইলে এক বিবৃতিযোগে সদৰী কৰিছে। ভাৰত চৰকাৰৰ উত্তৰ-পূব ভাৰতৰ হাইড্ৰ'কাৰ্বন ভিজন ২০৩০ৰ স'তে সংগতি ৰাখি আৰু আমদানি হ্ৰাস কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি অইল ইণ্ডিয়াই খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছৰ উৎপাদন যথেষ্ট বৃদ্ধিৰ বাবে মিছন চাৰি প্লাছৰ এক আকাংক্ষিত লক্ষ্যত উপনীত হৈছে। এই দিশত কোম্পানীটোৱে ২০২০-২১ৰ ২.৬৪২ বিচিএমৰ বিপৰীতে ২০২১-২২ বিত্তীয় বৰ্ষত ৩০৪৫ বিচিএম প্ৰাকৃতিক গেছ উৎপাদন কৰি আৰম্ভণিৰ পৰা এতিয়ালৈকে সৰ্বাধিক প্ৰাকৃতিক গেছৰ উৎপাদনৰ অভিলেখ সৃষ্টি কৰিছে। খাৰুৱা তেলৰ উৎপাদনৰ ক্ষেত্ৰতো ২০২০-২১ বিত্তীয় বৰ্ষৰ ২.৯৬৪ এমএমটিৰ তুলনাত ৩.০১০ এমএমটিলৈ বৃদ্ধি হয়। অ'এএলপিৰ অধীনত অধিগ্ৰহণ কৰা ৫৩,৮৫৯.২০ বৰ্গ কিলোমিটাৰ এক্ৰিয়েজকে ধৰি সমগ্ৰ ভাৰততে বিস্তৃত মুঠ ৬৩,০৯৭.৯ বৰ্গ কিলোমিটাৰ অন্বেষণ এক্ৰিয়েজৰ স'তে অইল ইণ্ডিয়াই অনাগত বছৰবোৰত এক ৰোমাঞ্চকৰ বৃদ্ধিৰ বক্ৰৰ শিখৰত উপনীত হৈছে। দ্বিতীয় আৰু তৃতীয় শ্ৰেণীৰ অৱবাহিকাত অন্বেষণ এক্ৰিয়েজৰ এই বৃদ্ধিৰ গতিপথে অইলক ভাৰতৰ অন্যান্য উচ্চ সম্ভাব্য অঞ্চললৈ নিজৰ স্থান সম্প্ৰসাৰণ কৰিবলৈ সক্ষম কৰি তুলিব। তেল উদ্যোগ প্ৰতিষ্ঠানটোৱে অসমত ভাৰতৰ প্ৰথমটো ৯৯.৯ শতাংশ বিশুদ্ধ হাইড্ৰ'জেন পাইলট প্ৰকল্পৰ কাম আৰম্ভ কৰিছে যিটো ভাৰতত গ্ৰীণ হাইড্ৰ'জেন অৰ্থনীতি বৃদ্ধিৰ দিশত অইলৰ প্ৰথম উল্লেখযোগ্য পদক্ষেপ। অইলৰ অধ্যক্ষ আৰু পৰিচালন সঞ্চালক ড° ৰঞ্জিত ৰথে বাৰ্ষিক সাধাৰণ সভাত কয় যে ৰাষ্ট্ৰীয় অগ্ৰাধিকাৰ, ভাৰত চৰকাৰৰ হাইড্ৰ'কাৰ্বন ভিজন আৰু জাতিটোৰ শক্তি নিৰাপত্তাৰ স'তে সংগতি ৰাখি অন্বেষণ এক্ৰিয়েজ আৰু খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছ উৎপাদনৰ বৃদ্ধি আৰু ক্ষিপ্ৰ কভাৰেজৰ বাবে নিজৰ অভিযানত অইল প্ৰতিশ্ৰুতিবদ্ধ বুলি বিবৃতিত উল্লেখ কৰিছে।

# চামগুৰিত শিলঘাট-ধিং সংযোগী মথাউৰি পকীকৰণৰ আধাৰশিলা স্থাপন প্ৰাক্তন মন্ত্ৰীৰ

অগ্ৰদূত বাৰ্তা

**চামগুৰি, ২৫ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ শিলঘাটৰ পৰা ধিং সংযোগী ব্ৰহ্মপুত্ৰৰ মথাউৰি পকীকৰণ আঁচনিৰ চামগুৰি বিধানসভা সমষ্টিৰ অধীনস্থ অংশৰ মথাউৰিটোৰ ভুৰবন্ধাৰ পৰা দক্ষিণ বেলগুৰিলৈকে ২.৭২৫ কিলোমিটাৰ অংশৰ পকীকৰণৰ কালি আধাৰশিলা স্থাপন কৰে প্ৰাক্তনমন্ত্ৰী তথা চামগুৰি সমষ্টিৰ বিধায়ক ৰকিবুল হুছেইনে। লোকনিৰ্মাণ বিভাগৰ কলিয়াবৰ আৰু চামগুৰি ক্ষেত্ৰীয় পথ সংমণ্ডলৰ অন্তৰ্গত মথাউৰিৰ ওপৰ পথছোৱা ২০২১-২২ বিত্তীয় বৰ্ষৰ আৰআইডিএফ-২৭ শিতানত নাবাৰ্ডৰ অৰ্থৰে নিৰ্মাণ কৰা হ'ব। মথাউৰিটোৰ ১২.৩৫০ কিলোমিটাৰৰ পৰা ১৫.০৭৫ কিলোমিটাৰলৈকে ২.৭২৫ কিলোমিটাৰ পথ ৭.৫ মিটাৰ বহলকৈ নিৰ্মাণ কৰিবলগীয়া পথটোৰ ব্যয় পাঁচ কোটি ৮৮ লাখ টকা ধাৰ্য কৰা হৈছে। কালি লোকনিৰ্মাণ বিভাগৰ জখলাবন্ধাৰ কাৰ্যবাহী অভিযন্তা বিমান তামুলী, চামগুৰি ক্ষেত্ৰীয় পথ সংমণ্ডলৰ সহকাৰী কাৰ্যবাহী অভিযন্তা পংকজ শৰ্মা, নগাঁৱৰ সহকাৰী অভিযন্তা জাকিৰ হুছেইন আৰু কংগ্ৰেছৰ দলীয় কৰ্মীৰ উপস্থিতিত বিয়লি ২-৩০ বজাত প্ৰথমে লাওখোৱাৰ দক্ষিণ বেলগুৰিত বিধায়ক হুছেইনে মথাউৰিৰ ওপৰত নিৰ্মাণ হ'বলগীয়া পথটোৰ আধাৰশিলা স্থাপন কৰে। উল্লেখ্য যে, বিগত পাঁচ বছৰত চামগুৰি বিধানসভা সমষ্টিৰ বিভিন্ন ৰাজপথ জৰ্জৰ-খহি উৰলি যোৱাৰ পাছত বৰ্তমান সমষ্টিটোৰ বিভিন্ন ৰাজপথৰ উন্নয়ন নামিছে প্ৰাক্তন মন্ত্ৰী তথা চামগুৰি সমষ্টিৰ বিধানকজনে।

# নাহৰকটীয়া মহাবিদ্যালয়ত ৰামপ্ৰসাদ চলিহা স্মাৰক বক্তৃতামালা সম্পন্ন



অগ্ৰদূত বাৰ্তা

**নাহৰকটীয়া, ২৫ ছেপ্টেম্বৰ ঃ** অসমীয়া সত্তাৰ বিকাশ ঃ ঐতিহাসিক অৱলোকন শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰে নিৰন্ধকাৰ ময়ূৰ বৰাই। নাহৰকটীয়া মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ বিশিষ্ট শিক্ষাবিদ স্বৰ্গীয় ৰামপ্ৰসাদ চলিহাৰ স্মৃতিত মহাবিদ্যালয় পৰিয়ালে প্ৰতিবছৰে আয়োজন কৰা স্মাৰক বক্তৃতাৰ চলিত বৰ্ষৰ 'অসমীয়া সত্তাৰ বিকাশ' ঐতিহাসিক অৱলোকন' শীৰ্ষক বিষয়ত বক্তব্য ৰাখি বিশিষ্ট চিন্তাবিদজনে অসমীয়া সত্তাৰ বিকাশত শংকৰীয়া যুগৰ পৰা আধুনিক যুগলৈকে অৰিহণা আগবঢ়াই যোৱা প্ৰতিগৰাকী প্ৰাতঃস্মৰণীয় ব্যক্তিৰ বিষয়ে প্ৰায় এঘণ্টা সময় তথ্যসমৃদ্ধ বক্তব্য প্ৰদান কৰি সকলোকে সন্মোহিত কৰি তোলে। উল্লেখ্য যে অধ্যাপক ড° ধীৰাজ কুমাৰ দাস আৰু ড° স্বপ্নালী বৰাই আঁত ধৰা অনুষ্ঠান আৰম্ভ কৰা হয় মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি বিশিষ্ট শিক্ষাবিদ তুলসী মহন্তই কৰা বন্তি প্ৰজ্বলন, বিশিষ্ট সমাজসেৱিকা,-লেখিকা পূৰ্ণিমা চলিহাই ৰামপ্ৰসাদ চলিহাৰ প্ৰতিচ্ছবিত কৰা বন্তি প্ৰজ্বলন আৰু কাৰ্তিক তাঁতীয়ে ৰঘুৰা তাঁতীৰ প্ৰতিচ্ছবিত কৰা বন্তি প্ৰজ্বলন কাৰ্যসূচীৰে। নাহৰকটীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জ্যোতিপ্ৰসাদ কোঁৱৰে আদৰণি ভাষণ আগবঢ়োৱা এই অনুষ্ঠানতে নাহৰকটীয়া মহাবিদ্যালয়ৰ মহিলা অধ্যয়ন কোষৰ উদ্যোগত আৰু ড° জ্যোতিৰেখা গগৈৰ সম্পাদনাত অসমৰ বিভিন্ন ক্ষেত্ৰৰ নাৰীসকলৰ তথ্য সম্বলিত গ্ৰন্থ 'উদ্দীপ্তা' আনুষ্ঠানিকভাৱে তুলসী মহন্তই উন্মোচন কৰাৰ লগতে অসমীয়া বিভাগৰ জোনাকী চ'ৰাৰ উদ্যোগত প্ৰকাশ কৰা হাতে লিখা আলোচনী 'এষণা' আনুষ্ঠানিকভাৱে উন্মোচন কৰে ময়ূৰ বৰাই। লক্ষ্যণীয় যে এই অনুষ্ঠানতে সদ্যঘোষিত স্নাতক চূড়ান্ত যাণ্মাসিকৰ পৰীক্ষাত মহাবিদ্যালয়খনৰ ভিতৰত সৰ্বোচ্চ নম্বৰ পাই উত্তীৰ্ণ হোৱা আলবেন কিচকুক ৰামপ্ৰসাদ চলিহাৰ স্মৃতিত তেওঁৰ পত্নী আৰু পৰিয়ালবৰ্গৰ তৰফৰ পৰা সম্বৰ্ধনা পত্ৰ, গ্ৰন্থৰ টোপোলা, কলম আৰু নগদ ধনেৰে সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে মহাবিদ্যালয়ৰ পৰা একেটা পৰীক্ষাত ছাত্ৰীসকলৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সৰ্বোচ্চ নম্বৰ লাভ কৰা ছাত্ৰ এগৰাকীকো সম্বৰ্ধনা জ্ঞাপন কৰা হয়। প্ৰণিধানযোগ্য যে ইয়াৰ পাছতেই অনুষ্ঠিত দ্বিতীয় সত্ৰত অসমীয়া ভাষা আন্দোলনৰ সহযাত্ৰী তথা অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহকৰ প্ৰথমজন চাহ জনগোষ্ঠীয় প্ৰতিনিধি ৰঘুৰা তাঁতীৰ স্মৃতিত আয়োজন কৰা 'বিংশ শতিকাৰ ৬০ দশকৰ ভাষা আন্দোলনঃ ৰঘুৰা তাঁতীৰ অৱদান' শীৰ্ষক বিষয়ত বক্তব্য ৰাখে আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বাঁহ শিল্পী ত্ৰিদিব মহন্তই, য'ত তেওঁ ভাষা আন্দোলনৰ সময়ত ৰঘুৰা তাঁতীৰ নেতৃত্বতে অসমৰ সমূহ চাহ জনগোষ্ঠীয়ে তেওঁলোকৰ মাতৃভাষা অসমীয়া বুলি কৈ কিদৰে অসমীয়া ভাষাক জীয়াই ৰাখিবলৈ সক্ষম হৈছিল তাৰ তথ্য দাঙি ধৰে। মনকৰিবলগীয়া যে অধ্যাপক ড° অনন্ত বৰুৱাই শলাগৰ শৰাই জ্ঞাপন কৰা আৰু অসমৰ জাতীয় সংগীতেৰে সামৰণি পেলোৱা অনুষ্ঠানটোত বৰগীত, সত্ৰীয়া নৃত্য আৰু ঝুমুৰ নৃত্যও পৰিবেশন কৰা হয়।

# পৌৰসভাৰ সদস্য-পৌৰ ঠিকাদাৰৰ দুৰ্নীতিৰ অভিযোগ

**■নিবিদাৰ আঠ মাহৰ পাছতো আৰম্ভ নকৰিলে কাম ■অভিযন্তাৰ বিপক্ষে অভিযোগ সদস্যৰ**





মৰিগাঁও দুৰ্গা পূজাৰ সোণালী জয়ন্তী বৰ্ষ উপলক্ষে মহালয়াৰ শোভাযাত্ৰা।

অগ্ৰদূত বাৰ্তা

**হোজাই, ২৫ ছেপ্টেম্বৰ ঃ** হোজাই পৌৰসভাৰ ৩৬ লাখ টকাৰ আঁচনিত নিবিদা পোৱাৰ আঠ মাহ উকলি যোৱাৰ পাছতো কাম আৰম্ভ নকৰাৰ অভিযোগ উঠিছে এজন ঠিকাদাৰ তথা পৌৰসভাৰ সদস্যৰ বিপক্ষে। হোজাইৰ পৌৰসভাৰ অধীনৰ আদৰ্শ বজাৰত ৩৬ লাখ টকাৰ ব্যয় সাপেক্ষে ডাম্পিং গ্ৰাউণ্ড নিৰ্মাণৰ কামত ঠিকাদাৰ মৃদুল শইকীয়াৰ বিপক্ষে বিস্ফোৰক অভিযোগ পৌৰনেত্ৰী আৰু অভিযন্তাৰ। হোজাইৰ পৌৰসভাৰ গাৰ্বেজ জমা কৰা বাবে অনুমোদন দিয়া হৈছিল এই আঁচনিৰ নিবিদা। এই আঁচনিৰ নিবিদা লাভ কৰা পৌৰসভাৰ সদস্য তথা ঠিকাদাৰজনে আজিকোপতি কাম আৰম্ভ নকৰাত ঠিকাদাৰজন সমালোচনাৰ সন্মুখীন হৈছে। চলিত বৰ্ষৰ ২৫ জানুৱাৰীত অনুমোদন হোৱা আঁচনিৰ ছয় মাহ উকলি যোৱাৰ পাছতো ঠিকাদাৰজনে কাম আৰম্ভ নকৰাত এতিয়া প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। নিবিদা মতে ঠিকাদাৰে ছয় মাহৰ ভিতৰত কাম সম্পূৰ্ণ কৰিব লাগিছিল কিন্তু প্ৰায় ছয় মাহ উকলি যোৱাৰ পাছতো ডাম্পিং গ্ৰাউণ্ডৰ কাম নকৰাৰ অভিযোগ। ইফালে, আজি এক সংবাদমেলত হোজাই পৌৰসভাৰ ১৮ নম্বৰ ৱাৰ্ডৰ ৱাৰ্ড কমিছনাৰৰ তথা পৌৰসভাৰ অন্তৰ্গত ডাম্পিং গ্ৰাউণ্ড নিৰ্মাণক কেন্দ্ৰ কৰি ৱাৰ্ড কমিছনাৰ তথা ঠিকাদাৰ মৃদুল শইকীয়াৰ বিৰুদ্ধে উত্থাপিত অভিযোগ সন্দৰ্ভত আজি তেওঁ নিজ বাসগৃহত এক সংবাদমেলযোগে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। ৱাৰ্ড কমিছনাৰ মৃদুল শইকীয়াই তেওঁৰ বিপক্ষে উত্থাপিত সকলো অভিযোগ অস্বীকাৰ কৰে। উল্লেখ্য যে কোনো পৌৰসভাৰ কৰ্মী তথা পৰিয়ালৰ লোকে ঠিকা ল'ব নোৱাৰে পৌৰসভাৰ পৰা, কিন্তু ৱাৰ্ড কমিছনাৰ শইকীয়াই পৌৰসভাত দায়িত্ব লোৱাৰ পূৰ্বেই নিবিদাযোগে লাভ কৰিছিল ৩৬ লাখ টকাৰ ঠিকা। আন অভিযোগ ন মাহ সময় পাৰ হৈ যোৱাৰ পাছতো কাম আৰম্ভ কৰা নাই ঠিকাদাৰ শইকীয়াই যদিওবা ঠিকা পোৱাৰ ছয় মাহ মানতেই কাম সম্পূৰ্ণ কৰাৰ নিয়ম তেওঁ এই অভিযোগ মিছা বুলি মন্তব্য কৰি বিভাগীয় অভিযন্তা অসীম সেনগুপ্তাই সময় মতে কামৰ নিৰ্দিষ্ট ঠাই আৰু আৰ্হি নিদিয়াৰ বাবে সময় মতে আৰম্ভ কৰিব নোৱাৰাৰ কথা সংবাদ মাধ্যমত সদৰী কৰিলে ৱাৰ্ড কমিছনাৰ তথা ঠিকাদাৰ শইকীয়াই। কিন্তু বৰ্তমানে পৌৰসভাৰ পৰা কোনো জাননী নোপোৱাকৈ কাম বন্ধ আৰু কাৰণ দৰ্শোৱাৰ জাননী প্ৰেৰণ কৰিছে ঠিকাদাৰ শইকীয়ালৈ বুলি মন্তব্য কৰে। তেওঁৰ বিপক্ষে উঠা অভিযোগ ৱাৰ্ড কমিছনাৰ তথা ঠিকাদাৰ শইকীয়াই সংবাদমেলযোগে মিছা বুলি সদৰী কৰে।

# দুৰ্ঘটনাত সুলভ মূল্যৰ ব্যৱসায়ীৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**হোজাই, ২৫ ছেপ্টেম্বৰ ঃ** হোজাই জিলাৰ খাদ্য আৰু যোগান বিভাগৰ অন্তৰ্গত হোজাই চহৰৰ সাত নম্বৰ ৱাৰ্ডৰ সুলভ মূল্যৰ ব্যৱসায়ী সুজিত ভৌমিক ওৰফে শংকু ভৌমিক (৫০) চাৰিদিন পূৰ্বে পথ দুৰ্ঘটনাত পতিত হৈ চিকিৎসাধীন অৱস্থাত যোৱা ২৩ ছেপ্টেম্বৰত নিশা গুৱাহাটীৰ জিএনআৰচি হাস্পতালত মৃত্যু হয়। উল্লেখ্য যে যোৱা মঙলবাৰে হোজাই বজাৰৰ পৰা গোবিন্দপল্লীৰ নিজৰ ঘৰলৈ গৈ থকাৰ সময়ত হোজাই লালপট্টি অঞ্চলত এজন বৃদ্ধ চাইকেল আৰোহীক বচাবলৈ গৈ নিজেই মটৰ চাইকেলৰ পৰা পৰি মূৰত আঘাত পাই অচেতন হৈ পৰিছিল ভৌমিক। ততালিকে হোজাই হাম্ চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও চিকিৎসকে উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে। মৃত্যুৰ সময়ত পত্নীসহ এগৰাকী কন্যা আৰু পুত্ৰ লগতে বহু গুণমুগ্ধক এৰি যায়। আজি যুৱ ব্যৱসায়ীজনৰ মৃতদেহ হোজাইস্থিত বাসভৱনলৈ অনাৰ লগে লগে কে'বা শতাধিক লোক উপস্থিত হোৱাৰ লগতে যোগান বিভাগৰ হোজাইৰ পৰিদৰ্শক মনোজ বৰাৰ লগতে বিভাগীয় বিষয়াসকলে উপস্থিত হৈ শান্তিবন শ্মশানত শেষকৃত্য সম্পন্ন কৰে। বিভাগীয় কাম-কাজ স্বচ্ছভাৱে চলাই যোৱা সুলভ মূল্যৰ দোকানৰ ব্যৱসায়ীজনৰ মৃত্যুত হোজাইৰ বিধায়ক ৰামকৃষ্ণ ঘোষৰ লগতে হোজাই চহৰ সুলভ মূল্য ব্যৱসায়ী সন্থা, হোজাই জিলা ব্যৱসায়ী সন্থ, হোজাই গোবিন্দ আশ্ৰমৰ লগতে বিভিন্ন সংঘৰ লগত জড়িত থকা সদস্যসকলে শোক প্ৰকাশ কৰে।

# কলিতা জনগোষ্ঠীৰ বিহপুৰীয়া শাখা সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**বিহপুৰীয়া, ২৫ ছেপ্টেম্বৰ ঃ** বিহপুৰীয়া নগৰ অঞ্চলত বসবাস কৰি থকা কলিতা জনগোষ্ঠীৰ লোকসকলক সামৰি যোৱা ২২ ছেপ্টেম্বৰত নগৰখনৰ আঠ নম্বৰ ৱাৰ্ডত এখন প্ৰতিনিধিমূলক সভা অনুষ্ঠিত হয়। শিক্ষাবিদ গোলাপ শইকীয়াই আঁত ধৰা সভাখনত সভাপতিত্ব কৰে শিক্ষাবিদ অনিল কাকতিয়ে। সমাজকৰ্মী অনিল বৰুৱাই উদ্দেশ্য ব্যাখ্যা কৰা সভাত অসম কলিতা জনগোষ্ঠী সন্মিলনৰ লখিমপুৰ জিলা সমিতিৰ সভাপতি অৱসৰপ্ৰাপ্ত শিক্ষক চন্দ্ৰনাথ শইকীয়াই বিশিষ্ট অতিথিৰ ভাষণ ৰাখি কলিতা জনগোষ্ঠীৰ ইতিবৃত্ত সম্পৰ্কে বহল ব্যাখ্যা কৰি কেন্দ্ৰীয় আৰু লখিমপুৰ জিলা সমিতিৰ সাংগঠনিক দিশৰ বিষয়ে উল্লেখ কৰে। সভাত অসমৰ অন্যতম জনগোষ্ঠীয় সন্মিলন 'অসম কলিতা জনগোষ্ঠী সন্মিলন'ৰ এটি শাখা গোট বিহপুৰীয়াত গঠন কৰাৰ সন্দৰ্ভত সৰ্বসন্মত সিদ্ধান্ত কৰা হয়। এই সন্দৰ্ভত বীৰেণ শইকীয়াক সভাপতি, অনিল বৰুৱাক কাৰ্যকৰী সভাপতি, প্ৰবীণ কুমাৰ হাজৰিকাক উপ-সভাপতি, দেবানন্দ বৰুৱাক সম্পাদক, হৰেণ বৰা আৰু নয়নজ্যোতি কলিতাক সহকাৰী সম্পাদক, গোলাপ শইকীয়াক জিলা প্ৰতিনিধি হিচাপে লৈ ২১ জনীয়া সদস্যৰে অসম কলিতা জনগোষ্ঠী সন্মিলনৰ বিহপুৰীয়া শাখা সমিতিখন গঠন কৰা হয়।

# মঙলদৈৰ ৰাজপথত চাকৰি হেৰুওৱা অ'বিবি শিক্ষকৰ অভিনৱ প্ৰতিবাদ

বিশেষ সংবাদদাতা


**মঙলদৈ, ২৫ ছেপ্টেম্বৰ ঃ** মঙলদৈ চহৰস্থ ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পদপথত অভিনৱ প্ৰতিবাদ। ১৯৯৯ত শিক্ষকতাৰ চাকৰি লাভ কৰি ২০১২ত চাকৰি হেৰুৱাই দিশহাৰা হয় কুলেন কলিতা নামৰ শিক্ষকজন। যাৰ বাবে সপৰিয়ালে আত্মজাহ দিয়াৰ ভাবুকি দিছে। যোৱা ২৩ ছেপ্টেম্বৰত পত্নী আৰু কণমানি সন্তানৰ স'তে মঙলদৈৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ সন্মুখৰ পদপথত বহি প্ৰতিবাদ সাব্যস্ত কৰে কলিতাই। উল্লেখ্য যে ১৯৯৯ত নিযুক্তিপ্ৰাপ্ত দৰঙৰ প্ৰায় ২৫০ৰো অধিক শিক্ষকে চাকৰি হেৰুৱাই দিক্‌ভ্ৰান্ত হৈ পৰিছে। ১২ টা বছৰে সুকলমে শিক্ষকতা কৰাৰ পাছত হঠাৎ চাকৰি হেৰুৱাইছিল এইসকল শিক্ষকে। এতিয়া এইসকল শিক্ষকৰ পৰিয়ালৰ ঘৰ নচলা অৱস্থা হৈ এক হাহকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। এইসকলৰ অন্যতম কলিতাই পৰিয়ালক পোহপাল দিবলৈ সামৰ্থ্য হেৰুৱাই এতিয়া মঙলদৈ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত পৰিয়ালৰ স'তে প্ৰতিবাদত নামি পৰিছে। এবাৰ হ'লেও মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰিব বিচাৰিছে বঞ্চিত শিক্ষকজনে। প্ৰতিবাদী শিক্ষকৰ পৰিয়ালটোৱে মঙলদৈ ৰাজহ চক্ৰ বিষয়াৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। মুখ্যমন্ত্ৰীয়ে তেওঁৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাব বুলি তেওঁ আত্মবিশ্বাসী।

# ফৰকাটিং শাখা কবি সন্মিলনৰ দ্বি-বাৰ্ষিক অধিবেশন সম্পন্ন

অগ্ৰদূত বাৰ্তা

**ফৰকাটিং, ২৫ ছেপ্টেম্বৰ ঃ** ফৰকাটিং অমৰজ্যোতি ক্লাবত যোৱা ২২ ছেপ্টেম্বৰত দিনজোৰা কাৰ্যসূচীৰে ফৰকাটিং শাখা কবি সন্মিলনৰ দ্বি-বাৰ্ষিক অধিবেশন সম্পন্ন হয়। অধিবেশনৰ লগত সংগতি ৰাখি গণবন্ধু হেমেন চন্দ্ৰ হাজৰিকা সোঁৱৰণত কবি সন্মিলন অনুষ্ঠিত হয়। অধিবেশনৰ পুৱা পতাকা উত্তোলন কৰে ফৰকাটিং কবি সন্মিলনৰ সভাপতি দুগ্ধ দত্তই। গণবন্ধু হেমেন হাজৰিকাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে ফৰকাটিং কবি সন্মিলনৰ কাৰ্যকৰী সভাপতি ড° যতীন নাথে। উল্লেখ্য যে বিয়লি ফৰকাটিং শাখা কবি সন্মিলনৰ সভাপতি দুগ্ধ দত্তৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ফৰকাটিং শাখা কবি সন্মিলনৰ সম্পাদক নৰেন শইকীয়াই। বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে গোলাঘাট জিলা কবি সন্মিলনৰ উপদেষ্টা ৰাজুমণি বেজবৰুৱা, গোলাঘাট জিলাৰ সাহিত্য সভাৰ প্ৰতিষ্ঠাক সম্পাদক কুমুদ কোঁৱৰ, স্থানীয় কাব্যপ্ৰেমী ৰাইজ উপস্থিত থাকে। উক্ত সভাতেই ফৰকাটিং কবি সন্মিলনৰ নতুন সমিতিখন গঠন কৰা হয়। সমিতিখন ক্ৰমে সভাপতি নৰেন শইকীয়া, সম্পাদিকা ৰূপালী দত্ত, সহকাৰী সম্পাদকদ্বয় লুকুমণি হাজৰিকা আৰু পৰাগ বৰুৱাক লৈ ২৩ জনীয়া এখন সমিতি গঠন কৰা হয়। সভাৰ শেষত অধিবেশনত উপস্থিত থকা কবিসকলে ড° যতীন নাথৰ সঞ্চালনাত গণবন্ধু হেমেন হাজৰিকাৰ সোঁৱৰণত অনুষ্ঠিত কবি সন্মিলনত স্বৰচিত কবিতা পাঠ কৰে।

# চিৰাঙত চিআৰপিএফৰ অমৃত মহোৎসৱৰ মেগা ৰক্তদান শিবিৰ



অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ২৫ ছেপ্টেম্বৰ ঃ** চিৰাং জিলাৰ ঢালিগাঁৱৰ নিকটৱৰ্তী কুকুৰমাৰীস্থিত চিআৰপিএফৰ ১৫৬ নম্বৰ বেটেলিয়নৰ মুখ্য কাৰ্যালয়ত কালি শনিবাৰে অমৃত মহোৎসৱ ৰক্তদান কাৰ্যসূচীৰ অধীনত মেগা ৰক্তদান শিবিৰৰ আয়োজন কৰা হয়। ৰক্তদান শিবিৰত চিআৰপিএফৰ ১৫৬ বেটেলিয়নৰ কমাণ্ডেন্ট ওম প্ৰকাশ টোকাসৰ উপস্থিতিত উক্ত মেগা ৰক্তদান শিবিৰত চিআৰপিএফৰ জোৱানৰ লগতে বিষয়া-কৰ্মচাৰীসকলে ৰক্তদান কৰে। বঙাইগাঁও অসামৰিক চিকিৎসালয়ৰ সহযোগত অনুষ্ঠিত অমৃত মহোৎসৱ ৰক্তদান কাৰ্যসূচীত মুঠ ৫৬ গৰাকী ৰক্তদাতাই ৫৬ ইউনিট ৰক্তদান কৰে। পাছত চিআৰপিএফৰ এই ৰক্তদান শিবিৰৰ ৰক্তসমূহ বঙাইগাঁও অসামৰিক চিকিৎসালয়ৰ ৰক্ত ভাণ্ডাৰত দিয়াৰ ব্যৱস্থা কৰা হয়।

# চফ্ৰাইড বিনামূলীয়া চকু চিকিৎসা শিবিৰ সম্পন্ন

অগ্ৰদূত বাৰ্তা

**মাহমৰা, ২৫ ছেপ্টেম্বৰ ঃ** সদৌ অসম গ্ৰাম্য ঔষধ ব্যৱসায়ী সন্থাৰ চৰাইদেউ জিলা সমিতিৰ উদ্যোগত চফ্ৰাই ৰাজহুৱা প্ৰেক্ষাগৃহত কালি এক বিনামূলীয়া চকু চিকিৎসা শিবিৰ অনুষ্ঠিত হয়। গ্ৰাম্য ঔষধ ব্যৱসায়ী সন্থাৰ কেন্দ্ৰীয় সভাপতি ৰাতুল শৰ্মাই মুকলি কৰা চিকিৎসা শিবিৰটোত চিকিৎসা আগবঢ়াই শিৱসাগৰ ইআৰচি চকু চিকিৎসা প্ৰতিষ্ঠানৰ ডাঃ যুটিকা শইকীয়াই। তেওঁক সহযোগিতা কৰে ৰাজা কোঁৱৰ, দীপাংকৰ বৰুৱা আৰু পাল্কু কোঁৱৰে। সন্থাৰ কেন্দ্ৰীয় সমিতিৰ শ্যামল মহন, দীপেন মহন, সমাজকৰ্মী ৰতন গুপ্তা, দীপক মল্লিক আদি উপস্থিত থাকি চিকিৎসা শিবিৰটো পৰিচালনাত সহযোগিতা আগবঢ়ায়। উল্লেখ্য যে চকু চিকিৎসা শিবিৰটোত অঞ্চলটোৰ দুই শতাধিক লোকে চকু চিকিৎসা সেৱা গ্ৰহণ কৰে বুলি গ্ৰাম্য ঔষধ ব্যৱসায়ী সন্থাৰ জিলা সমিতিৰ সভাপতি সূৰুজ গগৈ আৰু সম্পাদক সুভাষ বড়াই জানিবলৈ দিয়ে।

# ধুবুৰীত ধৃত চিলনী চোৰ

**ধুবুৰী, ২৫ ছেপ্টেম্বৰ ঃ** ধুবুৰীৰ এনএছ ৰোডত এজন চিলনী চোৰে সন্ত্ৰাস চলাই থকা অৱস্থাত ৰাইজে আটক কৰি আৰক্ষীক গতাই দিয়ে। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, পশ্চিমবংগৰ পৰা আহি ধুবুৰীত দীৰ্ঘদিনৰ পৰা বাহৰ পাতি চহৰখনত চিলনী চোৰজনে সন্ত্ৰাস চলাই গৈছিল। কালি দক্ষিণ শালমাৰাৰ কলাবাৰী ১৪৪৫ নম্বৰ জেবি স্কুলৰ আন্তঃগাঁথনি কামৰ টকা শিক্ষয়িত্ৰী মইনা খাতুনে ধুবুৰী চহৰৰ এটা বংকৰ পৰা তিনিলাখ টকা উঠাই ঘৰমুৱা হওতে ধুবুৰী চহৰৰ এনএছ ৰোডত চিলনী চোৰজন হাতৰ পৰা থাপ মাৰি বেগটো কাঢ়ি লৈ যায়। পাছত মহিলাগৰাকীয়ে চিঞৰ-বাখৰ কৰাত স্থানীয় ৰাইজে চিলনী চোৰজনক ধৰি উত্তম-মধ্যম দি ধুবুৰী আৰক্ষীক গতাই দিয়ে। আটকাধীন চোৰজনক আৰক্ষীয়ে ধুবুৰী সদৰ আৰক্ষী থানালৈ লৈ আনে আৰু চোৰজন কোচবিহাৰ জিলাৰ ছমিৰ শ্বাহ বুলি জানিবলৈ দিয়ে। অধিক তথ্যৰ বাবে আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে।

# বিমানকোঠত হাউছ কিপিং পযেকৰ সফল সামৰণি



অগ্ৰদূত বাৰ্তা

**আজাৰা, ২৫ ছেপ্টেম্বৰ ঃ** বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানকোঠত কালি আন্তঃৰাষ্ট্ৰীয় হাউছ-কিপিং পযেকৰ সফল সামৰণি পৰে। যোৱা ১২ ছেপ্টেম্বৰত বন্তি প্ৰজ্বলনৰে আৰম্ভ হোৱা অনুষ্ঠানত যোৱা ২৫ বছৰ ধৰি কৰ্মৰত হৈ থকা প্ৰায় ২৫জন জ্যেষ্ঠ কৰ্মচাৰীক সম্বৰ্ধনা জনোৱা হয়। লগতে অনুষ্ঠানৰ লগত সংগতি ৰাখি, বিভিন্ন ধৰণৰ মনোৰঞ্জনমূলক খেল-ধেমালিৰ আয়োজন কৰা হয়। অনুষ্ঠানত ভাষণ দি মুখ্য বিমানকোঠ বিষয়া উৎপল বৰুৱাই হাউছ-কিপিং বিমানকোঠৰ এক অবিচ্ছেদ্য বিভাগ বুলি উল্লেখ কৰি বিমানকোঠৰ লগতে তেওঁলোকৰ প্ৰত্যক্ষ সম্বন্ধ আছে বুলি কয়। তেওঁলোকৰ পৰিশ্ৰম আৰু সেৱাই বিমানকোঠক এক অন্যান্য মৰ্যদা প্ৰদান কৰাই নহয় পৰৱৰ্তী সময়ত তেওঁলোকৰ সেৱাই বিমানকোঠক গৌৰৱান্বিত কৰি যাব বুলি আশা কৰে।

# উত্তৰ গুৱাহাটীত ৩০খন পূজা মণ্ডপত পূজাৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**উত্তৰ গুৱাহাটী, ২৫ ছেপ্টেম্বৰ ঃ** শাক্ত ধৰ্মাৱলম্বী লোকৰ প্ৰাণৰ উৎসৱ তথা আৰাধ্যা দেৱী দুৰ্গাৰ আগমনক লৈ এতিয়া উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে সমগ্ৰ ৰাজ্যত। পূজালৈ মাজত কেইটামান দিন বাকী থকা সময়ত উত্তৰ গুৱাহাটী আৰু আমিনগাঁৱতো উৎসৱমুখৰ পৰিৱেশ বিৰাজ কৰিছে। ক'ভিড মহামাৰীৰ বাবে বিগত দুটা বৰ্ষত উৎসৱ, পূজা-পাৰ্বণৰ পৰিৱেশ ম্লান হৈ পৰাৰ পাছত এইবেলি দুগুণ উৎসাহেৰে দেৱী দুৰ্গাক আহ্বানৰ প্ৰস্তুতি চলিছে। এইবেলি আমিনগাঁৱত ১৫খন পূজা মণ্ডপ আৰু উত্তৰ গুৱাহাটীত ১৫খন পূজা মণ্ডপ পূজাৰ বাবে সাজু হৈছে। উত্তৰ গুৱাহাটী ৰজাদুৱাৰৰ ন-গোঁসাই পৰিয়ালৰ পূজা ভাগেই সৰ্বপ্ৰথম দুৰ্গা পূজা বুলি কোৱা হয়। প্ৰায় শতিকা গৰকা ব্যক্তিগত দুৰ্গা পূজা আজিও গোসাঁই পৰিয়ালে কৰি আহিছে। পাছলৈ ৰংমহলতো ৰাজহুৱা দুৰ্গা পূজা কৰিবলৈ লয়। ইয়াৰ পাছত ১৯৪৭ত গড়মূৰ সত্ৰ পাছলৈ মধ্যম খণ্ড স্থায়ী মন্দিৰত উত্তৰ গুৱাহাটী বাৰোৱাৰী দুৰ্গা পূজা সমিতিয়ে পূজা অনুষ্ঠিত কৰি আহিছে। মধ্যম খণ্ড পূজা মণ্ডপ উত্তৰ গুৱাহাটীৰ ভিতৰতে আকৰ্ষণৰ কেন্দ্ৰ বিন্দু। বিজয়া দশমীৰ আতচবাজীৰ মায়াময় পৰিৱেশ আন এক আকৰ্ষণ। দুৰ্গা পূজা পৰিচালনাৰ বাবে গিতিশ দাসক সম্পাদক আৰু প্ৰাণশ্বেৰ শৰ্মাক সভাপতি নিৰ্বাচিত কৰা হয়। স্থায়ী প্ৰতিমা ৰাৱণ দাহন পৰ্বই হেজাৰ হেজাৰ লোকৰ সমাৱেশ ঘটাই আহিছে মধ্যমখণ্ডত। এইবেলি ৰাৱণ দাহৰ বাবে স্থায়ী ৰাৱণ মূৰ্তিৰ আৰ্হি প্ৰস্তুত কৰিবলৈ লৈছে। প্ৰায় ৮০ ফুট উচ্চতাৰ ৰাৱণৰ প্ৰতিমূৰ্তিৰ নিৰ্মাণৰ বাবে ইতিমধ্যে কাম আগবাঢ়িছে। ৰাৱণ দাহনৰ সমান্তৰালকৈ সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰিছে। উত্তৰ গুৱাহাটী লেঙা আঞ্চলিক দুৰ্গা পূজা উদ্‌যাপন সমিতিৰ উদ্যোগত দুৰ্গা পূজা উদ্‌যাপনৰ প্ৰস্তুতি চলিছে। সভাপতি মণ্টুৰাম দাস আৰু সম্পাদক অমল তামুলীক লৈ পৰিচালনা সমিতি গঠন কৰিছে। ভিন্নৰঙী সাংস্কৃতিক অনুষ্ঠান, ওজাপালি, নাগাৰা নাম, ধৰ্মীয় পৰম্পৰা লোকাচাৰেৰে পূজাভাগ অনুষ্ঠিত হ'ব। আমিনগাঁও আইচিডিৰ দুৰ্গা পূজা মণ্ডপ অঞ্চলটোৰ ভিতৰতে আকৰ্ষণীয় ৰূপত অনুষ্ঠিত হৈ আহিছে। অযোধ্যাৰ ৰাম মন্দিৰৰ হুবহু আৰ্হিৰে মণ্ডপ সাজি মহানগৰীৰ ভিতৰতে চৰ্চাৰ বিষয় হৈ পৰা আইচিডি মহামিলন ক্লাবে এইবেলি ডেৰলাখ টকা ব্যয়েৰে তামিলনাডুৰ এটি শিৱ মন্দিৰৰ আৰ্হি প্ৰস্তুত কৰিছে। মহামিলন পৰিচালনাৰ বাবে ভাস্কৰ বৰ্মনক সম্পাদক আৰু বিষ্ণু সোনাৰক সভাপতি নিৰ্বাচিত কৰা হৈছে। উত্তৰ গুৱাহাটীৰ উল্লেখনীয় পূজা মণ্ডপৰ ভিতৰত ৰংমহল পূজা মণ্ডপ, বেটেলিয়ন কেম্প, মণিকৰ্ণেশ্বৰ, শিল সাঁকো, কলেজ চ'ক গৌৰীপুৰ, মাজগাঁও, ঘোঁৰামাৰা, ফেকাল্টি গেট, আমিনগাঁৱৰ ইষ্ট কল'নী, শ্ৰীনাথ পট্টি, মধ্যমবস্তি, এছপি অফিচ, এপিডিচিএল অফিচ, কালবাৰী, মৰিয়াপট্টিত দুৰ্গা পূজা সম্পূৰ্ণ আধ্যাত্মিক পৰিৱেশত উদ্‌যাপিত হ'ব।

# নতুন কথা, নতুন চিন্তা কৰা সাহসীজন আচল মানুহ

**■ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাত হিমাংশু প্ৰসাদ দাস ■আজিৰ শিক্ষা ব্যৱস্থাই সমাজ, জাতিক আগুৱাই নিব পৰা মানুহৰ জন্ম দিব নোৱাৰে**

অগ্ৰদূত বাৰ্তা

**সৰুপেটা, ২৫ ছেপ্টেম্বৰ ঃ** 'আজিৰ দিনত নতুন, পুৰণি বুলি কোনো কথা নাই। নতুন হ'লেই, আজিৰ হ'লেই নহ'ব। চিন্তাহে মূল কথা। নতুন কথা, নতুন চিন্তা কৰাৰ যাৰ সাহস আছে তেওঁ আচল মানুহ, আচল নতুন।' এইদৰে কয় অভিনেতা, নাটক-চলচ্চিত্ৰ পৰিচালক, কবি তথা শেহতীয়াভাৱে বহুল চৰ্চিত 'বুলু ফিল্ম'ৰ নিৰ্মাতা হিমাংশু প্ৰসাদ দাসে। কালি ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাত অংশগ্ৰহণ কৰি দাসে বিজ্ঞানী গেলিলিওৰ আৱিষ্কাৰৰ উদাহৰণ দি শিক্ষাৰ্থীসকলক নতুন, সুস্থ-সবল চিন্তাৰে সাহসিকতাৰে নিজক প্ৰতিষ্ঠা কৰি সামাজিক দায়বদ্ধ হ'বলৈ আহ্বান জনায়। লগতে দাসে তেওঁৰ স্বৰচিত কবিতা আবৃত্তি কৰে। সভাৰ আন এগৰাকী নিৰ্দিষ্ট বক্তা অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক বিজন বায়নে 'আজিৰ শিক্ষা ব্যৱস্থাই এগৰাকী উচ্চ পদস্থ বিষয়াৰ জন্ম দিব পাৰিলেও সমাজ, জাতিক আগুৱাই নিব পৰা, সমাজত ৰাজনৈতিক সুস্থিৰতা আনিব পৰা মানুহৰ জন্ম দিব নোৱাৰে। কাৰণ আজিৰ শিক্ষা ব্যৱস্থাই মূল্যবোধৰ শিক্ষা দিব পৰা নাই বুলি সমালোচনা কৰে। 'চৰকাৰী শিক্ষা ব্যৱস্থাত থকা কেৰোণৰ ফলশ্ৰুতিত ব্যক্তিগত শিক্ষানুষ্ঠানৰ আগ্ৰাসন হৈছে' বুলি কৈ শিক্ষাৰ্থীক সৃষ্টিশীল মানসিকতাৰে নিজৰ দেশ-জাতিক আগুৱাই নিয়াৰ চিন্তা কৰাৰ বাবেও আহ্বান জনায় বিজন বায়নে তেওঁৰ ভাষণত। ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° আব্দুছ ছালামৰ সভাপতিত্বত অনুষ্ঠিত সভাত প্ৰাক্তন শিক্ষা বিষয়া ধৰণীধৰ তালুকদাৰে বিশিষ্ট অতিথিৰূপে আৰু সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় শিক্ষা সম্পাদক ভৱজিৎ বেজবৰুৱায়ো নিৰ্দিষ্ট বক্তাৰূপে ভাষণ দিয়ে। মহাবিদ্যালয়ৰ অধ্যাপকদ্বয় দিলীপ কুমাৰ ডেকা আৰু ৰাজু কুমাৰ দাসে আঁত ধৰা সভাৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক ছায়নজ্যোতি দাসে আদৰণি ভাষণ পাঠ কৰে। সভাত মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ তত্বাৱধায়ক ড° নিভা চৌধুৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনীৰ সভাপতি চম্পক বায়ন, অভিভাৱক সন্মিলনীৰ সভাপতি ৰবীন কলিতায়ো অতিথিৰূপে উপস্থিত থাকে। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত নৱাগত আদৰণি সভাৰ লগত সংগতি ৰাখি পুৱাৰ ভাগত মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে উপাধ্যক্ষ ড° আব্দুছ ছালামে, ছাত্ৰ একতা সভাৰ পতাকা উত্তোলন কৰে সভাৰ সাধাৰণ সম্পাদক ছায়নজ্যোতি দাসে আৰু আছুৰ পতাকা উত্তোলন কৰে ভৱানীপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সাংস্কৃতিক সম্পাদক নীলম পাটোৱাৰীয়ে। ছহিদ তৰ্পণ আৰু স্মৃতি তৰ্পণ কৰে ক্ৰমে মহাবিদ্যালয়ৰ অধ্যাপকদ্বয় ড° নিভা চৌধুৰী আৰু ড° হিতেশ চন্দ্ৰ ৰায়ে। প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে অধ্যাপক তাইজুদ্দিন আহমেদে। বিয়লি মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰী তথা ভৱানীপুৰৰ জ্ঞানম সংগীত বিদ্যালয়ৰ অধ্যক্ষ কাকলি দাসৰ সঞ্চালনাত ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ প্ৰীতি সন্মিলন অনুষ্ঠিত হয়।

# হৰি-গায়ত্ৰী দাস মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভা-ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ প্ৰতিষ্ঠা দিৱস

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ২৫ ছেপ্টেম্বৰ ঃ** মহানগৰীৰ পশ্চিম প্ৰান্তত অৱস্থিত হৰি-গায়ত্ৰী দাস মহাবিদ্যালয়ত কালি নৱাগত আদৰণি সভাৰ লগতে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ প্ৰতিষ্ঠা দিৱসো দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। সেই উপলক্ষে পুৱা মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহযোগী অধ্যাপিকা তথা এনএছএছৰ প্ৰাক্তন কাৰ্যসূচী বিষয়া ববিতা শৰ্মাই পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ আৰম্ভ কৰে। সভাত উদ্দেশ্য ব্যাখ্যা কৰে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক কুলদ্বীপ শৰ্মাই। বন্তি প্ৰজ্বলন কৰে মুখ্য অতিথি তথা মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সম্পাদক তপন জখৰীয়াৰ লগতে বিশিষ্ট অতিথি নৃপেন দাস, বিনয় মেধি আৰু প্ৰদীপ দাসে। সভানেত্ৰী ববিতা শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত তপন জখৰীয়া, বিনয় মেধি, নৃপেন দাস, নীলাক্ষী গোস্বামী, ড° স্বপ্না শৰ্মাৰ লগতে পুৰণি ছাত্ৰ-ছাত্ৰীসকলেও নৱাগত সকলোক আদৰণি জনাই বক্তব্য প্ৰদান কৰে। ইয়াৰ লগত সংগতি ৰাখি ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীসমূহ চলাই নিয়া এনএছএছ কাৰ্যসূচী বিষয়া ড° স্বপ্না শৰ্মাৰ নেতৃত্বত এনএছএছ এলবাম উন্মোচন কৰাৰ লগতে বিভিন্ন সাংস্কৃতিক অনুষ্ঠানো অনুষ্ঠিত কৰা হয়।

# গোলাঘাটৰ নামঘৰ সমন্বয় মঞ্চৰ মহাপুৰুষ শংকৰদেৱৰ জন্মোৎসৱৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ২৫ ছেপ্টেম্বৰ ঃ** গোলাঘাট নগৰৰ নামঘৰ সমন্বয় মঞ্চৰ আতিথ্যত আৰু বিপিন ফুকন আদৰ্শ নামঘৰ আৰু পূব জোনাকী নগৰ নামঘৰৰ সহযোগত অহা দুইৰ পৰা আৰু আঠ অক্টোবৰত তিনিদিনীয়া কাৰ্যসূচীৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪ সংখ্যক জন্মোৎসৱ কেন্দ্ৰীয়ভাৱে উদ্‌যাপন কৰিবলৈ লোৱা হৈছে। উল্লেখ্য যে মহান গুৰুজনাৰ জন্মোৎসৱৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন আৰু ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অহা দুই অক্টোবৰত বিপিন ফুকন নগৰস্থিত আদৰ্শ নামঘৰ প্ৰাংগণত প্ৰাক প্ৰাথমিক শ্ৰেণীৰ পৰা তৃতীয় শ্ৰেণীলৈ আৰু চতুৰ্থ শ্ৰেণীৰ পৰা সপ্তম শ্ৰেণীলৈ দুটা শাখাত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। আনহাতে, তৃতীয় শ্ৰেণীৰ পৰা সপ্তম শ্ৰেণীলৈ আৰু অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত কৰা হ'ব ৰচনা প্ৰতিযোগিতা। প্ৰতিযোগিতা সম্বন্ধীয় সবিশেষ তথ্য জানিবৰ বাবে নামঘৰ সমন্বয় মঞ্চ গোলাঘাটৰ প্ৰতিযোগিতা বিভাগৰ আহ্বায়ক গৌতম বৰদলৈ আৰু গোবিন কোঁৱৰৰ স'তে ৯৮৬৪৫১৭৩৫১ আৰু ৯৯৫৭২৭১৪০৩ নম্বৰত যোগাযোগ কৰিব পাৰিব।

# কালিয়নী-দৈগ্ৰোং-ধনশিৰিৰ বালিৰ অবৈধ খননত জৈৱ-বৈচিত্ৰ্যলৈ তীব্ৰ ভাবুকি

## ■উচ্চস্তৰীয় তদন্ত ঘোষণাৰ বাবে ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ আহ্বান

**অগ্ৰদূত বাৰ্তা**

**নুমলীগড়, ২৫ ছেপ্টেম্বৰ ঃ** গোলাঘাট বন সংমণ্ডলৰ নুমলীগড়, বকিয়াল আৰু মূৰফুলনি খণ্ড বন কাৰ্যালয়ৰ অধীনস্থ অঞ্চলৰ নদীসমূহৰ বক্ষ উজাৰি বালিৰ অবৈধ খনন আৰু ৰমৰমীয়া বেহা চলাই গৈছে একাংশ অসাধু ব্যৱসায়ীয়ে। ইয়াৰ পৰিণতি স্বৰূপে জৈৱ-বৈচিত্ৰ্যলৈ তীব্ৰ ভাবুকিৰ সৃষ্টি কৰিছে। এক্সকেভেটৰ আৰু বালি নিষ্কাসন কৰা বিশেষ যন্ত্ৰৰ সহায়ত নদীৰ পৰা অহৰহভাৱে বালি উলিয়াই থকা হৈছে। তদুপৰি, বিস্তৰ কৃষিভূমিতো খনন চলাই বালি উলিয়াই থকা হৈছে আৰু নৈৰ লগতে ইয়াৰ উপত্যকা অঞ্চলতো বৃহৎ বৃহৎ খাৰৈ সদৃশ গাঁতৰ সৃষ্টি হৈছে। ইয়াৰ ফলশ্ৰুতিত নদীৰ প্ৰাকৃতিক পৰিৱেশ বিনষ্ট হোৱাৰ লগতে বন্য জীৱ-জন্তুলৈয়ো কঢ়িয়াই আনিছে অশনি সংকেত। কিয়নো, এনেদৰে খান্দি বালি উলিয়াই নিয়াৰ পাছত সৃষ্টি হোৱা গাঁতত পৰি বিভিন্ন সময়ত বন্যহস্তী আহত হোৱাৰ দৰে ঘটনাও সংঘটিত হৈ আহিছে, কিন্তু বন বিভাগে নীৰৱ দৰ্শকৰ ভূমিকাত অৱতীৰ্ণ হৈ থকা দেখা যায়। এই ক্ষেত্ৰত বন বিভাগৰ লোকে কমিছনৰ মোটা অংকৰ হিচাপতে ব্যস্ত থাকে বুলিও একাংশ লোকে অভিযোগ কৰে। উল্লেখ্য যে, নুমলীগড় খণ্ড বন কাৰ্যালয়ৰ অধীনস্থ কালিয়নী নদীৰ ভিন্ন স্থানত বালিৰ খনন অব্যাহত আছে। বিভিন্ন সময়তএক্সকেভেটৰেৰে বালিৰ অবৈধ খনন কৰা দেখা যায়। লগতে নদীৰ ভিন্ন স্থানত বালি নিষ্কাসন কৰা অত্যাধুনিক মেচিন ব্যৱহাৰ কৰিও বালি উত্তোলন কৰা দেখা যায়। তদুপৰি, কৃষিভূমি অঞ্চলতো খনন কৰি বালিৰ তৰপটো উলিয়াই দিয়াৰ ফলত ভিন্ন স্থানত বৃহদাকাৰ গাঁতৰ সৃষ্টি হৈছে। একেদৰে নুমলীগড় খণ্ড বন কাৰ্যালয়ৰ অধীনস্থ ধনশিৰি নদীতো চলিছে বালিৰ ৰমৰমীয়া বেহা। বালি নিষ্কাসনৰ অত্যাধুনিক মেচিন প্ৰয়োগেৰে ধনশিৰিৰ পাৰঘাটকে আদি কৰি কে'বাটাও স্থানত বালি উত্তোলন আৰু খনন কাৰ্য অব্যাহত ৰখাৰ অভিযোগ উঠিছে। কিন্তু, নুমলীগড়ৰ বন বিভাগে গোপন অংকৰ বুজাবুজিৰে বালিৰ অবৈধ খনন চলাই নিবলৈ উদগনিহে প্ৰদান কৰাৰো অভিযোগ উঠিছে। তদুপৰি, পূব কাৰ্বিআংলঙৰ দেইথৰ খণ্ড বন কাৰ্যালয় অঞ্চলৰ অধীনত থকা কালিয়নী নদীতো ব্যাপক খনন চলি থকা দেখা যায়। নদীখনৰ ভিন্ন স্থানত এক্সকেভেটৰ ব্যৱহাৰেৰে অবৈধ খনন কৰি থকা দেখা যায়। লগতে অঞ্চলটোৰ বৃহত্তৰ পাহাৰ খনন কৰিও জৈৱ-বৈচিত্ৰ্যলৈ তীব্ৰ ভাবুকিৰ সৃষ্টি কৰাৰ গুৰুতৰ অভিযোগ উঠিছে। আনহাতে, বকিয়াল আৰু মূৰফুলনি খণ্ড বন কাৰ্যালয়ৰ অধীনৰ অঞ্চলৰে বৈ যোৱা দৈগ্ৰোং নদীতো চলিছে বালিৰ অবাধ খনন। দৈগ্ৰোং নদীৰ ফকলেনঘাটত একাংশ অতি কম বয়সীয়া ল'ৰাক কামত নিয়োজিত কৰি বালিৰ খনন চলাই যোৱাৰো অভিযোগ উঠিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত নদীৰ প্ৰাকৃতিক পৰিৱেশ বিনষ্ট কৰাৰ লগতে জৈৱ-বৈচিত্ৰ্যলৈও ভাবুকি কঢ়িয়াইছে। ইপিনে, নদীৰ বক্ষ উজাৰি চলোৱা এই খননে ঠায়ে ঠায়ে নদীৰ গতিপথকে সলনি কৰি দিয়াৰ দৰে ঘটনা সংঘটিত হৈছে। তদুপৰি, খননৰ ফলশ্ৰুতিত সৃষ্টি হোৱা গাঁতসমূহে বন্যহস্তীৰ অন্যতম বিচৰণভূমিৰূপে পৰিগণিত বৃহত্তৰ অঞ্চলটোত হাতী-মানুহৰ সংঘাত সৃষ্টি কৰাতো বিশেষ ভূমিকা গ্ৰহণ কৰে বুলিও একাংশ লোকে প্ৰকাশ কৰে। আনহাতে, একাংশ বালি ব্যৱসায়ীয়ে অতি কম বয়সীয়া তথা গাড়ী চালকৰ অনুজ্ঞাপত্ৰ নথকাকৈয়ে ডাম্পাৰ গাড়ীসমূহ চলাবলৈ দিয়াৰ গুৰুতৰ অভিযোগ উঠিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত গাঁৱলীয়া পথেৰে যাওঁতে একাংশ গাড়ীয়ে পথ এৰি নিদিয়াৰ দৰে ঘটনাও ঘটি থকাৰ কথা একাংশ লোকে প্ৰকাশ কৰে। উদণ্ড স্বভাৱৰ এনে গাড়ী চালকৰ বাবেই ভিন্ন সময়ত দুৰ্ঘটনা সংঘটিত হোৱাৰো অভিযোগ পোৱা যায়। এনে ক্ষেত্ৰত, অসম আৰক্ষীৰ যানবাহন শাখায়ো কোনো গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ উঠিছে। ইপিনে, এই গধুৰ ডাম্পাৰ গাড়ীসমূহেই গাঁৱৰ পথসমূহো যাতায়াতৰ অনুপযোগী কৰি তোলাৰো অভিযোগ উঠিছে। লগতে অঞ্চলটোৰ পৰা শিল-বালি কঢ়িয়াই যোৱা অধিকাংশ গাড়ীতেই কোনো ধৰণৰ টিপি, চালন নাথাকে। ইয়াৰ ফলত বছৰি ৰাজ্যৰ ৰাজকোষেও কোটি কোটি টকাৰ ৰাজহৰ পৰা বঞ্চিত হ'ব লগাত পৰিছে। এনে ক্ষেত্ৰত, অবৈধ খনন ৰোধৰ নিমিত্তে এক উচ্চস্তৰীয় তদন্ত ঘোষণা কৰিবৰ বাবে ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ সচেতন মহলে আহ্বান জনাইছে।



# ছয়গাঁও সমষ্টিত বিজেপিৰ ভেটি শক্তিশালী কৰাৰ সংকল্প

## ■ছয়গাঁৱত সাংসদ কুইন ওজাই বিতৰণ কৰিলে ৰেডিঅ'

**ছয়গাঁও, ২৫ ছেপ্টেম্বৰ ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁও সমষ্টিৰ গড়কাপ্তানী বিভাগৰ পৰিদৰ্শন বঙলাত কালি উপস্থিত হয় গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজা। 'প্ৰধানমন্ত্ৰীৰ মন কী বাত' অনুষ্ঠানৰ পূৰ্বে ছয়গাঁৱত বিজেপিৰ কাৰ্যকৰ্তাৰ মাজত ৰেডিঅ' বিতৰণ কৰে সাংসদগৰাকীয়ে। মুখ্য অতিথিৰূপে উপস্থিত থাকি সাংসদ ওজাই পূৰ্বতকৈ ছয়গাঁও সমষ্টিত বিজেপিৰ শক্তি বৃদ্ধি পাইছে বুলি কৈ আগন্তুক পঞ্চায়ত আৰু বিধানসভা নিৰ্বাচনত ছয়গাঁৱত বিজেপিৰ পতাকা উৰিব লাগিব বুলি কয়। মণ্ডল সভাপতি প্ৰফুল্ল মেধিৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত জিলা সভাপতি ধনেশ্বৰ তালুকদাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু দীনদয়াল উপাধ্যায়ৰ ওপৰত বক্তব্য আগবঢ়ায়।



সভাত জিলা সম্পাদক দীপক তালুকদাৰ, মণ্ডল সাধাৰণ সম্পাদক নিমাই সাউদ, গৰৈমাৰীৰ প্ৰভাৰী কমলেশ্বৰ দাস, জিলা সদস্য তাৰিণী দাস, কাৰ্যকৰ্তা দীপক সাউদ প্ৰমুখ্যে ভালেমান বিজেপি নেতা উপস্থিত আছিল।

# কমাৰগাঁৱত শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱৰ আদৰণি সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**

**খুমটাই, ২৫ ছেপ্টেম্বৰ ঃ** উত্তৰ-পূব ভাৰতৰ সৰ্ববৃহৎ সাহিত্য, সংস্কৃতি ধৰ্মীয় জাতীয় অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বোকাখাত জিলা শাখাৰ উদ্যোগত মহুৰা আঞ্চলিক শাখাৰ ব্যৱস্থাপনাত তামুলীপথাৰ আৰু যদুমণি প্ৰাথমিক শাখাৰ আতিথ্যত ৫৭৪ সংখ্যক জগতগুৰু শ্ৰীমন্ত শংকৰদেৱ আবিৰ্ভাৱ মহোৎসৱ আৰু জিলা শাখাৰ শিশু, যুৱ আইমাতৃ সমাৰোহ উদ্‌যাপনৰ বাবে কালি তামুলীপথাৰ ৰাজহুৱা নামঘৰত এখন সভা অনুষ্ঠিত হয়। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বোকাখাত জিলা শাখাৰ সভাপতি ধনেশ্বৰ লইঙৰ সভাপতিত্বত অনুষ্ঠিত সভাত ৫৭৪ সংখ্যক জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ আবিৰ্ভাৱ মহোৎসৱ আৰু জিলা শাখাৰ শিশু, যুৱ, আইমাতৃ সমাৰোহ উদ্‌যাপনৰ বাবে মহেন্দ্ৰ গগৈক সভাপতি, বেদব্ৰত বৰা, বিমান ৰাজখোৱা, লখী গগৈ, মাধৱ তামুলীক উপ-সভাপতি, নিতুল গগৈক সম্পাদক হিচাপে লৈ এখন শক্তিশালী সমিতি গঠন কৰে। সংঘৰ বোকাখাত জিলা শাখাৰ সম্পাদক যতীন লইঙে আঁত ধৰা অনুষ্ঠানত সংঘৰ প্ৰাক্তন মূলৰ সদস্য ধৰ্মেশ্বৰ হাজৰিকা, মূলৰ সদস্য যোগেশ লইং লগতে কে'বাজনো জিলাৰ বিষয়ববীয়া উপস্থিত থাকে।

# বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ মঙলদৈ নগৰ সমিতিৰ কাৰ্যভাৰ গ্ৰহণ




**বিশেষ সংবাদদাতা**

**মঙলদৈ, ২৫ ছেপ্টেম্বৰ ঃ** বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ মঙলদৈ নগৰ সমিতিৰ নৱ নিৰ্বাচিত সমিতিখনে কালি শপতগ্ৰহণ কৰে। মঙলদৈৰ নিকটৱৰ্তী মোৱামাৰি চাপৰিৰ চিৰসেউজী কৃষি পামত অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাত নৱ নিৰ্বাচিত ৩১ জনীয়া সমিতিখনক শপতগ্ৰহণ কৰোৱাই বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ দৰং জিলা সমিতিৰ সভাপতি উপেন ডেকাই। ইয়াৰ পাছতে অনুষ্ঠিত সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে কেন্দ্ৰীয় সমিতিৰ সভাপতি বিপুল মহন্ত, দৰং জিলা সমিতিৰ সচিব প্ৰধান বিচিত্ৰ শৰ্মা, কেন্দ্ৰীয় সাংগঠনিক সম্পাদক ভুলু শৰ্মা উপস্থিত থাকি বক্তব্য আগবঢ়ায়। সভাত মঙলদৈ নগৰ সমিতিৰ নৱ নিৰ্বাচিত সভাপতি ধনমণি মালাকাৰ, সচিব প্ৰধান টিংকুমণি শৰ্মাই শপত গ্ৰহণ কৰি অসমত খিলঞ্জীয়াৰ জাতীয়তাবাদ ৰক্ষাৰ হকে অংগীকাৰবদ্ধ হয়। সভাত নগৰ সমিতিৰ সহকাৰী সচিব প্ৰাণজিৎ শইকীয়াৰ ৬০ হেজাৰ অধিক ফলোৱাৰ থকা ভাৰতী ইডুকেছন এণ্ড ইনফৰমেচন নামৰ ইউটিউব চেনেলৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক শিক্ষাৰ ক্ষেত্ৰত অৰিহণা যোগোৱাৰ বাবে বিশেষভাৱে সম্বৰ্ধনা জনায়। কালিৰ সভাতে নগৰ সমিতিখনে মঙলদৈ চহৰৰ কে'বাটাও জ্বলন্ত সমস্যা সমাধানৰ হকে গণতান্ত্ৰিক কাৰ্যসূচী গ্ৰহণ কৰাৰ কথা ঘোষণা কৰে।

# বাঘজান বাগিচাত ভাদ বিদায়, কৰম পৰব পালন

**অগ্ৰদূত বাৰ্তা**

**আমগুৰি, ২৫ ছেপ্টেম্বৰ ঃ** আমগুৰিৰ সমীপৰ বাঘজান চাহ বাগিচাত কালি এদিনীয়া কাৰ্যসূচীৰে কৰম উৎসৱ পালন কৰা হয়। ভাদৰ শুক্লা তিথিত পালন কৰিবলগীয়া এই উৎসৱ আহিনত অনুষ্ঠিত কৰাৰ বাবে ভাদ বিদায় কৰম উৎসৱ নামকৰণ কৰি দিনজোৰা কাৰ্যসূচীৰে কৰম উৎসৱটো পালন কৰা হয়। আটাছাৰ বাঘজান চাহ বাগিচা গোটৰ উদ্যোগত বাঘজান বাগিচা ৰংগমঞ্চত অনুষ্ঠিত এই কাৰ্যসূচীত পুৱা পতাকা উত্তোলন কৰে আটছাৰ প্ৰাথমিক সভাপতি আকাশ মুদিয়ে। ছহিদ তৰ্পণ কাৰ্যসূচীত ভাগ লয় প্ৰাথমিক গোটৰ সম্পাদক দিগন্ত মিশ্ৰই। বৃক্ষৰোপণ কৰে বৰবাম চাহ বাগিচাৰ পৰিচালক অমৰদ্বীপ বৰাই। দুপৰীয়া ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কুইজ, কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিয়লি দলীয় ঝুমুৰ প্ৰতিযোগিতাৰ পাছতে উদ্‌যাপন সমিতিৰ সভাপতি টনি বেনাইটৰ পৌৰোহিত্যত বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। উল্লেখ্য যে সাহিত্য প্ৰতিযোগিতাত যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। নিশালৈ আমন্ত্ৰিত শিল্পীৰ লগতে অনিল চৰেণৰ গীতৰ শৰাই আগবঢ়োৱা হয়।

# গোলমাগাঁও উচ্চ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী মহোৎসৱৰ প্ৰস্তুতি

## স্মৃতিগ্ৰন্থৰ বাবে লেখা আহ্বান

**অগ্ৰদূত বাৰ্তা**

**টংলা, ২৫ ছেপ্টেম্বৰ ঃ** বড়োলেণ্ড টেৰিটৰিয়েল ৰিজিঅ'নৰ অন্তৰ্গত ওদালগুৰি জিলাৰ অগ্ৰণী শিক্ষানুষ্ঠান ১৯৪০ তে প্ৰতিষ্ঠা কৰা গোলমাগাঁও উচ্চ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী মহোৎসৱ অহা নৱেম্বৰৰ তৃতীয় সপ্তাহত তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে উদ্‌যাপন কৰা হ'ব। যোৱা ১৫ আগষ্টত বিটিআৰৰ উপ-মুখ্য কাৰ্যবাহী সদস্য তথা ওদালগুৰিৰ বিধায়ক গোবিন্দ চন্দ্ৰ বসুমতাৰীৰ উপস্থিতিত অনুষ্ঠিত এখন ৰাজহুৱা সভাত স্থানীয় শিক্ষাবিদ, সমাজকৰ্মী নেতৃস্থানীয় ৰাইজ, বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতি, শিক্ষক-শিক্ষয়িত্ৰী আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে সৰ্বসন্মতভাৱে এই সিদ্ধান্ত গ্ৰহণ কৰে। বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি হৰি শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত এই সভাতে বিশিষ্ট সমাজকৰ্মী কুবেৰ চন্দ্ৰ ছেত্ৰীক মুখ্য উপদেষ্টা, বিটিআৰৰ উপ-মুখ্য কাৰ্যবাহী সদস্য তথা ওদালগুৰিৰ বিধায়ক গোবিন্দ চন্দ্ৰ বসুমতাৰীক সভাপতি, শিক্ষাবিদ বিষ্ণু শৰ্মা নেউপানেক কাৰ্যকৰী সভাপতি, কমল প্ৰসাদ উপাধ্যায়ক প্ৰধান সম্পাদক, শ্ৰীৰি শৰ্মা আৰ ৰাজীৱ কুমাৰ ছেত্ৰীক যুটীয়া সম্পাদক, হৰিভক্ত শৰ্মাক কোষাধ্যক্ষ, ধীৰেন্দ্ৰ নাথ বৰুৱাক স্মৃতিগ্ৰন্থৰ সম্পাদক, বৈদ্যনাথ উপাধ্যায়ক প্ৰচাৰ সম্পাদক, শ্ৰীণবাহদুৰ ছেত্ৰীক কাৰ্যালয় সম্পাদকৰূপে লৈ এখন মহাৰজত জয়ন্তী মহোৎসৱ উদ্‌যাপন সমিতি গঠন কৰা হয়। সভাত তিলবাহাদুৰ ছেত্ৰীক সভাপতি আৰু মোহন ৰাউতক সম্পাদকৰূপে লৈ প্ৰাক্তন ছাত্ৰ সন্মিলনখন গঠন কৰাৰ লগতে ১০খন উপ-সমিতিও গঠন কৰে। গোলমাগাঁও উচ্চ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী মহোৎসৱ অহা নৱেম্বৰৰ তৃতীয় সপ্তাহত তিনিদিনিয়া বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। সেয়ে এই উপলক্ষে প্ৰকাশ পাবলগীয়া স্মৃতিগ্ৰন্থৰ বাবে গৱেষক, শিক্ষাবিদ, শিক্ষক-শিক্ষয়িত্ৰী, লেখক-লেখিকা তথা বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ পৰা শিক্ষামূলক প্ৰবন্ধ বিচৰা হৈছে। গতিকে সকলো লেখক-লেখিকাকে তেওঁলোকৰ লেখাসমূহ অহা ৩০ ছেপ্টেম্বৰৰ ভিতৰত ধীৰেন্দ্ৰ নাথ বৰুৱা, মুখ্য সম্পাদক স্মৃতিগ্ৰন্থ, মহাৰজত জয়ন্তী মহোৎসৱ, গোলমাগাঁও উচ্চ মাধ্যমিক বিদ্যালয়, ওদালগুৰি, পিন-৭৮৪৫০৯ (ফোন নম্বৰ ৭০০২২৮১৯১৮, ই-মেইল, dhirenbaruah2810@gmail.com), এই ঠিকনাত পঠাবলৈ আহ্বান জনাইছে।



*ডিমৌত এটা বেচৰকাৰী অনুষ্ঠানৰ উদ্যোগত আয়োজিত গণিত মেলাত একাংশ শিশু।*

# নেহৰু যুৱ কেন্দ্ৰৰ জিলা পৰ্যায়ৰ যুৱ উৎসৱ অনুষ্ঠিত

**তিনিচুকীয়া, ২৫ ছেপ্টেম্বৰ ঃ** নেহৰু যুৱ কেন্দ্ৰই তিনিচুকীয়া মহাবিদ্যালয়ৰ এনএছএছ গোটৰ সহযোগত কালি তিনিচুকীয়া মহাবিদ্যালয়ত জিলা পৰ্যায়ৰ যুৱ উৎসৱ আৰু ইণ্ডিয়া ২০৪৭ অনুষ্ঠিত হয়। এই উপলক্ষে ছবি আঁকা, ফটোগ্ৰাফী, কবিতা লিখা, সাংস্কৃতিক প্ৰতিযোগিতা, বক্তৃতা প্ৰতিযোগিতা আৰু যুৱ সমাবেশ অনুষ্ঠিত কৰে। কবিতা প্ৰতিযোগিতাৰ বিচাৰক আছিল দেবানন্দ ভট্টাচাৰ্য, দেৱকান্ত বুঢ়াগোহাঁই আৰু শ্বেলী দত্ত। ফটোগ্ৰাফী প্ৰতিযোগিতাৰ বিচাৰক আছিল ড° হৃষি দাস, মানস শৰ্মা আৰু সঞ্জয় ঠাকুৰ। ছবি আঁকা প্ৰতিযোগিতাৰ বিচাৰক আছিল ৰূপম দাস, ড° দৈমালী বৰা আৰু নেহা বৰুৱা। ইণ্ডিয়া ২০৪৭ বক্তৃতা প্ৰতিযোগিতাৰ বিচাৰক আছিল ড° নীলিম জ্যোতি সেনাপতি, বৈকুণ্ঠ দাস আৰু ড° বিপ্লৱ বণিক। ৰাষ্ট্ৰীয় ঐক্য আৰু সংহতি বিষয়ৰ বক্তৃতা প্ৰতিযোগিতাৰ বিচাৰক আছিল দীনেশ গোয়েল, ৰূপম কাকতি আৰু ড° সংঘমিত্ৰা শৰ্মা। সাংস্কৃতিক প্ৰতিযোগিতাৰ বিচাৰক আছিল নিৰূপ দাস, ৰুমা পায়েং আৰু বিপিন বৰা। জিলা পৰ্যায়ত নিৰ্বাচিত হোৱা প্ৰতিযোগীসকলে ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণৰ সুবিধা পাব আৰু ৰাজ্যিক পৰ্যায়ত নিৰ্বাচিতসকলে ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণৰ সুবিধা পাব বুলি জনাইছে নেহৰু যুৱ কেন্দ্ৰৰ সমল ব্যক্তি মুকুন্দ বৰাই। যুৱ উৎসৱৰ বঁটা বিতৰণী সভাত তিনিচুকীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সূৰ্য চুতীয়া, প্ৰৱক্তা ড° কমলেশ কলিতা, জিলা ক্ৰীড়া বিষয়া প্ৰাঞ্জল দিহিঙিয়া, নেহৰু যুৱ কেন্দ্ৰৰ কমলাপতি শইকীয়া, শুভ্ৰ ভট্ট প্ৰমুখ্যে নেহৰু যুৱ কেন্দ্ৰৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

## শিৱসাগৰ চক্ৰ বিষয়া কাৰ্যালয়ত ব্যতিক্ৰমী পৰিৱেশ

# হৰিনামৰ মাজেৰে চৰকাৰৰ কাম-কাজক ৰাইজৰ মাজলৈ নিয়াৰ প্ৰয়াস

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২৫ ছেপ্টেম্বৰ ঃ** যি সময়ত ৰাজ্যৰ ৰাজহ চক্ৰ কাৰ্যালয়সমূহক চৰকাৰে দুৰ্নীতিমুক্ত কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিছে তেনে সময়তে শিৱসাগৰ ৰাজহ চক্ৰ কাৰ্যালয়ত দেখা গৈছে ব্যতিক্ৰমী পৰিৱেশ। হৰিনামৰ মাধ্যমেৰে চৰকাৰৰ নীতি-নিৰ্দেশনাসমূহক ৰাইজৰ মাজলৈ লৈ যোৱা তথা জনতাৰ মাজত প্ৰচাৰৰ উদ্দেশ্যে ব্যতিক্ৰমী পন্থা গ্ৰহণ কৰিছে শিৱসাগৰ ৰাজহ চক্ৰ কাৰ্যালয়ে। এই ব্যতিক্ৰমী অনুষ্ঠানত লোকশিল্পী কমলা গগৈয়ে দিহানাম পৰিৱেশন কৰাৰ লগতে আৰু শান্তনু বুঢ়াগোহাঁয়ে নামত অংশ লয়। চক্ৰ বিষয়া জীৱন কৃষ্ণ গোস্বামীয়ে হৰি নামে মানুহৰ মাজত থকা অসূয়া-অপ্ৰীতি দূৰ কৰে বুলি কৈ চৰকাৰী নীতি-নিৰ্দেশনাসমূহক হৰিনামৰ মাজেৰে প্ৰচাৰ কৰিবৰ বাবেই এই কাৰ্যসূচী ৰূপায়ণ কৰা হয় বুলি অৱগত কৰে। কালিৰ এই অনুষ্ঠানত কাৰ্যালয়ৰ হিন্দু-মুছলমান ধৰ্মী লোকৰ লগতে সকলো বিষয়া-কৰ্মচাৰী মণ্ডলসকল উপস্থিত থাকে।

# শিৱসাগৰত বিনামূলীয়া চিকিৎসা শিবিৰ

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২৫ ছেপ্টেম্বৰ ঃ** ভাৰতীয় জনতা পাৰ্টিৰ শিৱসাগৰ জিলা অনুসূচিত জাতি মৰ্চাৰ উদ্যোগত আৰু নগৰ মণ্ডল অনুসূচিত জাতি মৰ্চাৰ সহযোগত কালি নগৰৰ থানামুখত এটি বিনামূলীয়া স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে সেৱা পখেকৰ অংশৰূপে কালি এই স্বাস্থ্য শিবিৰ সম্পন্ন হয়। এই চিকিৎসা শিবিৰত থানামুখৰ লগতে উপকণ্ঠ অঞ্চলৰ প্ৰায় শতাধিক ৰাইজক বিনামূলীয়া চিকিৎসা সেৱা প্ৰদান কৰা হয়। মধুমেহ, ৰক্তচাপ, চকু, দাঁতৰ লগতে এই চিকিৎসা শিবিৰত তেজৰ প্ৰাৰম্ভিক পৰীক্ষা আদি কৰা হয়। আজিৰ এই শিবিৰটোৰ উদ্বোধনী অনুষ্ঠানটোৰ আঁত ধৰে নগৰ মণ্ডলৰ অনুসূচিত জাতি মৰ্চাৰ সভাপতি নিৰঞ্জন দাসে। এই স্বাস্থ্য শিবিৰটোত ডাক্তৰ পাৰ্থপ্ৰতিম গগৈৰ লগতে কে'বাজনো ডাক্তৰে চিকিৎসা সেৱা আগবঢ়োৱাৰ উপৰি শিৱসাগৰ পৌৰসভাৰ সভানেত্ৰী মৃণালী কোঁৱৰ, জিলা বিজেপিৰ সম্পাদক মানৱ আদিত্য, নগৰ মণ্ডলৰ সভাপতি প্ৰণৱ বৰুৱা, ৱাৰ্ড মেম্বাৰ দিপু হাজৰিকা, জিলা বিজেপিৰ মিডিয়া কোষৰ আহ্বায়ক ৰাতু কুমাৰ দাসৰ লগতে বহুকেইজন নেতা-কৰ্মী উপস্থিত থাকে।

# মহাজনপাৰাত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ হীৰক জয়ন্তী উদ্‌যাপনৰ প্ৰস্তুতি

## ■গুৰুজনাৰ ৫৭৪ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱৰ লগতে সংঘৰ ৭৭ সংখ্যক বাৰ্ষিক অধিবেশনৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**গোৰেশ্বৰ, ২৫ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলাৰ কমলপুৰ সমষ্টিৰ অন্তৰ্গত মহাজনপাৰা গাঁওস্থিত পাতিদৰং মহাজনপাৰা পলাশৰতল শ্ৰীমন্ত শংকৰদেৱ সংঘই ৭৫ বৰ্ষ অতিক্ৰম কৰাৰ শুভক্ষণত হীৰক জয়ন্তী উদ্‌যাপনৰ ব্যাপক প্ৰস্তুতি চলাইছে। ইয়াৰ লগতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ ৫৭৪ সংখ্যক আবিৰ্ভাৱ মহোৎসৱৰ লগতে সংঘৰ ৭৭ সংখ্যক বাৰ্ষিক অধিবেশনখনো জাকজমকতাৰে আয়োজন কৰিবলৈ উদ্যোক্তাসকলে ব্যাপক প্ৰস্তুতি চলাইছে। অহা তিনি, চাৰি, পাঁচ আৰু ছয় অক্টোবৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠানটো ৰূপায়িত হ'ব। হীৰক জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি শান্ত ৰাজবংশী, উপ-সভাপতি নৰেন ৰাজবংশী, সাধাৰণ সম্পাদক তিলক ৰাজবংশী আৰু সহকাৰী সম্পাদকদ্বয় লোহিত তালুকদাৰ আৰু নগেন চন্দ্ৰ মহন্তই জানিবলৈ দিয়া মতে, হীৰক জয়ন্তী আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ ৫৭৪ সংখ্যক আবিৰ্ভাৱ মহোৎসৱৰ লগতে সংঘৰ ৭৭ সংখ্যক সংঘৰ বাৰ্ষিক অধিবেশনৰ মূল কাৰ্যসূচী মৰ্মে তিনি অক্টোবৰত পুৱা বন্তি প্ৰজ্বলন, শৰাই অৰ্পণ, পৰিৱেশ নিকাকৰণ, বৃক্ষৰোপণ কাৰ্যসূচীৰ পাছতে ন বজাত প্ৰয়াত হৰনাথ তালুকদাৰ সোঁৱৰণী তোৰণ উন্মোচন কৰিব ৰঙিয়া জিলা কোচ ৰাজবংশী সন্মিলনীৰ প্ৰাক্তন সভাপতি ধনেশ্বৰ ৰাজবংশীয়ে। প্ৰয়াত ধীৰেন্দ্ৰ নাথ বেজবৰুৱা সোঁৱৰণী তোৰণ উন্মোচন কৰিব আদৰ্শ আঞ্চলিক হাইস্কুল বৰডাংগীকুছিৰ সহকাৰী প্ৰধান শিক্ষক দেৱেন চন্দ্ৰ নাথে। পাতিদৰং গোবিন্দগিৰি আঞ্চলিক শাখাৰ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ তোৰণ উন্মোচন কৰিব বৃন্দাৱন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা মঞ্জিতা পাটোৱাৰীয়ে। তাৰ পাছতে ভাগৱত পাঠ, স্মৃতিগ্ৰন্থ উন্মোচনী সভাত সভাপতিত্ব কৰিব জ্ঞানপীঠ একাডেমী, এলাচ মুক্তাপুৰৰ অধ্যক্ষ ড° হংসধৰ শৰ্মাই। উন্মোচকৰূপে উপস্থিত থাকিব অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী। নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকিব শ্ৰীমন্ত শংকৰদেৱ সংঘ পলাশবাৰী জিলা শাখাৰ প্ৰাক্তন শৰণ সদস্য মহেশ মহন্ত। সন্ধিয়া সহস্ৰ বন্তি প্ৰজ্বলন, সান্ধ্য প্ৰসংগ আৰু নিশা বিষয় বাছনি সভা। সভাত সভাপতিত্ব কৰিব পাতিদৰং মহাজনপাৰা পলাশৰতল শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সভাপতি শান্ত ৰাজবংশীয়ে। চাৰি অক্টোবৰত পুৱা প্ৰাতঃপ্ৰসংগ, ধৰ্মধ্বজা উত্তোলন, ভাগৱত শোভাযাত্ৰা, আই মাতৃৰ নাম-প্ৰসংগ। নিশা সাংস্কৃতিক অনুষ্ঠানত সংগীতানুষ্ঠান পৰিৱেশন কৰিব কণ্ঠশিল্পী অনুপম শইকীয়া আৰু মৌৰুচী বৰাই। ইপিনে, পাঁচ অক্টোবৰৰ মূল কাৰ্যসূচী মুকলি ধৰ্মালোচনী সভা। সভাপতিত্ব কৰিব শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৰঙিয়া জিলা শাখাৰ সভাপতি নৰেশ্বৰ ডেকাই। উদ্বোধন কৰিব মংগলদৈ লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ মাধৱ ৰাজবংশীয়ে। মুকলি ধৰ্মালোচনী সভাত নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকিব শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক বাবুল বৰা। বিশিষ্ট অতিথিৰূপে ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতা, অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, কমলপুৰ বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক সত্যব্ৰত কলিতা আৰু বিহদিয়া জাজিকোণা উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া হেমন্ত ডেকা উপস্থিত থাকিব। নিশা কাদম্বৰী ভ্ৰাম্যমাণ নাট্যদলৰ দ্বাৰা নাট্যাভিনয় পৰিৱেশন কৰা হ'ব। কাৰ্যসূচীৰ অন্তিম দিনা অৰ্থাৎ ছয় অক্টোবৰত প্ৰাতঃপ্ৰসংগ, পৰিৱেশ নিকাকৰণ, আই মাতৃৰ নাম-কীৰ্তন, মহিলাৰ নাগাৰা নাম পৰিৱেশন আৰু সন্ধিয়া পতাকা অৱতৰণেৰে কাৰ্যসূচীৰ সমাপ্তি কৰা হ'ব। পাতিদৰং মহাজনপাৰা পলাশৰতল শ্ৰীমন্ত শংকৰদেৱ সংঘৰ হীৰক জয়ন্তীৰ লগতে গুৰু আবিৰ্ভাৱ মহোৎসৱৰ সমূহ কাৰ্যসূচীতে ৰাইজৰ সহায়-সহযোগিতা আৰু উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে উদ্যোক্তাই।

# বাংফৰত 'কাইলৈ আমি ক'ত থাকিম' শীৰ্ষক কাব্য সংকলন মুকলি





**অগ্ৰদূত বাৰ্তা**

**সোণাপুৰ, ২৫ ছেপ্টেম্বৰ ঃ** সদৌ অসম চৰকাৰী বুনিয়াদী শিক্ষক সন্থাৰ অন্তৰ্গত কামৰূপ মহানগৰ জিলা সমিতিৰ মাহিলি কেন্দ্ৰ সভাৰ লগত সংগতি ৰাখি বিদায় সম্বৰ্ধনা সভাখন কালি বাংফৰ চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয়ত অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানতে খানাপাৰা চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ, যুৱ কবি তন্ময় কলিতাৰ 'কাইলৈ আমি ক'ত থাকিম?' শীৰ্ষক কাব্য সংকলনখন উন্মোচন কৰা হয়। কাব্য সংকলনখন উন্মোচন। কাব্য সংকলনখন কৰে অসম চৰকাৰৰ সাহিত্যিক পেঞ্চনাৰ, বিশিষ্ট সাহিত্যিক তথা লোক-সংস্কৃতিৰ গৱেষক মুৰুলীধৰ দাসে। গ্ৰন্থ উন্মোচনী সভাত মুখ্য অতিথিৰূপে বিশিষ্ট লেখক, কবি তথা ডিমৰীয়া মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° পংকজ নমঃশূদ্ৰ, সদৌ অসম চৰকাৰী বুনিয়াদী শিক্ষক সন্থাৰ সম্পাদক নৰেশ হাজৰিকা প্ৰমুখ্যে বিশিষ্ট লোকসকল উপস্থিত থাকে। উল্লেখ্য যে সদ্যপ্ৰকাশিত কাব্য সংকলনখন প্ৰকাশ কৰি উলিয়াইছে তৌফিক আলীয়ে। সমাজ জীৱনৰ বিভিন্ন বিষয়ক লৈ কবিতাৰ শব্দৰূপে সজাই লোৱা যুৱপ্ৰজন্মৰ এজন প্ৰতিভাশালী কবি তন্ময় কলিতাৰ এই কাব্য সংকলনখন কাব্যানুৰাগী পাঠকে আঁকোৱালি ল'ব বুলি আশাবাদী নবীন কবিজনে।

# ডিব্ৰুগড়ৰ যান-জঁট নিয়ন্ত্ৰণৰ নামত প্ৰশাসনৰ অবিবেচকী কাণ্ড

**■ পূজাৰ পাছৰ পৰা ডিব্ৰুগড় চহৰত যাত্ৰীবাহী বাছৰ প্ৰৱেশ নিষিদ্ধ ■ হাৰাশাস্তি হ'ব চিকিৎসাৰ বাবে অহা ৰোগী-শিক্ষাৰ্থী, অন্যান্য জনসাধাৰণ**




*বৰমাত শুৱনখাটা বিদ্যালয়ত বিশ্ব নদী দিৱস পালন, দেওবাৰে।*

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ২৫ ছেপ্টেম্বৰ ঃ** শাৰদীয় দুৰ্গা পূজাৰ পাছৰে পৰা ডিব্ৰুগড় চহৰত যাত্ৰীবাহী বাছৰ প্ৰৱেশ নিষিদ্ধ। প্ৰশাসনেই হওক বা চৰকাৰৰ কিছুমান ভুল নীতিৰ বাবে সাধাৰণ জনতাই বাৰে বাৰে জীয়াতু ভুগিব লগা হয় কিয়? এনে প্ৰশ্নই এতিয়া ডিব্ৰুগড়বাসীৰ মনত বেখাপাত কৰা পৰিলক্ষিত হৈছে। এইবাৰ ডিব্ৰুগড় চহৰৰ যানজট নিয়ন্ত্ৰণৰ নামত জিলা প্ৰশাসনৰ কিছু অবিবেচকী সিদ্ধান্তই জনতাৰ চকু কপালত তুলিছে। যাৰ ফলত এতিয়া জ্বলা-কলা খাব লাগিব বাছযাত্ৰীয়ে। দুৰ্ভোগ ভুগিব অসম চিকিৎসা মহাবিদ্যালয়ৰ ৰোগী-অভিভাৱকসহ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ হেজাৰ হেজাৰ ছাত্ৰ- ছাত্ৰীৰ লগতে জনসাধাৰণ। অতি শেহতীয়াকৈ ডিব্ৰুগড় জিলা প্ৰশাসনে ডিব্ৰুগড় নগৰৰ যানজট নিয়ন্ত্ৰণৰ নামত সম্পূৰ্ণ বিফল হোৱাৰ পাছত এইবাৰ ডিব্ৰুগড় চহৰৰ ভিতৰত সকলো যাত্ৰীবাহী বাছৰ সম্পূৰ্ণ প্ৰৱেশ নিষিদ্ধ কৰাৰ সিদ্ধান্তত বাইজ বিবুদ্ধিত পৰা দেখা গৈছে। তথ্য অনুসৰি, ডিব্ৰুগড়ৰ লেপেটকটাৰ পৰা চাউলখোৱা সংযোগী বাইপাছেৰে উজনি-নামনিমুৱা সকলো যাত্ৰীবাহী বাছৰ চলাচল কৰোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা কাৰ্যক ডিব্ৰুগড়ৰ সচেতন মহলে সহজে মানি ল'ব বিচৰা নাই। সূত্ৰৰ মতে, আগষ্টৰ অক্টোবৰৰ পৰা ডিব্ৰুগড় জিলা প্ৰশাসনে এনে সিদ্ধান্ত কাৰ্যকৰী কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। প্ৰশাসনৰ সিদ্ধান্ত অনুসৰি মৰাণ-বগীবিল দিশৰ পৰা ডিব্ৰুগড় অভিমুখে অহা যাত্ৰীবাহী বাছসমূহ লেপেটকটাৰ পৰা বাইপাছেৰে আহি চাউলখোৱা হৈ ৩৭ নম্বৰ ঘাইপথেৰে ডিব্ৰুগড়ৰ কনভয় ৰোডত থকা জালান বাছ আস্থানলৈ আহিব লাগিব। পুনৰ মৰাণ আৰু বগীবিল দিশে যাবলৈ হ'লে একেদৰে ৩৭ নম্বৰ ঘাইপথেৰে গৈ বাইপাছেৰে লেপেটকটা হৈ ৩৭ নম্বৰ ঘাইপথেৰে নিজ নিজ গন্তব্য স্থানলৈ গতি কৰিব। একেদৰে তিনিচুকীয়া দিশৰ পৰা যোৰহাট বা ডিব্ৰুগড় অভিমুখী যাত্ৰীবাহী বাছসমূহ জালান বাছ আস্থানলৈকে আহি পুনৰ চাউলখোৱালৈ ঘূৰি গৈ

## নাজমা হীৰা পাব্লিক স্কুলৰ পুথিভঁৰালৰ আধাৰশিলা স্থাপন অনুষ্ঠানত ডিজিপি মহন্ত



**অগ্ৰদূত বাৰ্তা**

**সোণতলী, ২৫ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ সোণতলী অঞ্চলৰ একমাত্ৰ ইংৰাজী শিক্ষাৰ আশাৰ্বীৰ বিদ্যালয় নাজমা হীৰা মেম'ৰিয়েল পাব্লিক স্কুল প্ৰাংগণত স্থায়ী পুথিভঁৰালৰ আধাৰশিলা স্থাপন অনুষ্ঠান আজি অনুষ্ঠিত হয়। সোণতলী চৰাঞ্চলক ১৩ পৃষ্ঠাত চাওক

## ডিব্ৰুগড়ত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সোণালী জয়ন্তীৰ সামৰণি অনুষ্ঠানৰ আয়োজন

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ২৫ ছেপ্টেম্বৰ ঃ** শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ ধৰ্মৰ ওপৰত প্ৰতিষ্ঠিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অন্যতম আঞ্চলিক শাখা ডিব্ৰুগড় আঞ্চলিক শাখাৰ ৫০ বছৰ অতিক্ৰম কৰা উপলক্ষে গৌৰৱ উজ্জ্বল সোণালী বৰ্ষৰ সামৰণি অনুষ্ঠান বিস্তৃত কাৰ্যসূচীৰে আয়োজন কৰাৰ বাবে ব্যাপক প্ৰস্তুতি চলাইছে। অহা এক, দুই, সাত, আঠ আৰু ন অক্টোবৰত দঙৰ পথাৰ শ্যামন্তকমণি প্ৰাথমিক শাখা, মোহনবাৰী কৃপাময় প্ৰাথমিক শাখা আৰু নিৰ্মালি গাঁও ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত হ'ব লগা সোণালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠান উপলক্ষে কালি বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবত এক সংবাদমেল অনুষ্ঠিত কৰি আয়োজন সন্দৰ্ভত অৱগত কৰে উদ্‌যাপন সমিতিয়ে। সোণালী জয়ন্তীৰ লগত সংগতি ৰাখি বিশেষ আকৰ্ষণ ভাওনা প্ৰতিযোগিতাৰো আয়োজন কৰা লগতে অন্তিম দিনাৰ ডিব্ৰুগড় আঞ্চলিক শাখাৰ আইসকলৰ দ্বাৰা 'ৰুক্মিণী হৰণ' শীৰ্ষক এখন ভাওনা প্ৰদৰ্শন কৰিব। এক অক্টোবৰত দঙৰ পথাৰ ৰাজহুৱা খেলপথাৰত পুৱাৰ পৰিৱেশ নিকাকৰণেৰে আৰম্ভ হ'ব এই কাৰ্যসূচীৰ। ইয়াৰ পাছতে নাম-প্ৰসংগ, স্থানীয় লোকক সম্বৰ্ধনা আৰু ভাগৱত পাঠ অনুষ্ঠান অনুষ্ঠিত হ'ব। ভাগৱত পাঠ আৰু ব্যাখ্যা কাৰ্যসূচীত অংশগ্ৰহণ কৰিব শাৰীৰিকভাৱে সক্ষম প্ৰখ্যাত ভাগৱত ব্যাখ্যাকাৰক বিশ্বনাথৰ বিনীতা বৰা। ইয়াৰ পাছতেই সন্ধিয়া অনুষ্ঠিত হ'ব ভাওনা প্ৰতিযোগিতা। দুই অক্টোবৰত কৃপাময় প্ৰাথমিক শাখাত পুৱাৰ পৰা পৰিৱেশ নিকাকৰণ, নাম-প্ৰসংগ, বিনীত বৰাৰ ভাগৱত পাঠ আৰু ব্যাখ্যা আৰু সন্ধিয়া ভাওনা প্ৰতিযোগিতা। সাত অক্টোবৰত নিৰ্মালি গাঁৱৰ ৰাজহুৱা খেলপথাৰত পুৱা পৰিৱেশ নিকাকৰণ আৰু নাম প্ৰসংগ, যুৱ, শিশু আৰু আইমাতৃ সমাৰোহ, ডিব্ৰুগড় আঞ্চলিক শাখাৰ যুৱ, শিশু আৰু আইমাতৃ সমাৰোহৰ সাংস্কৃতিক শাখাৰ বিভিন্ন প্ৰতিযোগিতা, নাম-প্ৰসংগ আৰু সন্ধিয়া ভাওনা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। আঠ অক্টোবৰত নিৰ্মালি গাঁৱৰ ৰাজহুৱা খেলপথাৰত পুৱা পৰিৱেশ নিকাকৰণ আৰু নাম-প্ৰসংগৰে অনুষ্ঠিত হোৱাৰ লগতে ডিব্ৰুগড় ১৩ পৃষ্ঠাত চাওক

## দুৰ্গোৎসৱৰ পূৰ্বে মৰিয়নি নগৰত চিচিটিভি কেমেৰা স্থাপন

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ২৫ ছেপ্টেম্বৰ ঃ** মৰিয়নি নগৰত দিনে দিনে বৃদ্ধি পাই অহা চুৰিৰ ঘটনা ৰোধ কৰাৰ লগতে অন্যান্য দিশত সহায়ক হোৱাকৈ প্ৰথমবাৰলৈ নগৰখনত চিচিটিভি কেমেৰা স্থাপন কৰা হয়। মৰিয়নি পৌৰসভাই নগৰখনৰ বিভিন্ন স্থানত ১০টাকৈ চিচিটিভিৰ কেমেৰা স্থাপন কৰিছে। কালি ৰাইজৰ সুবিধাৰ্থে সেই চিচিটিভি কেমেৰাৰ ব্যৱস্থা উদ্বোধন কৰে তিতাবৰ মহকুমাৰ মহকুমাধিপতি তথা অতিৰিক্ত উপায়ুক্ত গায়ত্ৰী দেৱীদাস হ্যাংগলেই। এই উপলক্ষে মৰিয়নি আৰক্ষী থানাত কালি এক চমু উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হয়। মৰিয়নি পৌৰসভাৰ উপ-পৌৰপতি প্ৰদীপ দাসে আঁত ধৰা চমু অনুষ্ঠানত ফিটা কটাৰ লগতে চিচিটিভিৰ কেমেৰা অন কৰি সমগ্ৰ ব্যৱস্থাটো মুকলি কৰে। চিচিটিভি ব্যৱস্থা মুকলি কৰাৰ পাছত মৰিয়নি পৌৰসভাৰ কাৰ্যবাহী বিষয়া ডাঃ বিশ্বজিত বৰাই এই ব্যৱস্থাই মৰিয়নিবাসীৰ নিৰাপত্তাৰ দিশত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি উল্লেখ কৰে। নগৰখনত সঘনাই হৈ থকা চুৰি কাণ্ড ৰোধৰ লগতে আন বহু দিশত ই সহায়ক হ'ব বুলিও তেওঁ লগতে উল্লেখ কৰে। অনুষ্ঠানত মৰিয়নি ব্যৱসায়ী সন্থাৰ সঞ্জয় খাউণ্ডেও বক্তব্য প্ৰদান কৰে। উল্লেখ্য যে পাঁচ লক্ষাধিক টকা ব্যয় সাপেক্ষে নগৰখনৰ ১০টা স্থানত প্ৰথম অৱস্থাত এই কেমেৰাসমূহ স্থাপন কৰা হৈছে। যোৰহাট মৰিয়নি পথৰ প্ৰথম ৰেলৱে গেট, গোপীনাথ ষ্ট'ৰৰ সমীপত, দৈনিক বজাৰত, নিবেদিতা ১৩ পৃষ্ঠাত চাওক

## আল্লিয়া আছুৰ কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন-অধিবেশন সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ২৫ ছেপ্টেম্বৰ ঃ** শিক্ষাৰ প্ৰাথমিক স্তৰত মাতৃভাষাক অৱজ্ঞা কৰি দুটা বিষয়ৰ মাধ্যম ইংৰাজী কৰিবলৈ অসম চৰকাৰৰ কেবিনেটে লোৱা সিদ্ধান্ত এক শৈক্ষিক বিড়ম্বনাৰ বাদে একো নহয়। যি সময়ত দেশৰ গৃহমন্ত্ৰী অমিত শ্বাহে মাধ্যমকেন্দ্ৰিক সমস্যাৰ বাবেই দেশৰ ৯২ শতাংশ মেধা হেৰোৱাৰ লগতে শৈক্ষিক অপচয়ৰ বৃদ্ধি হোৱা বুলি ক্ষোভ প্ৰকাশ কৰিছে, সেই একে সময়তে অসম চৰকাৰে কেবিনেটত স্ববিৰোধী এক সিদ্ধান্ত গ্ৰহণ কৰাটো অতি হতাশজনক আৰু দুৰ্ভাগ্যৰ বিষয় বুলি সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ৰিয়াজউদ্দিন আহমেদে কয়। লগতে ছাত্ৰ নেতাজনে সদৌ অসম ছাত্ৰ সন্থাই মাতৃভাষাৰ মাধ্যমৰ শিক্ষানুষ্ঠানসমূহৰ ছাত্ৰ-ছাত্ৰীয়ে



সলসলীয়াকৈ ইংৰাজী ক'ব পৰাকৈ এক শৈক্ষিক পৰিৱেশ সৃষ্টি কৰাৰ বাবে বিগত দিনসমূহত দাবী জনাই আহিছে বুলি মত প্ৰকাশ কৰে। একেদৰে, ৰজাঘৰৰ সু-পৰিকল্পিত শিক্ষানীতিৰ অভাৱৰ বাবে আজি অসমে দেশৰ ভিতৰত শৈক্ষিক অপচয়ৰ সন্মুখীন হ'ব লগা হৈছে বুলি ক্ষোভ উজাৰে। সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ অন্তৰ্গত আল্লিয়া আঞ্চলিক ছাত্ৰ সন্থাই পশ্চিম বনভাগ আল্লিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কালি অনুষ্ঠিত দশম বাৰ্ষিক অধিবেশন আৰু অভিনন্দন অনুষ্ঠানত নিৰ্দিষ্ট বক্তাৰূপে অংশগ্ৰহণ কৰি ছাত্ৰ নেতাজনে ছাত্ৰ সমাজক সকলো প্ৰত্যাহ্বান নেওচি বিদ্যায়তনিক দিশত আগবাঢ়ি যাবলৈ আহ্বান জনায়। আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ধৰ্মেশ্বৰ দাসৰ সভাপতিত্বত আৰু সাধাৰণ সম্পাদক ১৩ পৃষ্ঠাত চাওক

## ফাৰ্মাচিষ্টসকল চিকিৎসালয় এখনৰ চালিকা শক্তি ঃ ডাঃ বড়ো

### ■ মুছলপুৰত বিশ্ব ফাৰ্মাচিষ্ট দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**মুছলপুৰ, ২৫ ছেপ্টেম্বৰ ঃ** 'ফাৰ্মাচিষ্ট সকল হৈছে চিকিৎসালয় এখনৰ চালিকা শক্তি স্বৰূপ। ফাৰ্মাচিষ্ট অবিহনে চিকিৎসালয় এখন পৰিচালিত হোৱা অসম্ভৱ।' আজি সদৌ অসম ফাৰ্মাচিষ্ট সেৱা সংস্থাই বাগ্‌সা জিলা সমিতিৰ উদ্যোগত মুছলপুৰত অনুষ্ঠিত বিশ্ব ফাৰ্মাচিষ্ট দিৱসৰ মুকলি সভাত উপস্থিত থাকি বিশিষ্ট চিকিৎসক ডাঃ মোহন চন্দ্ৰ বড়োৱে এইদৰে মন্তব্য কৰে। চিকিৎসকজনে লগতে কয় যে যদিও চিকিৎসকসকলে ৰোগীসকলৰ চিকিৎসাৰ পৰামৰ্শ দি ঔষধ লিখে, তথাপি



ফাৰ্মাচিষ্টসকলেহে ব্যৱহাৰিক দিশত প্ৰকৃত নিৰ্দেশনা দি ৰোগীসকলক উপকৃত কৰিবলৈ সক্ষম হয়। সভাত বিশিষ্ট শিশু ৰোগ বিশেষজ্ঞ ভোগেশ্বৰ বড়োৱে ফাৰ্মাচিষ্টসকলে পালন কৰি অহা দায়িত্ব আৰু কৰ্তব্যৰ শলাগ লোৱাৰ লগতে ফাৰ্মাচিষ্টসকলক চিকিৎসালয় এখনৰ নেপথ্যৰ নায়ক বুলি অভিহিত ১৩ পৃষ্ঠাত চাওক

## তিনিদিনীয়া কাৰ্যসূচীৰে শংকৰদেৱ সংঘৰ গুৰুজনাৰ ৫৭৪ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**ধিং, ২৫ ছেপ্টেম্বৰ ঃ** বিগত বছৰসমূহৰ দৰে এইবাৰো শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ধিং আঞ্চলিক শাখাৰ উদ্যোগত অহা চাৰি, পাঁচ আৰু ছয় অক্টোবৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে গুৰুজনাৰ ৫৭৪ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ আঞ্চলিকৰ কাৰ্যালয়ত আয়োজনৰ দিহা কৰা হৈছে। কাযসূচী অনুসৰি চাৰি অক্টোৱৰৰ সন্ধিয়া গন্ধিকা পৰিবেশন কৰিব লহকৰ গাঁৱৰ বাপসকলে, পাঁচ অক্টোবৰৰ পুৱা ঊষা কীৰ্তন, পৰিৱেশ নিকাকৰণ, নাম-প্ৰসংগ, ঘোষাপাঠ আৰু কবিতা আবৃত্তি। অনুষ্ঠানত উদ্বোধক ৰূপে উপস্থিত থাকিব দেবেন্দ্ৰ কুমাৰ দাস। ইয়াৰ পাছতে প্ৰহেলিকা শইকীয়াই উন্মোচনী শংকৰী নৃত্য পৰিবেশন কৰিব। দুপৰীয়া অনুষ্ঠিত হ'বলগা ধৰ্মালোচনী সভা উদ্বোধন কৰিব শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মূলৰ সদস্য হৰিদাস ৰাজকুমাৰে। অনুষ্ঠানত উন্মোচনী বৰগীত পৰিবেশন কৰিব কৰবী শইকীয়াই। উপেন ওজাৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগা ধৰ্মালোচনী সভাত নিদিষ্ট বক্তাৰূপে উপস্থিত থাকিব শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ মূলৰ প্ৰচাৰ সম্পাদক হেমন্ত কুমাৰ দাস। সংঘৰ সাহিত্য শাখাৰ সম্পাদক মানস প্ৰতীম বৰাই অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থকাৰ বিপৰীতে অতিথিৰূপে উপস্থিত থাকিব সংঘৰ নগাঁও জিলা শাখাৰ সভাপতি- সম্পাদক। বিয়লি সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হ'ব। অন্তিম দিনাৰ কাৰ্যসূচী অনুসৰি ছয় অক্টোবৰৰ পুৱা ১৩ পৃষ্ঠাত চাওক

## বাঙালী ঐক্যবদ্ধ হ'লে 'ডি' ভোটাৰৰ সমস্যা অতি শীঘ্ৰে সমাধান হ'ব


**অগ্ৰদূত বাৰ্তা**

**শ্ৰীৰামপুৰ, ২৫ ছেপ্টেম্বৰ ঃ** 'বছৰৰ পাছত বছৰ ধৰি ওলমি থকা সমস্যাসমূহ অতি সোনকালে সমাধান কৰা সম্ভৱ নহয়। বিজেপি নেতৃত্বাধীন চৰকাৰখনে দীৰ্ঘদিন ধৰি ওলমাই ৰখা সমস্যাসমূহ সমাধান কৰাৰ বাবে দৃঢ় পদক্ষেপ লৈছে। বিজেপি নেতৃত্বাধীন চৰকাৰ অহাৰ পাছৰ পৰা কোনো লোকৰ নামত 'ডি' ভোটাৰৰ নটিচ অহা নাই। এতিয়া কাৰো নামত যদি 'ডি' ভোটাৰৰ নটিচ আহিছে সেয়া ২০১২ৰ আগতে 'ডি' ভোটাৰ বুলি ঘোষণা হোৱা লোকসকলৰ নামতহে আহিছে।' এই ভাষ্য বিজেপিৰ বিধায়ক তথা বাঙালী ফেডাৰেছনৰ প্ৰাক্তন নেতা অজয় ৰায়ৰ। তেওঁ আজি গোসাঁইগাঁও মহকুমাৰ শিমুলটাপুস্থিত ৰাজহুৱা ভৱনত সদৌ বিটিআৰ বাঙালী

### সদৌ বিটিআৰ বাঙালী যুৱ-ছাত্ৰ ফেডাৰেছনৰ গোসাঁইগাঁও জিলা সমিতি গঠন

যুৱ-ছাত্ৰ ফেডাৰেছনৰ গোসাঁইগাঁও জিলা সমিতিৰ উদ্যোগত অনুষ্ঠিত হোৱা সাধাৰণ সভাত অংশগ্ৰহণ কৰি আৰু কয় যে যিসকল লোকৰ নামত ইতিমধ্যে 'ডি' ভোটাৰৰ জাননী প্ৰেৰণ কৰিছে সেই সকলে যাতে ন্যায়ালয়ক সন্মান জনাই আদালতত হাজিৰ হয়। কাৰণ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আদালতত দীৰ্ঘদিনে দ'ম বান্ধি থকা গোচৰসমূহ অতি সোনকালে নিষ্পত্তি কৰাৰ কাৰণে নিৰ্দেশ দিছে। গতিকে যিসকল লোকৰ নামত 'ডি' ভোটাৰৰ জাননী প্ৰেৰণ কৰিছে সেইসকল লোকে যাতে আইনক অৱজ্ঞা কৰি হাত সাবটি বহি নাথাকে। অন্যথা সেইসকল লোক বিপদৰ সন্মুখীন হ'ব। সেয়ে 'ডি' ভোটাৰৰ জাননী লাভ কৰা লোকসকলে যাতে আদালতৰ মজিয়াত যায় তাৰ বাবে আহ্বান জনায়। ১৩ পৃষ্ঠাত চাওক

## চেলেংহাটত নীটত সুখ্যাতিৰে উত্তীৰ্ণ মেধাৱী ছাত্ৰক সম্বৰ্ধনা



**চেলেংহাট, ২৫ ছেপ্টেম্বৰ ঃ** নিজা অধ্যাৱসায়ৰ জৰিয়তে নীট পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা যোৰহাট জিলাৰ মৰিয়নি বিধানসভা সমষ্টিৰ অন্তৰ্গত চেলেংহাট কুকুৰাচোৱা গাঁৱৰ ৰতিল বৰা আৰু নৱনিতা দত্ত বৰাৰ একমাত্ৰ পুত্ৰ জ্ঞানম জ্যোতি বৰাক কালি ৰাজহুৱা সম্বৰ্ধনা জনোৱা হয়। কুকুৰাচোৱা গাঁৱৰ খেলপথাৰত নিশা অনুষ্ঠিত এক ৰাজহুৱা অনুষ্ঠানত জ্ঞানমক বিভিন্ন অনুষ্ঠানৰ দ্বাৰা ৰাজহুৱাভাৱে অভিনন্দন জ্ঞাপন কৰা হয়। মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী উপস্থিত থকা অনুষ্ঠানত কুকুৰাচোৱা গাঁওবাসী ৰাইজৰ লগতে শংকৰ-মাধৱ সামাজিক-সাংস্কৃতিক গোষ্ঠী, চেলেংহাট প্ৰেছ ক্লাব, চেলেংহাট ১৩ পৃষ্ঠাত চাওক

## ৰূপহীহাটত আম আদমী পাৰ্টিত দুই শতাধিক লোকৰ যোগদান

**অগ্ৰদূত বাৰ্তা**

**ৰূপহীহাট, ২৫ ছেপ্টেম্বৰ ঃ** আজি ৰূপহীহাটত আম আদমী পাৰ্টিৰ এখন যোগদান সভা অনুষ্ঠিত হয়। ৰূপহী প্ৰেক্ষাগৃহত আয়োজন কৰা উক্ত যোগদান সভাত দলটোৰ উত্তৰ পূব ভাৰতৰ প্ৰভাৰী ৰাজেশ শৰ্মাই মুখ্য অতিথিৰূপে যোগদান কৰে। সভাখনত গুৱাহাটী পৌৰনিগমৰ কাউন্সিলৰ মাছুমা বেগমৰ উপৰি নগাঁও জিলা সমিতিৰ বিষয়ববীয়াসকল উপস্তিত আছিল। আজিৰ যোগদান সভাত সমষ্টিটোৰ বিভিন্ন প্ৰান্তৰ দুই শতাধিক লোকে দিল্লীৰ ১৩ পৃষ্ঠাত চাওক

## মেৰাপানীৰ যুৱ কৃষক অঞ্জল লিম্বুলৈ 'জৈৱিক ইণ্ডিয়া এৱাৰ্ড-২০২২' ৰাষ্ট্ৰীয় সন্মান

**অগ্ৰদূত বাৰ্তা**

**মেৰাপানী, ২৫ ছেপ্টেম্বৰ ঃ** জৈৱিক কৃষিৰে অসমৰ পৰা বহিঃৰাজ্যৰ লগতে আমেৰিকা, ডুবাইলৈ আদা, হালধি ৰপ্তানি কৰি বহুজনৰ বাবে আদৰ্শ কৃষকৰূপে নিজৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হোৱা মেৰাপানী মহকুমাৰ সৰুপানী গাঁও পঞ্চায়তৰ পদুম পথাৰ গাঁৱৰ আদৰ্শ যুৱ কৃষক অঞ্জল লিম্বুক প্ৰদান কৰা হৈছে 'জৈৱিক ইণ্ডিয়া এৱাৰ্ড-২০২২'ৰ ৰাষ্ট্ৰীয় সন্মান। যোৱা ২৩ ছেপ্টেম্বৰত উত্তৰ প্ৰদেশৰ আগ্ৰাৰ তাজ হোটেলত অনুষ্ঠিত হোৱা 'অৰ্গেনিক ফুড ইণ্ডিয়া কনক্লেভ-২০২২' অনুষ্ঠানত ভাৰত চৰকাৰৰ কৃষি মন্ত্ৰণালায়ৰ দ্বাৰা অনুমোদিত জৈৱিক কৃষিৰ বাবে আন্তৰ্জাতিক দক্ষতা কেন্দ্ৰৰ পৰা জৈৱিক আৰু প্ৰাকৃতিক কৃষিৰ শিতানত যুৱ কৃষকজনলৈ এই বঁটা প্ৰদান কৰে। অসমৰ হৈ এই বঁটা লাভ কৰা লিম্বুৱে ইতিমধ্যেই ৰাজ্যৰ এজন আদৰ্শ কৃষকৰূপে পৰিগণিত হৈ নিজৰ লগতে তেওঁৰ উদ্যোগত গঠন কৰা পদুম পথাৰ অৰ্গেনিক এগ্ৰ' প্ৰডিউচাৰ কোম্পানীৰ জৰিয়তে অঞ্চলটোৰ ১৫০০ কৃষকক লগত লৈ অসম চৰকাৰৰ কৃষি আৰু হাৰ্টিকালচাৰ বিভাগৰ সহযোগত সম্পূৰ্ণ জৈৱিক পদ্ধতিৰে আদা, হালধিৰ খেতি কৰি বহিঃৰাজ্যৰ লগতে আমেৰিকা, ছৌদি আৰৱলৈ ৰপ্তানি কৰি সমাদৃত হৈছে। আদা, হালধিৰ খেতিৰ লগতে লিম্বুৰ নেতৃত্বত কৃষকসকলে জৈৱিক পদ্ধতিৰে নেমু, অমিতা, ৰঙালাও, কচু, কল আদিৰ খেতি কৰি বৃহৎ অৰ্থনৈতিক সফলতা লাভ কৰিবলৈ সক্ষম হৈছে।

## তেজপুৰৰ বাণ থিয়েটাৰত 'ব্ৰীজ'ৰ পৰিচালকসহ অভিনেতা-অভিনেত্ৰী

### ৩০ ছেপ্টেম্বৰত চিত্ৰগৃহত মুক্তি লাভ কৰিব ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত খ্যাতি লাভ কৰা অসমীয়া ছবিখনে

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২৫ ছেপ্টেম্বৰ ঃ** অহা ৩০ ছেপ্টেম্বৰত ৪৫ টা ছবিগৃহত একেলগে মুক্তি লাভ কৰিব 'ব্ৰীজ' নামৰ অসমীয়া চলচ্চিত্ৰখনে। ইতিমধ্যে ৬৮ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত অসমীয়া ছবিৰ ৰজত কমল বঁটাৰ লগতে ১৯ টাকৈ ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় সন্মান কঢ়িয়াবলৈ সক্ষম হৈছে 'ব্ৰীজ'। ছবখিনৰ পৰিচালক তথা এজন দক্ষ অভিনেতা কৃপাল কলিতাই যোৱা নিশা তেজপুৰৰ ঐতিহ্যমণ্ডিত বাণ থিয়েটাৰত তেজপুৰৰ সাংস্কৃতিক ক্ষেত্ৰখনৰে জড়িত বহুসংখ্যক ব্যক্তিৰ সন্মুখত চলচ্চিত্ৰখনৰ নিৰ্মাণৰ কেতবোৰ স্মৃতিৰে আবেগিক হৈ পৰে। অসমীয়া চলচ্চিত্ৰৰ পথিকৃত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, সৈনিকশিল্পী বিষ্ণু প্ৰসাদ ৰাভা আৰু নটসূৰ্য ফণী শৰ্মাৰ কৰ্মসাধনাৰ স্থলী তেজপুৰৰ ৰাইজৰ আশিস লৈয়েই শিল্পকলা ক্ষেত্ৰখনত অগ্ৰসৰ হোৱাৰ কথা কৈ সেইসকল মনীষীৰ আশীৰ্বাদতেই ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অসম মাতৃৰ বুকুলৈ তেওঁৰ কৰ্মেৰে সন্মান কঢ়িয়াই অনা সম্ভৱ হৈছে বুলি মন্তব্য কৰে 'ব্ৰীজ'ৰ পৰিচালক কলিতাই। উল্লেখ্য যে দীৰ্ঘদিন ধৰি বাণ থিয়েটাৰৰ স'তে এক আত্মিক সম্পৰ্ক বজাই অহা পৰিচালক কলিতাক 'ব্ৰীজ'ৰ একাংশ অভিনেতা-অভিনেত্ৰীক লৈ বাণ থিয়েটাৰে আয়োজন কৰা এক শুভেচ্ছামূলক অনুষ্ঠানত কলিতাই 'ব্ৰীজ'ৰ প্ৰথম দৃশ্য গ্ৰহণৰ বাবে ঢকুৱাখনাৰ সোণাৰি চাপৰি নামৰ গাঁওখনত ১৩ পৃষ্ঠাত চাওক

## কোকৰাঝাৰ জিলা উপায়ুক্তই শান্তিপূৰ্ণভাৱে দুৰ্গা পূজা উদ্‌যাপন কৰিবলৈ পূজা সমিতিক আহ্বান

**বিসৰ্জনৰ শোভাযাত্ৰাত ডিজে ছাউণ্ড ছিষ্টেম নিষিদ্ধ**

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ২৫ ছেপ্টেম্বৰ ঃ** শব্দ প্ৰদূষণৰ প্ৰতি লক্ষ্য ৰাখি কোকৰাঝাৰ জিলা প্ৰশাসন দুৰ্গা পূজাৰ বিসৰ্জনৰ শোভাযাত্ৰাত কোকৰাঝাৰ জিলা প্ৰশাসনে ডিজে ছাউণ্ড ছিষ্টেম ব্যৱহাৰ কৰিব নোৱাৰিব বুলি আগন্তুক দুৰ্গা পূজা সন্দৰ্ভত কালি অনুষ্ঠিত সভাত সিদ্ধান্ত লোৱা হয়। কোকৰাঝাৰ সদৰৰ অন্তৰ্গত পূজা সমিতিসমূহৰ স'তে কোকৰাঝাৰ জিলাৰ নিৰ্বাচন কাৰ্যালয়ৰ সভাকক্ষত কালি বিয়লি এখন সভা অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে কোকৰাঝাৰ উপায়ুক্ত বৰ্ণালী ডেকাই। বৈঠকত অতিৰিক্ত উপায়ুক্ত, উপ-আৰক্ষী অধীক্ষক, চক্ৰ বিষয়া, এপিডিচিএলৰ বিষয়া, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, জনস্বাস্থ্য অভিযান্ত্ৰিক বিভাগ, অগ্নি আৰু জৰুৰীকালীন সেৱা, জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ বিষয়া, পূজা সমিতিসমূহৰ সভাপতি আৰু সম্পাদকসকল উপস্থিত থাকে। উপায়ুক্ত ডেকাই জিলাখনত আগন্তুক দুৰ্গা পূজা শান্তিপূৰ্ণ আৰু সংৰক্ষিতভাৱে উদ্‌যাপন কৰাৰ উদ্দেশ্যে পূজা সমিতিসমূহে মানি চলিবলগীয়া নিৰ্দেশনাসমূহৰ ৰূপৰেখা দাঙি ধৰে। তেওঁ কয় যে পূজা সমিতিবোৰে নিয়ম অনুসৰি পূজা অনুষ্ঠিত কৰাৰ অনুমতি ল'ব লাগিব। একেদৰে, বিদ্যুৎ সংযোগৰ বাবে ১৩ পৃষ্ঠাত চাওক

## টংলাত হীৰক জয়ন্তী বৰ্ষত প্ৰগতি সংঘৰ সাৰ্বজনীন শাৰদীয় দুৰ্গোৎসৱৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**

**টংলা, ২৫ ছেপ্টেম্বৰ ঃ** ওদালগুৰি জিলাৰ অন্যতম প্ৰাচীন টংলা প্ৰগতি সংঘৰ সাৰ্বজনীন শাৰদীয় দুৰ্গোৎসৱ। বৃহত্তৰ টংলা অঞ্চলৰ পুৰণি টংলা সাৰ্বজনীন বুঢ়া থান আৰু দুৰ্গা পূজা সমিতি, টংলা জালুকবাৰী পূজা খোলাৰ বাৰোৱাৰী দুৰ্গা পূজাৰ পাছতে তৃতীয় সৰ্বোত্তম পুৰণি টংলা প্ৰগতি সংঘৰ দুৰ্গোৎসৱ। ১৯৪৮ৰ সেই সময়ৰ বিশিষ্ট সমাজকৰ্মী শশধৰ ঘোষ আৰু ঊষাৰাণী ঘোষৰ পৰিয়ালে টংলা বাবুপাৰাত দান কৰা ভূমিত স্থানীয় নিবাসীসকলৰ প্ৰচেষ্টাত উক্ত বৰ্ষতে প্ৰগতি সংঘই প্ৰতিষ্ঠা লাভ কৰে আৰু সেই ১৯৪৮তে সমাজকৰ্মী ভূপেশ চন্দ্ৰ বসু সভাপতি লগতে ৰতীশ সৰকাৰক সম্পাদকৰ দায়িত্ব অৰ্পণ কৰি অনুষ্ঠিত হোৱা দুৰ্গোৎসৱে এইবেলি ৭৫ বৰ্ষত খোজ পেলালে। হীৰক জয়ন্তী বৰ্ষত টংলা প্ৰগতি সংঘই এইবেলি দুৰ্গোৎসৱ অধিক আকৰ্ষণীয় ৰূপত সজাই পৰাই উদ্‌যাপনৰ ব্যাপক প্ৰস্তুতি চলাইছে।। ১০ লাখ টকাৰ ব্যয় সাপেক্ষে দুৰ্গোৎসৱটি অনুষ্ঠিত কৰিবলৈ ইতিমধ্যে আকৰ্ষণীয় ৰূপত সজাই তুলিছে পূজা মণ্ডপ। দুৰ্গোৎসৱ উদ্‌যাপনৰ লগতে ভক্ত ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সজাই তুলিছে প্ৰদৰ্শনীমূলক এখন ক্ষুদ্ৰ গাঁও। সমগ্ৰ পূজা মণ্ডপকে আলোকসজ্জাৰে আকৰ্ষণীয় ৰূপত সজাই তোলা পৰিলক্ষিত হৈছে। এই উপলক্ষে পহিলা অক্টোবৰত মাতৃসকলৰ পানী তোলা কাৰ্যসূচীৰে কাৰ্যসূচী আৰম্ভ হ'ব। ইয়াৰ পাছতে প্ৰগতি সংঘৰ ভূমিদাতা প্ৰয়াত শশধৰ ঘোষৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি অৰ্পণ, হীৰক জয়ন্তী বৰ্ষৰ আকৰ্ষণীয় মুখ্য তোৰণ উন্মোচন আৰু স্থানীয় শিল্পীৰ দ্বাৰা সমবেত সংগীত লগতে ভক্তিমূলক নৃত্য পৰিৱেশন। দুই অক্টোবৰত নৱ পত্ৰিকা প্ৰৱেশ, স্থাপন আৰু সপ্তমী বিহিত পূজা আৰম্ভ। ইয়াৰ পাছতে দেৱীৰ শ্ৰীচৰণত অঞ্জলি অৰ্পণ, অসহায় লোকৰ মাজত বস্ত্ৰ বিতৰণ, টংলা সামূহিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক আৰু চিকিৎসা কৰ্মীসকলক সম্বৰ্ধনা জ্ঞাপন আৰু অন্যান্য। তিনি অক্টোবৰত শ্ৰীশ্ৰী দুৰ্গাদেৱীৰ মহাষ্টমীৰ বিহিত পূজা আবেলি ১৩ পৃষ্ঠাত চাওক

## আনন্দ বজাৰত ৬৪ সংখ্যক দুৰ্গা পূজা উদ্‌যাপনৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ২৫ ছেপ্টেম্বৰ ঃ** বিগত বছৰৰ দৰে এইবেলিও একৰ পৰা পাঁচ অক্টোবৰলৈ পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে বাগ্‌সাৰ শালবাৰীৰ আনন্দ বজাৰত ৬৪ সংখ্যক আনন্দ বজাৰ আঞ্চলিক দুৰ্গা পূজা উদ্‌যাপনৰ আয়োজন কৰা হৈছে। দুৰ্গা পূজা উদ্‌যাপন সমিতিৰ সভাপতি হৰগোবিন্দ দাস, উপ-সভাপতি কুলেন নাথ, সম্পাদক দেৱজিৎ তালুকদাৰ আৰু সহকাৰী সম্পাদক সঞ্জীৱ তালুকদাৰে জানিবলৈ দিয়া মতে, কাৰ্যসূচী অনুসৰি এক অক্টোবৰৰ সন্ধিয়া ষষ্ঠী বিহিত পূজা আৰম্ভ, আৰতি প্ৰদান আৰু প্ৰসাদ বিতৰণ, নিশা আনন্দ বজাৰ ৰামধেনু নাট্যগোষ্ঠীৰ দ্বাৰা নাট প্ৰদৰ্শন কৰা হ'ব। দুই অক্টোবৰৰ পুৱা সপ্তমী বিহিত পূজা আৰম্ভ, আবেলি কমলাবাৰী শালবাৰীৰ শিল্পীৰ দ্বাৰা ঢুলীয়া প্ৰদৰ্শন, সন্ধিয়া আৰতি প্ৰদান আৰু প্ৰসাদ বিতৰণ, নিশা স্থানীয় শিল্পীৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। তিনি অক্টোবৰৰ পুৱা অষ্টমী বিহিত পূজা, আবেলি ঢুলীয়া প্ৰদৰ্শন, সন্ধিপূজা আৰম্ভ, সন্ধিয়া আৰতি প্ৰদান আৰু প্ৰসাদ বিতৰণ, নিশা কৰ্দৈগুৰি শংকৰদেৱ নাট্য দলৰ দ্বাৰা নাট প্ৰদৰ্শন। চাৰি অক্টোবৰৰ পুৱা নৱমী বিহিত পূজা, আবেলি ঢুলীয়া প্ৰদৰ্শন, সন্ধিয়া আৰতি প্ৰদান আৰু প্ৰসাদ বিতৰণ, নিশা একক নৃত্য প্ৰতিযোগিতা। পাঁচ অক্টোবৰৰ পুৱা দশমী বিহিত পূজা, আবেলি প্ৰতিমা বিসৰ্জন, ১৩ পৃষ্ঠাত চাওক






# অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে শৃংখলা লাভ ভাৰতৰ



**হায়দৰাবাদ, ২৫ ছেপ্টেম্বৰ ঃ** ভাৰতে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-২০ শৃংখলাটো ২-১ ৰ ব্যৱধানত দখল কৰিছে। আজি হায়দৰাবাদত হোৱা শৃংখলাৰ নিৰ্ণায়ক তৃতীয় তথা অন্তিম খন মেচত ভাৰত ছয় উইকেটত জয়লাভ কৰে। ১৮৭ ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰা ভাৰতে ১৯.৫ অভাৰত চাৰিটা উইকেট হেৰুৱাই পূৰ্ণ কৰি চমকপ্ৰদ বিজয় অৰ্জন কৰে। ভাৰতৰ দুই অপেনাৰ লোকেছ ৰাহুল (১ৰ আৰু ৰোহিত শৰ্মা (১৭ৰ আজি ব্যৰ্থ হয় যদিও বিৰাট কোহলিৰ দায়িত্বশীল ৬৩ ৰাণ আৰু সূৰ্য কুমাৰ যাদবৰ বিস্ফোৰক ৬৯ ৰাণৰ সহায়ত টীম ইণ্ডিয়াই মেচখনত জয় অৰ্জন কৰাৰ লগতে শৃংখলাও দখল কৰে। ইয়াৰপূৰ্বে পোনতে বেটিং কৰা অষ্ট্ৰেলিয়াই ২০ অভাৰত সাত উইকেট হেৰুৱাই ১৮৬ ৰাণ কৰে। দলৰ হৈ গ্ৰীনে ৫২ আৰু ডেভিদে ৫৪ ৰাণ কৰে। ভাৰতৰ অক্ষৰ পেটেলে তিনিটা উইকেট লাভ কৰাৰ বিপৰীতে যজবেন্দ্ৰ চাহাল আৰু হাৰ্দিকে মিতব্যয় বলিং কৰে। উল্লেখ্য যে প্ৰথম মেচত ব্যৰ্থতাৰ পাছতো ক্ৰমাগত দুখন মেচত জয়ী হৈ শৃংখলা দখল কৰিলে ভাৰতে। ভাৰত প্ৰথমখন খেলত চাৰি উইকেটত পৰাস্ত হৈছিল যদিও নাগপুৰৰ বৰ্ষা বিঘ্নিত দ্বিতীয় মেচত ছয় উইকেটত জয়লাভ কৰিছিল। আঠ অভাৰৰ মেচখনত অষ্ট্ৰেলিয়াই ৯০-৫ ৰাণ কৰাৰ পাছত ভাৰতে চাৰিটা বল বাকী থাকেতেই ৯২-৪ ৰাণ কৰি বিজয়লক্ষ্যত উপনীত হয়। ইয়াৰপূৰ্বে ম'হালিত হোৱা মেচত পোনতে বেটিং কৰি টীম ইণ্ডিয়াই নিৰ্ধাৰিত ২০ অভাৰত ছয় উইকেট হেৰুৱাই ২০৮ ৰাণ কৰিছিল যদিও বলিং দুৰ্বলতাৰ বাবে অষ্ট্ৰেলিয়াই ১৯.২ অভাৰত ছয় উইকেট হেৰুৱাই ২১১ ৰাণ কৰি সহজ জয় অৰ্জন কৰে। উল্লেখ্য যে অষ্ট্ৰেলিয়াত অনুষ্ঠিত হ'বলগীয়া আসন্ন টি-২০ বিশ্বকাপ ক্ৰিকেটলৈ সাজু হোৱাৰ বাবে টীম ইণ্ডিয়াই ঘৰত মুঠ ছখন মেচ খেলিছে। অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে তিনিখন টি-২০ মেচ খেলাৰ পাছত এতিয়া দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধেও তিনিখনীয়া টি-২০ ৰ এক শৃংখলাত অংশ ল'ব টীম ইণ্ডিয়াই।

### তৰুণ ৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত ছয় ৰাষ্ট্ৰৰ শ্বাটলাৰৰ প্ৰথম আন্তৰ্জাতিক প্ৰতিযোগিতা

# আজিৰে পৰা গুৱাহাটীত দক্ষিণ এছিয়া বেডমিণ্টন

**গুৱাহাটী, ২৫ ছেপ্টেম্বৰ ঃ** কৰ'না মহামাৰীৰ পাছত অসম বেডমিণ্টন সন্থাই প্ৰথমবাৰৰ বাবে ৰাজ্যত আন্তৰ্জাতিক বেডমিণ্টন প্ৰতিযোগিতা আয়োজনৰ বাবে সাজু হৈছে। উল্লেখ্য যে কাইলৈৰ পৰা গুৱাহাটীত আৰম্ভ হ'ব দক্ষিণ এছিয়া জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতা। ভাৰতসহ ছখন দেশে অংশ ল'ব লগা ১৫ আৰু ১৭ বছৰ অনূৰ্দ্ধৰ ল'ৰা-ছোৱালীৰ উক্ত প্ৰতিযোগিতাৰ মেচ গুৱাহাটীৰ ৰাধা গোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ দেশভক্ত তৰুণ ৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। অসম বেডমিণ্টন সন্থাৰ সম্পাদক ওমৰ ৰছিদে জনোৱা অনুসৰি কাইলৈ আবেলি পাঁচ বজাত প্ৰতিযোগিতাখন আনুষ্ঠানিকভাবে উদ্বোধন কৰা হ'ব। এই অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকিব গুৱাহাটীৰ আৰক্ষী আয়ুক্ত হৰমীট সিং। আনহাতে, সন্মানীয় অতিথি হিচাপে উদ্বোধনী অনুষ্ঠানত অংশ ল'ব ক্ৰীড়া সঞ্চালক নিবেদন দাস পাটোৱাৰী আৰু অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰ। তদুপৰি ভাৰতীয় বেডমিণ্টন সন্থাৰ উপ-সভাপতি এছ মুৰালীধৰন, শেখৰ চন্দ্ৰ বিশ্বাস, বেডমিণ্টন এছিয়াৰ থানাবালান আৰিকৃষ্ণন, লিন না য়াউ, অৰুনা সঞ্জীৱা, অসম বেডমিণ্টন সন্থাৰ কাৰ্যকৰী সভাপতি তুলিৰাম ৰাংহাং, আয়োজক কমিটীৰ অধ্যক্ষ পাৰ্থ সাৰথি মহন্ত, উপ-সভাপতি প্ৰদীপ হাজৰিকা, এল হেমন্ত সিং, মল্লিকা বৰুৱা শৰ্মাসহ অসম বেডমিণ্টন সন্থাৰ সকলো বিষয়াববীয়া উপস্থিত থাকিব। উল্লেখ্য যে অহা ৩০ ছেপ্টেম্বৰলৈ হ'বলগা পাঁচ দিনীয়া প্ৰতিযোগিতাখনত ১৫ আৰু ১৭ বছৰ অনূৰ্দ্ধৰ মিক্সড দলীয় ইভেণ্টৰ খেল হোৱাৰ লগতে ল'ৰা-ছোৱালী উভয় শাখাৰে একক, ডাবলছ আৰু মিক্সড ডাবলছ শাখাৰ খেল অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত অংশ ল'ব লগা ভাৰতৰ লগতে নেপাল, ভূটান, শ্ৰীলংকা আৰু মালদ্বীপৰ শ্বাটলাৰসকল আহি গুৱাহাটীত উপস্থিত হৈছে তথা আজি অনুশীলনতো অংশ লয়। কাইলৈ পুৱা আহিব বাংলাদেশ দল। উল্লেখ্য যে তৃতীয়বাৰৰ বাবে গুৱাহাটীত অনুষ্ঠিত হ'ব দক্ষিণ এছিয়া জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতা।



# ৰাষ্ট্ৰীয় ক্ৰীড়াত স্বৰ্ণ জয়ৰ হেট্ৰিকৰ লক্ষ্য নয়নমণিৰ

## খেলুৱৈক দিয়া সুবিধাৰ বাবে ৰাজ্য চৰকাৰ-অসম অলিম্পিকক ধন্যবাদ

**গুৱাহাটী, ২৫ ছেপ্টেম্বৰ ঃ** আসন্ন গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত স্বৰ্ণ জয়ৰ হেট্ৰিক অৰ্জন কৰাৰ লক্ষ্যৰে আজি গুৱাহাটীৰ পৰা আহমেদাবাদলৈ উৰা মাৰিছে ভাৰত গৌৰৱ ক্ৰীড়াবিদ অসম জননীৰ সুযোগ্য কন্যা নয়নমণি শইকীয়া। উল্লেখ্য যে বাৰ্মিংহাম কমনৱেলথ গেমছত ঐতিহাসিক সোণ লাভ কৰি দেশক গৌৰৱান্বিত কৰা লন বল খেলুৱৈ নয়নমণিয়ে ক্ৰমাগত তৃতীয়খন ৰাষ্ট্ৰীয় ক্ৰীড়া খেলিব অসমক প্ৰতিনিধিত্ব কৰি। ইয়াৰপূৰ্বে ২০১১ ত ঝাৰখণ্ড আৰু ২০১৫ ৰ কেৰালা ৰাষ্ট্ৰীয় ক্ৰীড়াতো অংশ লৈছিল নয়নমণিয়ে। পূৰ্বৰ দুয়োখন ৰাষ্ট্ৰীয় ক্ৰীড়াতে অসমক সোণৰ পদক দি গৌৰৱময় সফলতা লাভ কৰা নয়নমণিৰ লক্ষ্য এইবাৰ গুজৰাটতো সোণ জয় কৰি হেট্ৰিক অৰ্জন কৰা। লন বলত অসম দলে ভাল প্ৰদৰ্শন কৰিব বুলিও দৃঢ়তাৰে ব্যক্ত কৰে নয়নমণিয়ে। উল্লেখ্য যে আজি গুৱাহাটীৰ বৰঝাৰ বিমান বন্দৰৰ পৰা ৰাওনা হোৱা ১৪ জনীয়া অসম ল'ন বল দলত নয়নমণিৰ লগতে আছে বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰা তানিয়া চৌধুৰী আৰু মৃদুল বৰগোহাঁয়ো। ইফালে, ৰাষ্ট্ৰীয় ক্ৰীড়ালৈ প্ৰথমবাৰৰ বাবে অসমৰ খেলুৱৈক বিমানযোগে অহা-যোৱা কৰাৰ যি সুবিধা ৰাজ্য চৰকাৰ আৰু অসম অলিম্পিক সন্থাই দিছে তাৰ বাবে চৰকাৰ আৰু অলিম্পিক সন্থাক ধন্যবাদ জনাইছে নয়নমণিয়ে। 'এয়া প্ৰথমবাৰৰ বাবে হৈছে। পূৰ্বে দুখন ৰাষ্ট্ৰীয় ক্ৰীড়াত খেলাৰ সময়ত আমি ৰেলযোগে অহা-যোৱা কৰিছিলো। যাত্ৰা অতিশয় কষ্টকৰ হৈছিল। কিন্তু অসমৰ খেলুৱৈক



প্ৰথমবাৰৰ বাবে আন্তৰ্জাতিক সুবিধা প্ৰদান কৰিলে বৰ্তমানৰ ৰাজ্য চৰকাৰ আৰু অসম অলিম্পিক সন্থাই। স্বাভাৱিকতে এয়া খেলুৱৈৰ প্ৰতি অভাৱনীয় মৰম। অসমত এতিয়া খেলৰ পৰিৱেশে সলনি হৈ গৈছে। ৰাজ্য চৰকাৰ আৰু অসম অলিম্পিক সন্থাই যি আদৰণীয় ব্যৱস্থা হাতত লৈছে ইয়াৰ ইতিবাচক প্ৰভাৱ ক্ৰীড়াজগত পৰিব আৰু সমগ্ৰ ৰাজ্যৰ পৰাই নতুন প্ৰতিভা ওলাই আহিব ৰাজ্য আৰু দেশৰ হৈ খেলিবৰ বাবে।' নয়নমণিয়ে ব্যক্ত কৰে। উল্লেখ্য যে ৩৬ সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমে লন বলৰে নিজৰ অভিযান আৰম্ভ কৰিব। ইফালে, আহমেদাবাদত উপস্থিত হোৱা অসম দলৰ চিফ-দ্য-মিছন ৰাজ কাকতিয়ে দলৰ অন্য সদস্যৰ স'তে খেলুৱৈ থকা হোটেল, খেল পথাৰ, অনুশীলনস্থলী সকলো প্ৰত্যৱেক্ষণ কৰাৰ লগতে ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ বিষয়াৰ লগত সভাত বহি অসম দলৰ সুব্যৱস্থাৰ বিষয়টো আলোচনা কৰে।





## জিএছএ লীগত এএছইবিৰ জয়

**গুৱাহাটী, ২৫ ছেপ্টেম্বৰ ঃ** গুৱাহাটী ক্ৰীড়া সন্থাৰ আৰ জি বৰুৱা ছুপাৰ ডিভিজন ফুটবল লীগত এ এছ ই বি এছ চিয়ে আজি গুৱাহাটী টাউন ক্লাবক ৩-০ গ'লত পৰাস্ত কৰে । প্ৰথমাৰ্ধ গ'লশূন্যভাৱে সমাপ্ত হোৱাৰ পাছত দ্বিজৰাজ বড়োৱে এএছইবিৰ হৈ ৪৮ মিনিটত প্ৰথমটো গ'ল কৰে । তাৰ পাছত অৰ্জুন মাৰ্ডীয়ে ৭৮ আৰু ৯০ মিনিটত দুটা গ'ল দি এএছইবিৰ তিনি পইণ্ট নিশ্চিত কৰে । এয়া লীগৰ তিনিখন মেচত এএছইবিৰ তৃতীয় জয় । আনহাতে, জীৱেশ্বৰ গোস্বামী এ ডিভিজন ফুটবল লীগত আজি ডাইনামো ক্লাবে নাৰেংগী এছচিৰ বিৰুদ্ধে ৱাকঅ'ভাৰ লাভ কৰে । কাইলৈ ছুপাৰ ডিভিজনত মহাৰাণা ক্লাবে নৱজ্যোতি ক্লাবৰ বিৰুদ্ধে আৰু এ ডিভিজনত কামৰূপা এফচিয়ে মেট্ৰ' এছচিৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিব।

## অসম ফুটবল দলত চিমি গগৈ



**অগ্ৰদূত বাৰ্তা, কলিয়াবৰ, ২৫ ছেপ্টেম্বৰ ঃ** গুজৰাটৰ আহমেদাবাদত হ'বলগা ৩৬ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াৰ অসম মহিলা ছোৱালী দলত স্থান লাভ কৰিছে কলিয়াবৰৰ চিমি গগৈয়ে। কলিয়াবৰ ক্ৰীড়া সন্থাৰ অধীনৰ ফ্ৰেইণ্ডশ্বীপ ক্লাৱৰ ফুটবলাৰ চিমি গগৈ বৰ্তমান গুৱাহাটীত অনুশীলনত ব্যস্ত। উল্লেখ্য যে আন্তঃজিলা চিনিয়ৰ মহিলা ফুটবল প্ৰতিযোগিতাত কলিয়াবৰ জিলা দলক প্ৰতিনিধিত্ব কৰি নিজৰ নিপুন ক্ৰীড়া শৈলীৰে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল চিমি গগৈয়ে। সেয়েহে ৰাজ্যিক মহিলা ফুটবল দললৈ নিৰ্বাচিত হৈছে চিমি। চিমিৰ এই সাফল্যত উৎফুল্লিত কলিয়াবৰবাসী।

## মণিপুৰক হৰুৱাই অম্বা মেধি ফুটবলৰ ছেমিত আই টি বি পি

**অগ্ৰদূত বাৰ্তা, মঙলদৈ, ২৫ ছেপ্টেম্বৰ ঃ** মঙলদৈ ক্ৰীড়া সন্থাৰ উদ্যোগত চলি থকা অম্বা মেধি আমন্ত্ৰণমূলক প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাত পঞ্জাৱৰ ইণ্ডো তিব্বত ব'ৰ্ডাৰ পুলিচ চমুকৈ আই টি বি পিয়ে ছেমিফাইনেলত স্থান লাভ কৰিছে। আজি আই টি বি পি পঞ্জাৱ আৰু মণিপুৰ ফুটবল ক্লাবৰ মাজত হোৱা খেলখন নিৰ্ধাৰিত সময়ত গ'লশূণ্যভাবে সামৰণি পৰাত ৰেফাৰীয়ে টাইব্ৰেকাৰৰ সহায়ত ফলাফল নিৰ্ধাৰণ কৰে। টাইব্ৰেকাৰত আই টি বি পিৰ হৈ জন পল, লেপছা, সুৰজিৎ আৰু শশাংকই গ'ল কৰাৰ বিপৰীতে মণিপুৰৰ হৈ লালা সিং আৰু কেইফাবাইহে স্ক'ৰ কৰিবলৈ সক্ষম হয়। প্ৰতিযোগিতাৰ কাইলৈ অসম পুলিচ ব্লুজ ফুটবল দলে দাৰ্জিলিঙৰ ৰাইডাঙা এছ এছ বি ফুটবল দলৰ বিপক্ষে অৱতীৰ্ণ হ'ব।

## লেহোৰাম বড়ো ফুটবলত দ্বাৰকুছি দলৰ চেম্পিয়ন ট্ৰফী

**অগ্ৰদূত বাৰ্তা, তামুলপুৰ, ২৫ ছেপ্টেম্বৰ ঃ** তামুলপুৰ জিলা ইউপিপিএলৰ যুৱ শাখাৰ উদ্যোগত আৰু গয়বাৰী শাখা যুৱ ইউপিপিএলৰ সহযোগত তামুলপুৰৰ প্ৰাক্তন বিধায়ক প্ৰয়াত লেহোৰাম বড়ো সোঁৱৰনি প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাত দ্বাৰকুছি প্ৰাথমিক ইউপিপিএল দলে চূড়ান্ত বিজয়ীৰ খিতাপ লাভ কৰে । আজি অনুষ্ঠিত ফাইনেল খেলত দলে বাৰেইগাঁও প্ৰাথমিক দলক ২-০ গলৰ ব্যৱধানত পৰাস্ত কৰি বিজয়ী হয় । তামুলপুৰৰ বিধায়ক জলেন দৈমাৰীয়ে উদ্বোধন কৰা চূড়ান্ত খেলৰ বিজয়ী আৰু বিজিত দলক বঁটা বিতৰণ কৰে কেন্দ্ৰীয় যুৱ ইউপিপিএলৰ সাধাৰণ সম্পাদক ৰোমিত নাৰ্জাৰীয়ে।

## অতুল-মনাই গগৈ ফুটবলৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**
**চেপন, ২৫ছেপ্টেম্বৰ ঃ** টিফুক নৱজ্যোতি যুৱ সংঘৰ উদ্যোগত আৰু চৰাইদেউ জিলা ক্ৰীড়া সন্থাৰ তত্বাৱধানত চলি থকা চতুৰ্থ বাৰ্ষিক অতুল গগৈ আৰু মনাই গগৈ সোঁৱৰণি আমন্ত্ৰণমূলক প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাত বকতা ছীডফাৰ্ম ক'চিং চেণ্টাৰে চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছে। স্থানীয় টিফুক ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত প্ৰতিযোগিতাৰ চূড়ান্ত খেলখনত বকতা ছীডফাৰ্ম ক'চিং চেণ্টাৰে চেপন ইউনাইটেড এফ.চিক ২-০ গলৰ ব্যৱধানত পৰাজিত কৰে। তীব্ৰ প্ৰতিদ্বন্দিতামূলক খেলখনৰ প্ৰথমাৰ্ধৰ ৩৮ মিনিটত ছীডফাৰ্মৰ হৈ উজ্বল তাছা আৰু দ্বিতীয়াৰ্ধৰ ৮৮ মিনিটত ৰাহুল সোণোৱালে একোটাকৈ গ'ল স্ক'ৰ কৰে। চূড়ান্ত খেলখন পৰিচালনা কৰে ঘন বড়া (সাপেখাটী), ৰাহুল মল্লিক (চফ্ৰাই), গৌতম বড়া (কানুবাৰী) মনোজ বড়া (সাপোখাটী) আৰু ডম্বৰু চাংমাই (নাফুক)। ইয়াৰ পূৰ্বে চূড়ান্ত খেলৰ আৰম্ভণিত অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী যোগেন মহন তথা মৰাণহাট ক্ৰীড়া সন্থাৰ সভাপতি যোগেন মহন, আপ্‌কু শিৱসাগৰ জিলা সমিতিৰ সভাপতি পদুম কুমাৰ শইকীয়া, প্ৰতিযোগিতাৰ পুৰস্কাৰ দাতাসদস্য ক্ৰমে কুলপ্ৰসাদ গগৈ, কুঞ্জলতা গগৈ, জুলি গগৈ, প্ৰাক্তন ৰাজ্যিক ফুটবলাৰ ললিত চাবুকধৰা, চৰাইদেউ জিলা ক্ৰীড়া সন্থাৰ ফুটবল সম্পাদক অনিল চাংমাই, বিশিষ্ট চিত্ৰ শিল্পী সুমিত বড়া, খেল পৰিচালনা সমিতিৰ সভাপতি ভবানী গগৈ, শিক্ষক নকুল ফুকনক দুয়োদলৰ খেলুৱৈ আৰু খেলপৰিচালক মণ্ডলীৰ সৈতে পৰিচয় কৰাই দিয়া হয়। আনহাতে চূড়ান্ত খেলৰ সামৰণিত নৱজ্যোতি যুৱ সংঘৰ সভাপতি শৰৎ শেনছোৱাই আঁত ধৰা বটাঁ বিতৰণী অনুষ্ঠানত নিমন্ত্ৰিত বিশিষ্ট ব্যক্তি আৰু পুৰস্কাৰ দাতা সদস্যসকলৰ দ্বাৰা চূড়ান্ত খেলৰ বিজয়ী আৰু বিজিত দলদুটাৰ লগতে প্ৰতিযোগিতাৰ বিভিন্ন শিতানৰ পুৰস্কাৰসমূহ প্ৰদান কৰা হয়। উল্লেখ্য সৰ্বমুঠ ১৬ টা দলে যোগদান কৰা প্ৰতিযোগিতাখনৰ শ্ৰেষ্ঠ শংখলাবদ্ধ দলৰ পুৰস্কাৰ লাভ কৰে আত্মা ফুটবল একাদশে। প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈৰ পুৰস্কাৰ লাভ কৰে চেপন ইউনাইটেডৰ আলি কুৰেশ্বিয়ে। চূড়ান্ত খেলৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে ছীডফাৰ্ম ক'চিং চেণ্টাৰৰ উজ্বল তাছাই। আহাতে প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ গ'লৰক্ষকৰ বটাঁ লাভ কৰে চেপন ইউনাইটেড এফ.চিৰ অমৃত চবৰে। তদুপৰি এই অনুষ্ঠানতে প্ৰতিযোগিতাখন পৰিচালনাৰ দায়িত্ব বহন কৰা চৰাইদেউ জিলাৰ ৰেফাৰীবৰ্ডৰ সদস্যসকলকো আয়োজক সমিতিৰ তৰফে বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

# মণিপুৰ ট্ৰাঁও এফ চিৰ খিতাপ দখল

**অগ্ৰদূত বাৰ্তা, টংলা, ২৫ ছেপ্টেম্বৰ ঃ** ডিমাকুছি ষ্টেডিয়ামত অনুষ্ঠিত সৰ্ব ভাৰতীয় ফুটবল সন্থাৰ দ্বাৰা স্বীকৃত ৰূপালী জয়ন্তী বৰ্ষৰ বড়োলেণ্ড গেলেণ্টছ গ'ল্ডকাপ ফুটবল টুৰ্ণামেণ্টত আজি কলকাতাৰ ৰেলৱে এফ চিক হৰুৱাই মণিপুৰৰ ট্ৰাঁও এফ চিয়ে চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছে। ডিমাকুছি আঞ্চলিক এবছু আৰু ক্ৰীড়া সন্থাই আয়োজন কৰা টুৰ্ণামেণ্টখনৰ আজি অনুষ্ঠিত ফাইনেল খেলত মণিপুৰে কলকাতাৰ দলটোক একমাত্ৰ গ'লত পৰাস্ত কৰে। বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী য়ে উদ্বোধন কৰা খেলখন বিৰতিলৈ গ'লশূন্য হৈ ৰয়। ৬৪ মিনিটতবিজয়ী দলৰ বাওৰিংদাউ বড়োৱে নিৰ্ণায়ক গলটো দিয়ে। মেচখনৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা মণিপুৰৰ উইলিয়ামে, ইমাৰ্জিং প্লেয়াৰ বঁটা মণিপুৰৰ ঋষিয়ে, শ্ৰেষ্ঠ গল স্ক'ৰাৰ বঁটা আৰু হিৰো অৱ দ্যা টুৰ্ণামেণ্টৰ বঁটা (এখন বাইক) বাওৰিংদাউ বড়োৱে, শ্ৰেষ্ঠ গলকীপাৰৰ বঁটা ৰেলৱেৰ দীপাঞ্জল দেৱনাথে লাভ কৰাৰ লগতে বিজয়ী দলক ট্ৰফী সহ এক লাখ টকা আৰু বিজিত দলক ট্ৰফী সহ পঞ্চাশ হেজাৰ টকা প্ৰদান কৰা হয় । মেচখনত সাংসদ দিলীপ শইকীয়া , বি টি চিৰ উপ মুখ্য কাৰ্যবাহী গোবিন্দ বসুমতাৰী,বড়ো সাহিত্য



সভাৰ সম্পাদক প্ৰশান্ত বড়ো, প্ৰাক্তন এবছু নেতা ৰোমিঅ' পি নাৰ্জাৰী, এবছুৰ সভাপতি দ্বীপেন বড়ো, সম্পাদক খনীন্দ্ৰ বসুমতাৰী, ই এম দাউবাইছা বড়ো, ৰাকেশ ব্ৰহ্ম ,ৰনেন্দ্ৰ নাৰ্জাৰী, মেজৰ জ্যোতিৰ্ময় বড়ো, ক্ৰীড়া সংগঠক ৰবিৰাম বড়ো আদিৰ লগতে ভূটানৰ কেইবাগৰাকীও প্ৰশাসনিক বিষয়া উপস্থিত থাকে।

## ৰেজেক আলী ফুটবলত ৰঙিয়া আৰ ডি এছ দল ছেমিত

**অগ্ৰদুত বাৰ্তা, ঘগ্ৰাপাৰ, ২৫ ছেপ্টেম্বৰ ঃ** ঘগ্ৰাপাৰ আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত আয়োজিত ৰেজেক আলী সোঁৱৰণী প্ৰাইজমানি চলন্ত ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত অন্তিমখন কোৱাৰ্টাৰ ফাইনেলখেলত ৰঙিয়াৰ আৰ ডি এছ এ জয়লাভ কৰে। নিৰ্ধাৰিত সময়ত খেলখন অমিমাংসিত হৈ ৰোৱাত টাইব্ৰেকাৰৰ সহায়ত ৫-৪ গ'লৰ ব্যৱধান মুকালমুৱা আৰিয়ানক হৰুৱাই আৰ ডি এছ এ,ৰঙিয়াই জয়লাভ কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। প্ৰথমখন ছেমিফাইনেল ডিমাকুছি ছানৰাইজ আৰু বিজনী ফেৰেংগাৰ মাজত অনুষ্ঠিত হ'ব বুলি ঘগ্ৰাপাৰ ক্ৰীড়া সন্থাৰ সভাপতি তফিকুৰ ৰহমানে জনাইছে।



লৰ্ডছত ইংলণ্ডৰ বিৰুদ্ধে অন্তিম মেচখন খেলি কেৰিয়াৰ সামৰিলে ঝুলন গোস্বামীয়ে

## লোহাৰকাঠা যুৱক সংঘ ছেমিত

**অগ্ৰদূত বাৰ্তা, বাহাৰঘাট, ২৫ ছেপ্টেম্বৰ ঃ** বৰভাগ ইউনাইটেড স্প'ৰ্টচ ক্লাৱৰ উদ্যোগত আয়োজিত ডাঃ ৰামদত্ত বুজৰবৰুৱা আৰু ভূপেন শৰ্মা সোঁৱৰণী চলন্ত ট্ৰফী প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাৰ আজিৰ দ্বিতীয় খন কোৱাৰ্টাৰ ফাইনেল ওদালগুৰি ক্ৰীড়া সংঘ আৰু লোহাৰকাঠা যুৱক সংঘৰ মাজত অনুষ্ঠিত হয়। খেলখনত লোহাৰকাঠা যুৱক সংঘই ওদালগুৰি ক্ৰীড়া সংঘক ২-০ গলত পৰাস্ত কৰি বিজয়ী হয়। খেলখন পৰিচালনা কৰে ৰেফাৰী জিতু আলিয়ে। লাইনত সহায় কৰে কংকন শৰ্মা আৰু ময়দুল আলিয়ে।

# প্ৰাইজমানি ফুটবলত বাগ এফ চি চেম্পিয়ন



**গুৱাহাটী, ২৫ ছেপ্টেম্বৰ ঃ** গুৱাহাটী কাহিলীপাৰাৰ ওদালবাক্ৰা মৰ্ণিং ক্লাবৰ দ্বাৰা আয়োজিত প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাত বাগ এফ চিয়ে বিজয়ীৰ সন্মান অৰ্জন কৰিছে । ওদালবাক্ৰা জনজাতীয় যুৱ কল্যাণ পৰিষদৰ খেলপথাৰত আজি অনুষ্ঠিত ফাইনেলত বাগ এফ চিয়ে লখৰা ট্ৰাইবেল এফ চিক একমাত্ৰ গলত পৰাস্ত কৰে । মেচৰ ১২ মিনিটত বিজয়ী দলৰ হৈ নিৰ্ণায়ক গলটো দিয়ে কল্পজ্যোতি মিলিয়ে । প্ৰতিযোগিতাৰ চেম্পিয়ন তথা ফাইনেলিষ্ট দলে ট্ৰফীৰে সৈতে লাভ কৰে ক্ৰমে ৩০ আৰু ২০ হেজাৰ টকা। বানেশ্বৰ বসুমতাৰীয়ে শ্ৰেষ্ঠ গ'লৰক্ষক, কল্পজ্যোতি মিলিয়ে শ্ৰেষ্ঠ স্ক'ৰাৰ আৰু ক্লিন ছুটিঙে শ্ৰেষ্ঠ খেলুৱৈৰ ট্ৰফী লাভ কৰে । দুদিনীয়া প্ৰতিযোগিতাখনত মুঠ ১৬ টা দলৰ মাজত অনুষ্ঠিত হৈছিল।

## বাংঠাই গাঁৱত ফুটবল আৰম্ভ

**অগ্ৰদূত বাৰ্তা, জাগীৰোড, ২৫ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলাৰ বাংঠাই গাঁও টাইগাৰ ক্লাবৰ সৌজন্যত বাংঠাই গাঁও খেলপথাৰত আজি অনুষ্ঠিত নক আউট ফুটবল প্ৰতিযোগিতাৰ উদ্বোধনী খেল খনত বনপাৰা ফুটবল একাদশ বিজয়ী হয়। বনপাৰা ফুটবল একাদশ আৰু শিমলুগুৰি ফুটবল একাদশৰ মাজত অনুষ্ঠিত খেলখন নিৰ্দিষ্ট সময়ত ১-১ গলত ড্ৰ হয়। কিন্তু টাইব্ৰেকাৰত বনপাৰা একাদশে ৬-৫ গলত জয়েৰে দ্বিতীয় ৰাউণ্ডলৈ উন্নীত হয়। খেলখন উদ্বোধন কৰে বাঘজাপস্থিত ডালমিয়া চিমেণ্ট কোম্পানীৰ প্ৰবন্ধক ৰাজেশ শ্ৰীবাস্তৱে। আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে মৰিগাঁও ক্ৰীড়া সন্থাৰ যুটীয়া সম্পাদক নাছিৰ আহমেদ, মৰিগাঁও ৰেফাৰী বৰ্ডৰ সম্পাদক উত্তম বৰুৱা। খেলখন পৰিচালনা কৰে ভোগসিং বৰদলৈয়ে। লাইনত সহায় কৰে ক্ৰমে ইমানুল হুছেইন আৰু অজিত নাথে।

## পণ্ডিত দীন দয়াল ফুটবল আৰম্ভ

**অগ্ৰদুত বাৰ্তা, শিঙৰী, ২৫ ছেপ্টেম্বৰ ঃ** শোণিতপুৰ জিলাৰ বৰছলা সমষ্টিৰ নতুন শিঙৰী অৱস্থিত গুপ্তেশ্বৰ মিনি ষ্টেডিয়ামত বৰছলাৰ বিধায়ক গণেশ লিম্বুৰ উদ্যোগত আৰু বিজেপিৰ বৰছলা মণ্ডল অনুসূচিত জনজাতি মৰ্চাৰ সহযোগত পণ্ডিত দীন দয়াল উপাধ্যায়ৰ সোঁৱৰণি ফুটবল প্ৰতিযোগিতা আৰম্ভ হৈছে। উদ্বোধনী খেলত ঢেকীয়াজুলি ইয়ং ষ্টাৰ ফুটবল দলে ৰামপুখুৰী ফুটবল দলৰ বিৰুদ্ধে ৪-০ গ'লত জয়লাভ কৰে। উদ্বোধনী খেলৰ পূৰ্বে বিজেপিৰ বৰছলা মণ্ডল কমিটি আৰু বিহগুৰি মণ্ডল কমিটিৰ বিষয়ববীয়াসকলে প্ৰীতি খেল খেলে।



## যামিনী ফুটবলত ডিমালু বিজয়ী

**অগ্ৰদুত বাৰ্তা, লংকা, ২৫ ছেপ্টেম্বৰ ঃ** লংকা ক্ৰীড়া সন্থাৰ খেলপথাৰত অনুষ্ঠিত হোৱা যামিনী কুমাৰ দাস সোঁৱৰণী আন্তঃলংকা ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত খেলখনত শিংজুৰি ডিমালু ক্লাবে লংকা ফুটবল ক্লাবক ২-০ গলত পৰাস্ত কৰে ।প্ৰতিযোগিতাত মুঠ ১০ দলে অংশগ্ৰহণ কৰিছিল। বঁটা বিতৰণী অনুষ্ঠানত উপস্থিত থাকে হোজাই সমষ্টিৰ বিধায়ক ৰামকৃষ্ণ ঘোষ, প্লাবন বৰুৱা, কমল দত্ত, পাৰমিতা সাহা, হজৰত আলী ভূঞা, সম্প্ৰীতি তামুলী ফুকন আৰু দাতা ভৱেশ দাসৰ পৰিয়াল বৰ্গৰ লগতে লংকা ক্ৰীড়া সন্থাৰ বিষয়ববীয়াসকল।

## ডুবাপাৰা ফুটবল লীগত গৰৈমাৰীৰ খিতাপ লাভ

**অগ্ৰদুত বাৰ্তা, মাটিয়া, ২৫ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা জিলাৰ ডুবাপাৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ ক্ৰীড়াঙ্গনত আয়োজিত ডুবাপাৰা আঞ্চলিক ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত হোৱা চূড়ান্ত খেলত গৰৈমাৰী ফুটবল ক্লাৱে ৩-২ গলৰ ব্যবধানত কুৰুৱাভাষা ফুটবল ক্লাৱক পৰাজিত কৰি বিজয়ীৰ খিতাপ দখল কৰে । গৰৈমাৰী ফুটবল ক্লাৱৰ গলৰক্ষক পুলক ৰাভাই প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ গলৰক্ষক আৰু কুৰুৱাভাষা ফুটবল ক্লাৱৰ হেমেন ৰাভা আৰু গৰৈমাৰী ফুটবল ক্লাৱৰ গুনজিৎ ৰাভাই চুড়ান্ত খেলৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে বিবেচিত হয় । গোৱালপাৰা জিলা ক্ৰীড়া বিষয়া চিন্ময় কলিতা আৰু জিলা ক্ৰীড়া সন্থাৰ সভাপতি জীতেন দাসে চুড়ান্ত খেলখনৰ উদ্বোধন কৰে।



# 'চক-মেন-থ্'ক লৈ শিলৰ বুকুত সোণগুটিৰ সন্ধানত এদল পাহাৰীয়া মানুহ

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ২৫ ছেপ্টেম্বৰ ঃ** শিলৰ বুকুত সোণগুটিৰ সন্ধানত নামি পৰিছে এদল পাহাৰীয়া মানুহ। অস্ত্ৰ-শস্ত্ৰ নহয়, এইবাৰ সেউজভূমি ৰুথে পাহাৰৰ সুউচ্চ চূড়াত গঢ়ি উঠিছে এক সুগন্ধি সেউজ বিপ্লৱ। একালৰ অশান্ত কাৰ্বিপাহাৰৰ মধ্যস্থলৰ কাৰ্বিআংলং জিলাৰ চুচেনধেন্টা স্বায়ত্তশাসিত পৰিষদীয় সমষ্টিৰ অন্তৰ্গত সুউচ্চ ৰুথে পাহাৰ চূড়াত স্থানীয় একাংশ কৃষিজীৱী লোকে আৰম্ভ কৰিছে 'চক-মেন-থ্'ৰ খেতি। আচলতে 'চক-মেন-থ্' এক কাৰ্বি ভাষাৰ শব্দ। ইয়াৰ অসমীয়া ৰূপান্তৰ সুগন্ধি ধান। চক্ মানে সুগন্ধি আৰু মেন-থ্ মানে ধান। নগাঁও-কাৰ্বিআংলং সীমান্তৰ পৰা কলিয়াবৰ মহকুমাৰ দক্ষিণ-পূব দিশেৰে কাৰ্বি আংলং পাৰ্বত্য অঞ্চললৈ প্ৰৱেশ কৰি পাহাৰীয়া ৰঙামাটিৰ পথটোৰে প্ৰায় আঠৰ পৰা ১০ কিলোমিটাৰ পথ পাহাৰৰ মাজে মাজে গ'লেই পোৱা যায় চুচেনধেন্টা সমষ্টিৰ লংকৈ টিছ্ নামৰ পাহাৰীয়া গাঁওখন। পাহাৰীয়া টিলাৰ অ'ত ত'ত এঘৰ-দুঘৰকৈ কাৰ্বি সম্প্ৰদায়ৰ লোকেৰে গঢ়ি উঠা দুৰ্গম পাহাৰীয়া গাঁওখনৰ লোকসকলে এতিয়া আৰম্ভ কৰিছে এই সুগন্ধি ধানৰ খেতি। পাহাৰৰ টিলাত ঝুম পদ্ধতিৰে শ শ বিঘা পাহাৰ টিলাৰ ভূমিত কৰিছে এই ধানখেতি। একালত এই পাহাৰতে হৈছিল গছ কটা, শিল ভঙাকে ধৰি বহু অপকৰ্ম। ধ্বংসপ্ৰাপ্ত হৈ পৰিছিল ইখনৰ পাছত সিখন পাহাৰ। এতিয়া পিছে এই সেউজ বিপ্লৱৰে সেউজীয়া হৈছে তাহানিৰ ধ্বংসপ্ৰাপ্ত বহু পাহাৰ টিলাৰ বক্ষ। সকলোতকৈ আকৰ্ষণীয় কথাটো হ'ল যে বৰ্তমান সময়ত আধা পকা অথবা কোনোডৰা পকি সোণালী বৰণ ধৰা ধাননিৰ সুগন্ধি ল'বলৈ ধাননিত প্ৰৱেশ কৰিছে বহু ৰংবিৰঙৰ বিধে বিধে চৰাই। অৱশ্যে এইসমূহ চৰাইক লৈ বিভিন্ন সময়ত ব্যতিব্যস্ত হ'লেও ইহঁতৰো কোনো ক্ষতি নকৰি ধাননিৰ পৰা কাষৰ গছলৈ খেদি পঠিয়াই প্ৰকৃতি সচেতনতাৰ পৰিচয় দিছে এইসকল পাহাৰীয়া কৃষকে। ৰুথে পাহাৰৰ চূড়াই চূড়াই এতিয়া সেউজীয়া-সোণালী ৰঙৰ সমাহাৰ আৰু চৰাইৰ কিচিৰমিচিৰ শব্দ। পাহাৰটিলাৰ এইসমূহ খেতিৰ মাজত সোমাই ইফালে, সিফালে চাওতেই বাবু তিছু নামৰ কাৰ্বি কৃষকগৰাকী আগুৱাই আহি ল'লে পৰিচয়। আৰু কৈ গ'ল এই সেউজ বিপ্লৱৰ আঁৰৰ কাহিনী। 'একালত অশান্ত কাৰ্বিভূমি এতিয়া পূৰ্বৰ দৰে অশান্ত নহয়। বহু লোক উভতি আহিছে পূৰ্বৰ স্থানলৈ। পূৰ্বে বহু অকৰ্ম কৰি সহজলভ্য ধন ঘটা লোকে এতিয়া বুজি পাইছে যে ঠাইখন নিজৰ। আৰু তাৰ ফলশ্ৰুতিতে আজিৰ এই কৃষি বিপ্লৱ।

## ৰুথে পাহাৰৰ শিলাময় টিঙত 'সুগন্ধী ধান'ৰে সেউজীয়া যুঁজ

পাহাৰচূড়াৰ এই সুগন্ধি ধানৰ চাহিদাও যথেষ্ট আছে। বজাৰো বহু আছে। খেতিৰ পৰাই বিক্ৰী হয় ধান। ৰাজ্যৰ বিভিন্ন স্থানৰ লগতে বহিঃৰাজ্যতো চাহিদা আছে এই সুগন্ধি ধানৰ চাউলৰ। সেইবাবেই এতিয়া এই অঞ্চলৰ বহু লোকে এই ধানৰ খেতি কৰিছে।' বৈজ্ঞানিক বিশ্লেষণ কৰিব নোৱাৰিলেও এইজন পাহাৰীয়া কৃষকে কৈ গ'ল এই পাহাৰচূড়াৰ শিলৰ মাজে মাজে পানী অবিহনেই লহপহকৈ বাঢ়ি অহা কৃষি প্ৰণালীৰ কথাও। বন্দুকৰে অশান্ত কৰা কাৰ্বি আংলং জিলাৰ বহু পাহাৰচূড়াত এতিয়া এনেদৰেই জিলিকিছে সোণোৱালী আৰু সেউজ বিপ্লৱৰ আভা। কিন্তু এইখিনিতেই উল্লেখ কৰিব পাৰি যে এই ৰুথে পাহাৰৰ বিস্তীৰ্ণ অঞ্চলতে একালত আছিল এখন ৰবৰ গছৰ বাগিচা। তথ্য মতে, অসম তথা ভাৰতৰে নহয়, সমগ্ৰ এছিয়া মহাদেশৰ ভিতৰতে অন্যতম বৃহৎ ৰবৰ বাগিচা হিচাপে পৰিচিত আছিল এই ৰুথে পাহাৰৰ ৰবৰৰ বাগিচা। আজি কিন্তু এই বাগিচাখন নাই। ইয়াৰ ঠাইত আছে একালত ইয়াত এখন ৰবৰৰ বাগিচা আছিল বুলি প্ৰমাণ দাঙি ধৰা বৃহৎ বৃহৎ ৰবৰ গছৰ কাটি তহিলং কৰা মূঢ়া। স্থানীয় লোকৰ ভাষ্য অনুসৰি চৰকাৰী পৃষ্ঠপোষকতাতে হেনো ধ্বংস কৰা হ'ল একালৰ এছিয়া মহাদেশৰ ভিতৰতে মূৰ তুলি থিয় হোৱা বাগিচাখন। চৰকাৰৰ অৱহেলাৰ ফলতে হেনো ৰবৰৰ বাগিচাখন অযত্নপালিতভাৱেই নিঃশেষ হৈ গ'ল। বহু স্থানীয় লোকে কাম কৰি জীৱিকা নিৰ্বাহ কৰিছিল এই বৃহৎ ৰবৰৰ বাগিচাখনতে। আৰু এতিয়া এই স্থানতো একাংশ লোকে আৰম্ভ কৰিছে এই পাহাৰীয়া সুগন্ধি ধানৰ খেতি। এওঁলোকৰ আশা, এই ধানৰ সুগন্ধিয়েই এদিন সুগন্ধি বিলাব একালৰ অশান্ত কাৰ্বিভূমিত। 'চক-মেন-থ্'ই পাহাৰীয়া মানুহজাকৰ ভৱিষ্যতৰ সোণালী সপোনক সোণসেৰুৱা কৰি তুলিব। আগুৱাই যাব কাৰ্বি পাহাৰৰ জনতা।

# পলাশবাৰীত ৩৫ লাখ টকা ব্যয়ৰে ১৫০ ফুট ওখ ৰাৱণৰ মূৰ্তি নিৰ্মাণ

অগ্ৰদূত বাৰ্তা

**পলাশবাৰী, ২৫ ছেপ্টেম্বৰ ঃ** পলাশবাৰী সমষ্টিৰ সৰাপাৰা ফ্ৰেণ্ডছ ক্লাবৰ উদ্যোগত অহা পাঁচ অক্টোবৰত আৰবি হাইস্কুল খেলপথাৰ, সৰপাৰাত বৰ্ণাঢ্য কাৰ্যসূচীৰে সপ্তম বাৰ্ষিক উৎসৱ (ৰাৱণ বধ) উদ্‌যাপন কৰাৰ বাবে ব্যাপক প্ৰস্তুতি চলাইছে বুলি ফ্ৰেণ্ডছ ক্লাবৰ সভাপতি ধনঞ্জয় ঠাকুৰীয়া আৰু সাধাৰণ সম্পাদক যুগল কাকতি (তগৰ)-এ জানিবলৈ দিছে। ক'ভিডকেন্দ্ৰিক পৰিস্থিতিৰ বাবে দুবছৰ বিৰতিৰ পাছত এইবেলি বৰ্ণাঢ্য কাৰ্যসূচীৰে দশেৰা উৎসৱ (ৰাৱণ বধ) কাৰ্যসূচী উদ্‌যাপন কৰাৰ বাবে পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াক সভাপতি, ৰবীন দাস, পংকজ কুমাৰ দাসক কাৰ্যকৰী সভাপতি, তপন দাস, দীপাংকৰ (দীপ) দাসক সাধাৰণ সম্পাদকদ্বয়, ৰমেন দাস, পংকজ কুমাৰ দেৱানক সহকাৰী সম্পাদকদ্বয় হিচাপে লৈ এখন সমিতি গঠন কৰিছে। প্ৰায় ১৫০ ফুট ওখ ৰাৱণৰ প্ৰতিমূৰ্তিটো নিৰ্মাণৰ বাবে প্ৰায় ৩৫ লাখ টকা ব্যয় হোৱাৰ লগতে তিনি মাহ পূৰ্বৰে পাৰ শিল্পী বিচিত্ৰ শৰ্মা আৰু সহযোগীয়ে ৰাৱণৰ প্ৰতিমূৰ্তি নিৰ্মাণ কাৰ্যত ব্যস্ত হৈ আছে বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে। দশেৰা উৎসৱ উপলক্ষে তিনি অক্টোবৰ (অষ্টমী), গধূলি ছয় বজাত উৎসৱৰ বিশেষ আকৰ্ষণ ২০২১ৰ ছ'নী টিভিৰ ইণ্ডিয়ান আইডল বিজেতা পৱনদীপ ৰাজনৰ গীতৰ শৰাই, নিশা আঠ বজাত নিমন্ত্ৰিত অতিথিদ্বাৰা ৰাৱণ বধ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব বুলি উদ্‌যাপন সমিতিয়ে জানিবলৈ দিছে। উক্ত দশেৰা উৎসৱৰ সমূহ কাৰ্যসূচীত অঞ্চলটোৰ ৰাইজৰ সহায়-সহযোগ তথা উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে উদ্‌যাপন সমিতিয়ে।



# কাৰ্বি আংলঙত সৰবৰাহকাৰীসহ তিনি কোটিৰ ড্ৰাগছ জব্দ

অগ্ৰদূত বাৰ্তা

**বকলীয়াঘাট, ২৫ ছেপ্টেম্বৰ ঃ** কাৰ্বি আংলং আৰক্ষীৰ জালত পৰিছে তিনি কোটিৰ ড্ৰাগছসহ মণিপুৰৰ দুই সৰবৰাহকাৰী। দেওবাৰে পুৱা এক বিশেষ সূত্ৰৰ ভিত্তিত বকলীয়াঘাট আৰক্ষী আৰু হাওৰাঘাট আৰক্ষীয়ে বকলীয়াঘাট আৰক্ষী থানা অঞ্চলৰ পাত্ৰাদিছাত তীব্ৰ অভিযান অব্যাহত ৰাখে। পাত্ৰাদিছাত নিৰ্দিষ্ট ট্ৰাকখন প্ৰত্যক্ষ কৰি আৰক্ষীৰ দলে অভিযান চলায়।

এএছ-০১এম-৩২৭৭ নম্বৰযুক্ত ট্ৰাকখনৰ এয়াৰ ফিল্টাৰত লুকুৱাই অনা অৱস্থাৰ পৰা প্ৰায় তিনি কোটি টকা মূল্যৰ যুবা টেবলেট ড্ৰাগছ জব্দ কৰে। লগে লগে গ্ৰেপ্তাৰ কৰা হয় ট্ৰাক চালক আৰু হেণ্ডিমেন বিমল মাইটে আৰু নানাও মাইটেক। দুয়োৰে ঘৰ মণিপুৰত। নগালেণ্ডৰ পৰা গুৱাহাটীলৈ ড্ৰাগছ সৰবৰাহৰ হোৱাৰ তথ্য লাভ কৰিয়েই আৰক্ষীয়ে এই অভিযান চলায়। ইপিনে, ঘটনাস্থলীত উপস্থিত হৈ ডিএছপি নাহিদ কৰিশ্মাই প্ৰকাশ কৰা মতে, পুৱা গুৱাহাটীৰ পঞ্জীয়নকৃত এখন ট্ৰাকত ড্ৰাগছ অহাৰ এক নিৰ্ভৰযোগ্য খবৰৰ ভিত্তিত বকলীয়াঘাটৰ পাত্ৰাদিছাত তালাচী অভিযান অব্যাহত ৰখা হৈছিল।

পৰৱৰ্তী সময়ত উক্ত সন্দেহযুক্ত ট্ৰাকখন পাত্ৰাদিছাত আৰক্ষীৰ অভিযানকাৰী দলৰ দৃষ্টিগোচৰ হয়। লগে লগে ট্ৰাকৰ এয়াৰ ফিল্টাৰত লুকুৱাই অনা অৱস্থাত ৪৯ টা বাণ্ডিলত প্ৰায় তিনি কোটি টকা মূল্যৰ যুবা টেবলেট 'ড্ৰাগছ' জব্দ হয়। গ্ৰেপ্তাৰ কৰা হয় দুই সৰবৰাহকাৰী চালক-হেণ্ডিমেনক। ট্ৰাকখন জব্দ কৰাৰ লগতে দুয়োকে অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰখা হৈছে। বৃহৎ পৰিমাণৰ ড্ৰাগছ জব্দ কৰিবলৈ সক্ষম হোৱাত বকলীয়াঘাট আৰক্ষী, হাওৰাঘাট আৰক্ষী আৰু কাৰ্বি আংলং জিলা আৰক্ষীৰ এক বৃহৎ সাফল্য হিচাপে চিহ্নিত হৈছে।



*মহালয়া উপলক্ষে নৃত্যানুষ্ঠান, তেজপুৰত দেওবাৰে।*

# বিদ্যুৎ কৰ্মীৰ সাধাৰণ সভা

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২৫ ছেপ্টেম্বৰ ঃ** ষ্টেট পাৱাৰ আউটছৰ্চপাৱাৰ ৱৰ্কাৰ্ছৰ ইউনিয়নৰ আজি এখন সাধাৰণ সভা অনুষ্ঠিত হৈ যায়। সভাত মূলতঃ অস্থায়ী কৰ্মচাৰীসকলৰ চাকৰি নিয়মীয়াকৰণ তথা অসম চৰকাৰে ঘোষণা কৰা পাঁচ হেজাৰ পদত অস্থায়ী কৰ্মচাৰীসকলকো নিযুক্তি প্ৰদানৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিবলৈ অসম চৰকাৰক আহ্বান জনায়। সভাত তেজপুৰ বৈদ্যুতিক চক্ৰৰ অন্তৰ্গত প্ৰতিটো শাখাৰ সভাপতি আৰু সম্পাদকৰ লগতে আছাম ষ্টেট আউটছৰ্চপাৱাৰ ৱৰ্কাৰ্ছ ইউনিয়নৰ কেন্দ্ৰীয় উপদেষ্টা আৰু কেন্দ্ৰীয় উপ-সাধাৰণ সম্পাদক মৃগাংক শৰ্মা আদিয়ে অংশগ্ৰহণ কৰে।

# কুলহাটীত ১১ দিনীয়া শতবাৰ্ষিকী সাৰ্বজনীন দুৰ্গোৎসৱ বৰ্ণিল শোভাযাত্ৰাৰ লগতে সম্পন্ন মহালয়া শীৰ্ষক আলোচনাচক্ৰ

অগ্ৰদূত বাৰ্তা

**হাজো, ২৫ ছেপ্টেম্বৰ ঃ** কঁহুৱাৰ কোঁহে কোঁহে শৰৎ আহে। শৰৎ আহে নিয়ৰত ভিজা শেৱালিৰ কোমল পাপৰিত। শৰৎ যেন পূজা পৰ্ৱৰ বতৰ, আনন্দ উৎসৱৰ বতৰ। এনে এক শুভক্ষণতে দুৰ্গতিনাশিনী শক্তিৰ অধিষ্ঠাত্ৰী দেৱী দুৰ্গাক আৰাধনা কৰিবলৈ তীৰ্থনগৰী হাজোৰ কুলহাটী ৰাইজে উদ্‌যাপন কৰি অহা সাৰ্বজনীন দুৰ্গা পূজাই এইবেলি শতবৰ্ষ গৰকিছে। সেয়ে কুলহাটী ৰাইজৰ এই শতবাৰ্ষিকী দুৰ্গোৎসৱ আজিৰে পৰা পাঁচ অক্টোবৰলৈ বিস্তৃত কাৰ্যসূচীৰে ১১ দিনীয়াকৈ আৰম্ভ হৈছে। তদুপলক্ষে আজি পুৱা প্ৰায় ১০ বজাত কুলহাটী দুৰ্গা মন্দিৰ চৌহদৰ পৰা উলিয়ায় এক বিশাল বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা। কুলহাটী অঞ্চলৰ ৩২ টাকৈ চুবুৰিৰ প্ৰায় তিনি সহস্ৰাধিক পুৰুষ-মহিলা, ডেকা-গাভৰুৰ পৰা বয়োবৃদ্ধই অংশগ্ৰহণ কৰা এই বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে হাজোৰ বিধায়িকা সুমন হৰিপ্ৰিয়াই। এই বিশাল বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাত কুলহাটী অঞ্চলৰ ক্ৰমে মাজৰটোলা চুবুৰিয়ে শ্ৰীশ্ৰীবাসুদেৱ ৰথযাত্ৰা, শৰণীয়া চুবুৰিয়ে আয়তীৰ নাম-প্ৰসংগ, বৰবিল চুবুৰিয়ে কৃষিকাৰ্যৰ দৃশ্যাৱলী, দুই নম্বৰ গোখাইঘৰ চুবুৰিয়ে জেং বিহুৰ দল, এক নম্বৰ মিলনপুৰ চুবুৰিয়ে পৰম্পৰাগত নাওখেলৰ দৃশ্য- জপাথোৱা পৰিবেশন, গনাক-পূজামণ্ডপ-ৰতনপুৰ চুবুৰিয়ে বিয়াৰ পানীটোলা, তিনি নম্বৰ হিডালগুৰী চুবুৰিয়ে আয়তিৰ নাম-প্ৰসংগ, কোনাদিয়া চুবুৰিয়ে কৃষি আৰু ফুলখেতিৰ প্ৰদৰ্শন, ভাটীপাৰা চুবুৰিয়ে ফাকুৱা উৎসৱৰ প্ৰদৰ্শন, পুৰাণপাৰা চুবুৰিয়ে কাতি বিহুৰ চাকি জ্বলোৱা- আয়তীৰ নাম-প্ৰসংগ, আঁহতগুৰী চুবুৰিয়ে মাঘ বিহু, কাতি বিহু ,বহাগ বিহুৰ দৃশ্য প্ৰদৰ্শন, এক নম্বৰ গোসাঁইঘৰ চুবুৰিয়ে বিয়াত পানীতোলা, দুই নম্বৰ মিলনপুৰ চুবুৰিয়ে দৰা-কইনা বেশ, এক নম্বৰ হিডালগুৰী চুবুৰিয়ে চাহ বাগানীয়া ছোৱালীৰ বেশভূষা, সৰু বৰবিল চুবুৰিয়ে ফাকুৱা পৰিবেশন, দুই নম্বৰ হিডালগুৰী চুবুৰিয়ে বিয়াত পানীতোলা দৃশ্য, পশ্চিমটোল চুবুৰিয়ে মাছ মৰীয়া দৃশ্য, নৱমিলনপুৰ চুবুৰিয়ে বীৰাংগনাৰ বেশভুষা, মাছকুছি চুবুৰিয়ে আয়তিৰ নাম প্ৰসংগ, নপাৰা চুবুৰিয়ে হলীগীত পৰিবেশন, ঔতল চুবুৰিয়ে জোৰণদিয়া দৃশ্য পৰিবেশন, ছাত্ৰশালী চুবুৰিয়ে জীৱন্ত হনুমানৰ বেশভুষা, ঠাকুৰীয়াপাৰা চুবুৰিয়ে জপা থোৱা পৰিবেশন, গৰাঘাট চুবুৰিয়ে চৰাই ব্ৰতৰ দৃশ্য-বৰগীত পৰিবেশন, দ-বড়িটোল-বড়িটোল চুবুৰিয়ে ফাকুৱা পৰিবেশন আৰু মোৱামাৰী চুবুৰিয়ে সংকীৰ্তন পৰিবেশন কৰি সমগ্ৰ গাঁওখন মুখৰিত কৰি তোলে। ইয়াৰ মাজতে আকৌ একাংশ যুৱতীয়ে মুগাৰ মেখেলা-চাদৰ পৰিধান কৰি কলহ লোৱাৰ দৃশ্য, জীৱন্ত দেৱী দুৰ্গা, পকী পথৰ ওপৰত নাওখেল প্ৰদৰ্শনৰ দৃশ্যই শোভাযাত্ৰাত এক অন্য মাত্ৰা প্ৰদান কৰে। অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী ভৃগু কাশ্যপ, বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক দিলীপ শইকীয়া, অসম যুৱ আয়োগৰ সদস্য ৰাতুল শৰ্মা আৰু কুলহাটী শতবাৰ্ষিকী দুৰ্গোৎসৱৰ সমূহ বিষয়ববীয়াৰ অংশ গ্ৰহণত এই বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা সমগ্ৰ কুলহাটী অঞ্চল সামৰি পুনৰ দুৰ্গা মন্দিৰ চৌহদত সামৰণি পৰে। ইয়াৰ পাছতে আবেলিৰ ভাগত 'মহালয়া' শীৰ্ষক এক আলোচনাচক্ৰ অনুষ্ঠিত হয়। আলোচনাচক্ৰ সঞ্চালনা কৰে অৱসৰপ্ৰাপ্ত অধ্যক্ষ গণেশ চন্দ্ৰ দাসে। আলোচনাচক্ৰত জেষ্ঠ নাগৰিক ধৰ্মপ্ৰাণ লোহিত চন্দ্ৰ দাসে মহালয়াৰ ওপৰত বিশেষভাৱে আলোকপাত কৰে। আলোচনাচনাচক্ৰত নগেন্দ্ৰ দাস, বিনন্দী দাস, ড° দীপুল কুমাৰ দাস আদিয়ে। সন্ধিয়া নাগাৰা নাম পৰিবেশন কৰে পাঠিকাদ্বয় ক্ৰমে মৰমী শইকীয়া আৰু ডালিমী পাটোৱাৰীয়ে। এই নাগাৰা নাম উদ্বোধন কৰে চিৰিশ পাঠকে। ইপিনে, পুৱাৰ ভাগত কুলহাটী ৰাইজৰ পতাকা উত্তোলন কৰে কুলহাটী গাঁও উন্নয়ন সমিতিৰ সভাপতি মনোমোহন দাসে, শতবাৰ্ষিকী দুৰ্গা পূজাৰ পতাকা উত্তোলন কৰে পূজা পৰিচালনা সমিতিৰ সভাপতি গোবিন্দ ভৰালীয়ে। ধৰ্মধ্বজা উত্তোলন কৰি উদ্যোগপতি তথা সমাজকৰ্মী বণমালী শৰ্মাই কয় যে দেৱীক দুইহাতেৰে দিলে দহোহাতেৰে পায়, পূজা আৰম্ভ কৰিলে সদায় চলি থাকিব বুলি কয়। বন্তি প্ৰজ্বলন কৰে কুলহাটী গাঁও উন্নয়ন সমিতিৰ সম্পাদক তপনজ্যোতি দাস আৰু পূজা পৰিচালনা সমিতিৰ সম্পাদক মনোজ দাসসহ গাঁওখনৰ একাংশ জ্যেষ্ঠ নাগৰিকে, শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে কুলহাটী গাঁও উন্নয়ন সমিতিৰ প্ৰাক্তন সভাপতি-সম্পাদক ক্ৰমে নগেন্দ্ৰ নাথ দাস, উমেশ চন্দ্ৰ দাস, মদন চন্দ্ৰ দাস, গোপাল কৃষ্ণ লহকৰ, দীনেশ্বৰ শৰ্মা, শৰৎ চন্দ্ৰ দাস আৰু ৰজত চন্দ্ৰ দাসে।

# জীৱনক সদ্ব্যৱহাৰ কৰিলে মানুহ অমৰ হয়

## জালাহত ৮০ সংখ্যক ছহিদ দিৱস পালন

অগ্ৰদূত বাৰ্তা

**জালাহ, ২৫ ছেপ্টেম্বৰ ঃ** 'দেশভক্তি হৈছে অন্তৰৰ পৰা অহা অনুভূতি। ১৯৪৭ৰ ১৫ আগষ্টত ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পাছত জনসাধাৰণৰ যি উল্লাস দেখা গৈছিল সেই উল্লাস প্ৰায় ৭৫ বছৰ পাছত কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা স্বাধীনতাৰ অমৃত মহোৎসৱৰ জৰিয়তে অসমৰ গাঁৱে-ভূঞে, চুকে-কোণে, নগৰে-চহৰে দেখিবলৈ পোৱা গৈছে।' আজি প্ৰাচীন বজালী ঐতিহ্য-সংহতি সুৰক্ষা সমিতিৰ উদ্যোগত তথা জালাহ শাখা সমিতিৰ সহযোগত, ৪২ৰ ছহিদ মদন বৰ্মন আৰু ৰাউতাৰাম কোচৰ ৮০ সংখ্যক ছহিদ দিৱস উদযাপন উপলক্ষে নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকি অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ সচিব ৰুক্ম গোসাঁই বৰুৱাই এইদৰে কয়। উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি ভাস্কৰ দিব নাথৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত গোসাঁই বৰুৱাই পুনৰ কয় যে দেশৰ বাবে সেৱা কৰিবলৈ হ'লে আমি কৰ্মৰ স্পৃহা জগাই তুলিব লাগিব। বজাৰ আমাৰ, পথাৰ আমাৰ বুলি মুখত ক'লে নহ'ব। কৰ্মৰ দ্বাৰাহে সেইটো সম্ভৱ হয়। বৰ্তমান আমাৰ বজাৰ আনক এৰি দিয়াৰ ফলত অসমত ১১খন জিলা অসমীয়া খিলঞ্জীয়া লোক সংখ্যালঘু হৈছে আৰু সাতখন জিলাত সংখ্যালঘু হোৱাৰ পথত গৈছে। তদুপৰি ২০১১ৰ লোকপিয়ল অনুসৰি বৰ্তমান ৰাজ্যখনত ৪৮.৩১ শতাংশ লোকেহে মাতৃভাষা অসমীয়া কোৱাটোও অসমত অসমীয়া লোকে সংখ্যালঘু হোৱাটোকে সূচায়। কিন্তু অসমৰ বাহিৰে ভাৰতবৰ্ষৰ প্ৰত্যেকখন ৰাজ্যই নিজৰ ভাষাটো সুৰক্ষিত কৰি ৰাখিছে। মুকলি সভাত স্মৃতিগ্ৰন্থ উন্মোচন কৰি কটন বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহযোগী অধ্যাপক ড° ধ্ৰুৱজ্যোতি দাসে ছহিদ যুগলৰ স্মৃতি ৰোমন্থন কৰি কয় যে ভাৰতবৰ্ষত স্বাধীনতা সংগ্ৰামীসকলক যিমানখিনি সন্মান প্ৰদান কৰা হয় নাইবা অসমৰ আন স্বাধীনতা সংগ্ৰামীসকলে যিমানখিনি সন্মান লাভ কৰিছে অবিভক্ত বজালীৰ হোৱা বাবে ছহিদ মদন বৰ্মন আৰু ৰাউতা কোচে সিমানখিনি সন্মান নোপোৱাটো এই অঞ্চলৰ বাবে অপমানজনক। অসমতে এই ছহিদ দুগৰাকীৰ নাম নজনা বহুতো ইতিহাস আছে। এই ক্ষেত্ৰত অসম চৰকাৰেক ছহিদ দুগৰাকীক উপযুক্ত সন্মান প্ৰদৰ্শন কৰিবলৈ তেওঁ আহ্বান জনায়। মুকলি সভাত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি বি এইছ কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা বিশিষ্ট সমাজকৰ্মী মুনীন্দ্ৰ নাৰায়ণ গোস্বামীয়ে মদন-ৰাউতাৰ বিষয়ে পাঠ্যক্ৰমত সন্নিৱিষ্ট কৰিবলৈ অসম চৰকাৰক আহ্বান জনায়। সভাত অঞ্চলটোৰ মুক্তিযুঁজাৰু পৰিয়ালৰ ক্ৰমে দেবেন্দ্ৰ বিজয় সিংহ, দুৰ্গেশ্বৰ নাথ, পমেৰাম দাস, ভদ্ৰেশ্বৰ দাস আৰু গণেশ চন্দ্ৰ শৰ্মাৰ পৰিয়ালক সম্বৰ্ধনা জনায়। তদুপৰি উক্ত মুকলি সভাতে '৪২ৰ ভাৰত ত্যাগ আন্দোলন ঃ বজালী অঞ্চলৰ অৱদান' শীৰ্ষক সদৌ অসম ভিত্তিত অনুষ্ঠিত ৰচনা প্ৰতিযোগিতাত পুৰস্কাৰ লাভ কৰা প্ৰতিযোগীসকলক পুৰস্কাৰ প্ৰদান কৰে। মুঠ ৩৫ গৰাকী প্ৰতিযোগীৰ ভিতৰত টিহু মহাবিদ্যালয়ৰ ছাত্ৰী তৃষ্ণামণি ডেকাই প্ৰথম, পাটাছাৰকুছিৰ নিৰ্মল হালৈ মহাবিদ্যালয়ৰ নিতুমণি চেতিয়াই দ্বিতীয় আৰু অনন্যা দাসে তৃতীয় স্থান লাভ কৰে। প্ৰথম পুৰস্কাৰ বিজয়ীক প্ৰয়াত সূৰ্য কুমাৰ দেৱচৌধুৰী সোঁৱৰণী মানপত্ৰ, গামোচা, বঁটা আৰু নগদ পাঁচ হেজাৰ টকা প্ৰদান কৰা হয়। দ্বিতীয় পুৰস্কাৰ বিজয়ীক সোঁৱৰণী মানপত্ৰ, গামোচা, বঁটা আৰু নগদ তিনি হেজাৰ টকা আৰু তৃতীয় পুৰস্কাৰ বিজয়ীক সোঁৱৰণী মানপত্ৰ, গামোচা, বঁটা আৰু নগদ দুহেজাৰ টকা প্ৰদান কৰে। সভাত মুক্তিযুঁজাৰু প্ৰয়াত পমেৰাম দাসে ৰচনা কৰা এটি সংগীত পৰিবেশন কৰে ফুলেন দাসে। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা অনুষ্ঠানত পুৱা পতাকা উত্তোলন কৰে প্ৰাচীন বজালী ঐতিহ্য-সংস্কৃতি সুৰক্ষা সমিতিৰ সভাপতি মুৰাৰী মোহন দত্তই আৰু ছহিদ তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰে উদ্‌যাপন সমিতিৰ সভাপতি ফণীধৰ তালুকদাৰে। বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে গ্ৰীণ মিছন, বজালীৰ সঞ্চালক আনন্দ খাটনিয়াৰ, অৱসৰপ্ৰাপ্ত সহকাৰী বন সংৰক্ষক সুনীল কুমাৰ নাথ আৰু জালাহ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া সুনন্দ দাসে। শোভাযাত্ৰা উদ্বোধন কৰে অৱসৰপ্ৰাপ্ত অধ্যাপক ড° সোণেশ্বৰ কলিতাই। সন্ধিয়া ৮০ গছি বন্তি প্ৰজ্বলন কৰা হয়।



# মৰাণত মহিলাৰ মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**মৰাণ, ২৫ ছেপ্টেম্বৰ ঃ** আজি মহালয়াৰ নিশা মৰাণত এগৰাকী মহিলাৰ মৃতদেহ উদ্ধাৰ হোৱাক লৈ সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। ঘটনা অনুসৰি ডিব্ৰুগড় জিলাৰ মৰাণ আৰক্ষী থানাৰ অন্তৰ্গত ঝলমৰ বিষ্ণু মন্দিৰ সমীপৰ এটা পুখুৰীত আজি পুৱা এগৰাকী মহিলাৰ মৃতদেহ উদ্ধাৰ হৈছে। মৃতদেহটো মৃত ৰুচিনাথ বৰুৱা (৫৫) বুলি চিনাক্ত কৰা হয়। স্বামীৰ মৃত্যুৰ পাছত একমাত্ৰ পুত্ৰৰ স'তে আছিল মৃত তিলু বৰুৱা। আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি ঘটনা সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে। আৰক্ষীৰ তদন্ততহে পোহৰলৈ আহিব ঘটনাৰ প্ৰকৃত কাৰণ।

# ছমৰীয়া সত্ৰ পৰিদৰ্শন আৰক্ষী প্ৰধানৰ

অগ্ৰদূত বাৰ্তা

**বকো, ২৫ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলাৰ বকোৰ ঐতিহ্যমণ্ডিত ছমৰীয়া সত্ৰত আজি হঠাতে উপস্থিত হয় অসম আৰক্ষীৰ সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত। ছমৰীয়া সত্ৰ দৰ্শন কৰি সত্ৰত সেৱা গ্ৰহণ কৰে আৰক্ষী সঞ্চালক প্ৰধানজনে। সত্ৰৰ আপুৰুগীয়া সম্পদসমূহ দৰ্শন কৰি অভিভূত হৈ পৰে অসম আৰক্ষীৰ সঞ্চালক প্ৰধানজন। আনকি খোল বাদনৰ অনুশীলনো কৰে আৰক্ষী সঞ্চালক প্ৰধানজনে। নতুন প্ৰজন্মক আকৃষ্ট কৰিবৰ বাবে সত্ৰসমূহে ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজনীয়তা আছে বুলি মন্তব্য কৰে আৰক্ষী সঞ্চালক প্ৰধান মহন্তই। আনকি বৃহত্তৰ অসমীয়া সমাজ গঠনত সত্ৰ সমাজে ব্যৱস্থা গ্ৰহণ কৰিব বুলিও উল্লেখ কৰে। ৰাজ্যৰ অন্য সত্ৰৰ তুলনাত ছমৰীয়া সত্ৰৰ সু-ব্যৱস্থা দেখি অভিভূত হৈ পৰে আৰক্ষী সঞ্চালক প্ৰধানজন। ছমৰীয়া সত্ৰত বড়ো, ৰাভাকে ধৰি বিভিন্ন জাতি-জনগোষ্ঠী সমন্বিতে ভাওনা কৰাৰ বাবেও আহ্বান জনালে সত্ৰবাসীক। আজি ছমৰীয়া সত্ৰত আৰক্ষী সঞ্চালক প্ৰধানজনক সংগ দিয়ে কামৰূপ জিলা আৰক্ষী অধীক্ষক হিতেশ চন্দ্ৰ ৰায়সহ বকোৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া খনিন্দ্ৰ নাথে। উল্লেখ্য যে বকোৰ সোণতলীৰ এক বিশেষ অনুষ্ঠানৰ বাবে গৈ থকাৰ পথত ঐতিহ্যমণ্ডিত ছমৰীয়া সত্ৰ দৰ্শন কৰে অসম আৰক্ষী সঞ্চালক প্ৰধানজনে।



# চূণপোৰা ভিঠিত গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱ

বিশেষ সংবাদদাতা

**বৰপেটা, ২৫ ছেপ্টেম্বৰ ঃ** অসমীয়া জাতিৰ জনক মহাপুৰুষ শংকৰদেৱৰ ৫৭৪ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ সত্ৰনগৰী বৰপেটাৰ চূণপোৰা ভিঠি থানত বৃহত্তৰ বৰপেটাবাসী ৰাইজৰ উদ্যোগত আৰু চূণপোৰা ভিঠি থান পৰিচালনা সমিতিৰ সহযোগত অহা আঠ, ন আৰু ১০ অক্টোবৰত অনুষ্ঠিত হ'ব। একশৰণ হৰি নাম ধৰ্মৰ প্ৰৱৰ্তক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাই উজনি অসমৰ ধুঁৱাহাটা বেলগুৰিৰ পৰা ভকত সমন্বিতে ভটিয়াই আহি বৰপেটাত প্ৰৱেশ কৰোতে প্ৰথমে বসতি কৰা থানখনেই হৈছে বৰপেটা চহৰৰ মাজমজিয়াত অৱস্থিত চূণপোৰা ভিঠি থান। তাৰ পাছতহে শংকৰদেৱে ক্ৰমে কুমাৰকুছি আৰু পাটবাউসীলৈ গৈ তাত সত্ৰ স্থাপন কৰি থাকিবলৈ লৈছিল। অথচ গুৰুজনাই নামনিলৈ ভটিয়াই আহি প্ৰথমে পদাৰ্পণ কৰা আৰু বসতি কৰা চূণপোৰা ভিঠি থান আজি অৱহেলিত অনাদৃত। আনকি নৱ প্ৰজন্মৰ বহু যুৱক-যুৱতীয়ে নাজানে চূণপোৰা ভিঠি থানৰ ঐতিহ্য। সেয়েহে থানখনত গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱৰ পাতি গুৰুজনাক স্মৰণ কৰাৰ লগতে চূণপোৰা ভিঠি থান সম্পৰ্কে নৱ প্ৰজন্মৰ যুৱক-যুৱতীসকলক পৰিচয় কৰাই দিয়া আৰু থানখনত থকা অভাৱ অভিযোগসমূহ ৰজাঘৰৰ দৃষ্টি আকৰ্ষণ কৰি সমাধা কৰাৰ উদ্দেশে বিগত বৰ্ষৰ পাৰ বৃহত্তৰ বৰপেটাবাসী ৰাইজে থান পৰিচালনা সমিতিৰ সহযোগত শংকৰদেৱৰ গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱ উদ্‌যাপন কৰিছে। এইবেলিও দ্বিতীয় বৰ্ষৰ বাবে তিনিদিনীয়া কাৰ্যসূচীৰে আৱিৰ্ভাৱ মহোৎসৱৰ উদ্‌যাপন কৰাৰ যো-জা চলোৱা হৈছে। কাৰ্যসূচী অনুসৰি আঠ অক্টোবৰৰ পুৱা পাঁচ বজাত ঊষা কীৰ্তন, ৬.৩০ বজাত পৰিৱেশ নিকাকৰণ, ৭.৩০ বজাত বৃক্ষৰোপণ, ৮.৩০ বজাত ধৰ্মধ্বজা উত্তোলন, ধৰ্মধ্বজা উত্তোলন কৰিব আৱিৰ্ভাৱ মহোৎস উদ্‌যাপন সমিতিৰ সভাপতি তথা বৰপেটাৰ প্ৰাক্তন বিধায়ক গুণীন্দ্ৰ নাথ দাসে। ১০ বজাত শিশুসকলৰ মাজত দলীয় প্ৰাৰ্থনা আৰু বক্তৃতা প্ৰতিযোগিতা। প্ৰতিযোগিতাখন উদ্বোধন কৰিব বিজেপি বৰপেটা জিলা সমিতিৰ সভাপতি অনিল কুমাৰ দাসে। বিয়লি তিনি বজাত যুৱক-যুৱতীসকলৰ মাজত অনুষ্ঠিত হ'বলগীয়া বৰগীত আৰু সত্ৰীয় নৃত্য প্ৰতিযোগিতাখন উদ্বোধন কৰিব বৰপেটা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডাঃ কমল কৃষ্ণ দাসে। ন অক্টোবৰৰ পুৱা ন বজাত ভাগৱত ভ্ৰমণ। ভাগৱত ভ্ৰমণ উদ্বোধন কৰিব বৰপেটা সত্ৰৰ ডেকাসত্ৰীয়া গৌতম পাঠকে। দুপৰীয়া ১২ বাজত কণ কণ শিশুৰ মাজত হ'বলগীয়া খেল-ধেমালি প্ৰতিযোগিতা উদ্বোধন কৰিব আৱিৰ্ভাৱ মহোৎসৱৰ উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি ধনজিৎ পাঠকে। বিয়লি চাৰি বজাত অনুষ্ঠিত হ'ব ধৰ্মালোচনা সভা, স্মৃতিগ্ৰন্থ উন্মোচন আৰু বঁটা বিতৰণী অনুষ্ঠান। আৱিৰ্ভাৱ মহোৎসৱৰ উদযাপন সমিতিৰ সভাপতি প্ৰাক্তন বিধায়ক দাসৰ পৌৰোহিত্যত অনুষ্ঠিত হ'বলগীয়া ধৰ্মালোচনা সভাখনত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰিব ৰাজ্যসভাৰ সাংসদ ভুৱনেশ্বৰ কলিতাই। বিশিষ্ট অতিথিৰূপে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, আই আৰু ন্যায় আদি বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আৰু একশৰণ ভাগৱতী সমাজৰ প্ৰচাৰ সচিব গুণীন্দ্ৰ চলিহাই নিৰ্দিষ্ট বক্তাৰূপে অংশগ্ৰহণ কৰিব। ধৰ্মালোচনা সভাখন উদ্বোধন কৰিব বৰপেটা মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° বাবুল চন্দ্ৰ দাসে। নিশা ভাওনা প্ৰদৰ্শন অনুষ্ঠান মুকলি কৰিব সৰুক্ষেত্ৰীৰ প্ৰাক্তন বিধায়ক ডাঃ তাৰাপ্ৰসাদদ দাসে। ১০ অক্টোবৰৰ বিয়লি চাৰি বজাত আইমাতৃ সমাৰোহ মুকলি কৰিব বৰপেটা পৌৰসভাৰ সভাপতি ছবিলাল দাসে। নিশা থিয়নাম অনুষ্ঠান মুকলি কৰিব বুদৰুৱটুপ শাখা সত্ৰৰ সদস্য হিমাংশু দাসে। ইতিমধ্যে বৰপেটাৰ প্ৰাক্তন বিধায় দাসক সভাপতি, মতিলাল পাঠক আৰু ধনজিৎ পাঠকক কাৰ্যকৰী সভাপতি, মহানন্দ পাঠকক মুখ্য সম্পাদক, শৈলেন্দ্ৰ দাস, সন্তোষ লাল মজুমদাৰ, ধনজিৎ দাস আৰু সত্যেন্দ্ৰ নাথ ভৰালীক সম্পাদকৰূপে লৈ সাতখন উপ-সমিতিসহ আৱিৰ্ভাৱ মহোৎসৱৰ উদ্‌যাপন সমিতিখন গঠন কৰা হৈছে। উদ্‌যাপন সমিতিৰ মুখ্য সম্পাদক পাঠকে ৰাইজৰ সহায়-সহযোগ আৰু উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে।

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com